# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
### তাৰিখঃ ১৩/২/২০২৪ মঙ্গলবাৰ

**ইংৰাজী ১৩-০২-২০২৪ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ৩০ বজাত আৰম্ভ হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** Question No.- 101. মোঃ আমিনুল ইছলাম (কণিষ্ঠ)।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা পৰ্য্যটন মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**মোঃ আমিনুল ইছলাম (কণিষ্ঠ, মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যে ২০১৯ আৰু ২০২০ চনত যিখিনি Skill Development ৰ নামত পইচা দিয়া হৈছে, ২০২০-২১ আৰু ২০১৬ চনৰ পৰা চলি আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত যিখিনি দিয়া হৈছে এইবাৰ যিখিনি training দিয়া হৈছে, সেই training ৰ যি 3rd party ক দিয়া হৈছে ,তাত কোনো ধৰণৰ উন্নতমানৰ ব্যৱস্থা হৈ থকা নাই। যদিও মই মন্ত্ৰী মহোদয়ক দেখা কৰিছো বিষয়টো লৈ চাৰ এইটো কেনেকৈ job দিব পৰা যায়,তাৰ এটা ব্যৱস্থা ইয়াত আহিব লাগে আৰু Skill Development ৰ যথেষ্টখিনি ITI অসমৰ বিভিন্ন জিলা বিলাকত দিয়া হৈছে কিন্তু আমাৰ জিলাত এতিয়ালৈকো ব্যৱস্থা কৰা হোৱা নাই। এইখিনি ব্যৱস্থা কেতিয়া কৰিব ? এইখিনি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Hon’ble Miniter.

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা পৰ্য্যটন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যোৱা সময়ত যিখিনি Skill Development ৰ training দিয়া হৈছিল, এই training খিনি training partner ৰ জৰিয়তে দিয়া হয় আৰু training partner ৰ জৰিয়তে যিহেতু residential trainging আগতে নাছিলে তাৰ কাৰণে proper percentage টো বেছি আছিল। যোৱাবাৰ আমাৰ সন্মানীয় সদস্য সকলকো মই আমাৰ Skill Development ৰ ASDM লৈ নিমন্ত্ৰণ কৰিছিলো, তেখেতসকলৰ পৰামৰ্শ লৈছিলো আৰু তাৰপিছত এইবছৰৰ পৰা আমি Residantial Training আৰম্ভ কৰিছো য'ত drop percentage টো প্ৰায় zero বুলিয়েই ক'ব পাৰি য'ত প্ৰত্যেকজন মানুহে তাত থাকি ভালকৈ training লৈছে আৰু এখেতে যিটো কৈছে আমাৰ যিটো training হয় যিটোত আমাৰ placement skill development training programme হয়। তাত তেখেতৰ জিলাতেই দক্ষিণ শালমাৰাত ৫৬৬ জনক angegement দিয়াৰ তথ্য আমাৰ ওচৰত আছে বা যিসকলৰ নাম তেখেতে বিচাৰিলে আমি দি ব পাৰিম ক'ত angegement দিছে। গতিকে angegement নিদিয়াৰ কথাটো নাই আৰু ITI ৰ ক্ষেত্ৰত এটা কথা ঠিক যে অসমত এতিয়াও বহুত block আছে আনকি দুখন জিলাও আছে য'ত ITI নাই। আপোনাৰ জিলাখনো তাৰ ভিতৰত এখন যে জিলাখনতো ITI নাই। যোৱাসময়ত আমি ITI সমূহ আগবঢ়াবৰ কাৰণে বহুখিনি কাম আগবঢ়াইছো এতিয়াও যিবিলাক amalgamate school হৈছে, সেই school building বিলাক আমি educa-

tion department ত বিচাৰিছো যে তেখেত সকলে যদি আমাক infrastructure টো দি দিয়ে আমি immediately কামসমূহ আৰম্ভ কৰিব পাৰো। এইবছৰ আমি প্ৰায় ১৮ খন আৰু ৮ খন এই গোটেইখিনি আমাৰ নতুনকৈ ITI PDPmodel ত হৈছে। PDP model ত হ'লেও Government ITI তকৈ কোনো differance নাথাকে। কাৰণ আমাৰ PDP model এইটোৱে যে Government ITI ৰ যিটো pre structure হ'ব, সেই pre structure ত private ITIৰ যিটো gap funding হ'ব সেইটো আমি as a scholarship student জনক দি দিম। গতিকে Student জনে কেতিয়াও feel নকৰে যে তেওঁ Government ITI বা private ITI ৰ পৰা,কেতিয়াবা quality বেছি ভালেই দেখা যায়। সেই কাৰণে আমি এইটো model লৈকে গৈছো। এইবাৰ আমি যিমান নতুন ITI বনাম, PDP model ত বনাম আৰু তাৰ Government ITI ৰ pre structure, Government ITI ৰ যিমান fees হ'ব আৰু private ITI ৰ বেছি fees হ'ব আৰু এই fees ৰ gap funding টোত আমি scholarship দিম। গতিকে student য়ে এইটো অসুবিধা feel নকৰে কাৰণ নহ'লে যিমান unstart block আছে আমি ITI বনাব গৈ ক'ৰবাত বহুত সময় লাগিব। আমি সেই কাৰণে Government ত amalgamate হোৱা school বিলাক বিচাৰিছো আমাৰ বিভাগত যথেষ্ট স্কুলৰ লিষ্ট আহিছে। তাৰ উপৰিও আমাৰ যিটো industry department and MSDP ৰ কিছুমান ITI infrastructure হৈ আছিল অলপ complete হ'বলৈ আহিছে সেইখিনিও আমি লৈছো, আৰু নতুনকৈ সেইবিলাক আৰম্ভ কৰিছো আৰু এইবাৰ আপোনালোকে জানি সুখী হ'ব যে কেন্দ্ৰীয় বাজেটতো ভাৰতবৰ্ষত এইবছৰ ৩ হাজাৰ ITI বনোৱাৰ কথা কৈছে। গতিকে নিশ্চয়কৈ অসমতো আমি তাৰ এটা সংখ্যা পাম। গতিকে ITI ৰ অভাৱবিলাক আমাৰ আছে। কাৰণ একেবাৰে সীমিত সংখ্যক ITI প্ৰত্যেকটো ITI unstart block ত বনোৱাৰ আমি plan লৈছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।

**মোঃ আমিনুল ইছলাম (কণিষ্ঠ, মানকাছাৰ)** ঃ ৩৯ নতুনকৈ ITI হৈ আছে এইটো কথা আপোনালোকে জনাইছে ৰাজ্যপালৰ ভাষণত আহিছে। কিন্তু আমাৰ কথাটো হ'ল জিলাখনতে ITI নাই। যাতে এইটো এটা বিশেষভাৱে ইতিমধ্যে government sponsored,Central Government হওঁক, State Governement sponsored ITI মানকাচাৰ location ত লাগে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা,পৰ্য্যটন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ priority ত আছে। কাৰণ দক্ষিণ শালমাৰা, মানকাছাৰ গোটেই জিলাখনতে ITI নাই। আমি সেইটো priority তে ৰাখিছো। কেৱল ready infrastructure আমি পোৱা নাই। যদি আপুনি আমাক দেখুৱাই দিয়ে যে ready infrastructure আছে, কৰবাত MSDP বা industry বনোৱা আছে আনকি বহুত বিধায়কে নিজৰ পইচাৰে ১০ কোটি টকাৰ signature projectৰ skill development ITI বনাই দিছিল সেইবিলাকো আমি আৰম্ভ কৰিছো। গতিকে যতেই amalgamation হোৱা school ও দেখুৱাই দিয়ে, আমি তৎক্ষণাত আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই

বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে আমাৰ অসমত বাঁহ-বেতৰ যি কুটীৰ শিল্প আছে বিশেষকৈ আমাৰ বৰপেটা জিলাত বহু মানুহে এই শিল্পৰ লগত জড়িত ধাৰিব পৰা আৰম্ভ কৰি চকী, ফাৰ্নিচাৰ গোটেই সা-সামগ্ৰীবিলাক তেওঁলোকে ভালকৈ উৎপাদন কৰিব পাৰে। কিন্তু তেওঁলোকে ভাল মাৰ্কেট নাপায় বা চৰকাৰৰ পৰা ঠিক তেনেকুৱা ধৰণে অনুদানো নাপায়। এই সংক্ৰান্তত কিবা ব্যৱস্থা ল'ব নেকি? শেষত এই দুটা বিত্তীয় বৰ্ষত অসমত কিমানজন ব্যক্তিয়ে আমাৰ এই বিভাগৰ দ্বাৰা কৰ্মসংস্থাপন পালে?

**মাননীয় অধ্যক্ষ ঃ** কিন্তু এতিয়া মন্ত্ৰী ডাঙৰীয়াৰ লগত দাতা নাই।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** আছে যদি জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা পৰ্য্যটন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে traditional skill কেৰল বাহ-বেত বুলিয়েই নহয়, আমাৰ যিসমূহ traditional skill আমি ইতিমধ্যে এটা নতুন course আৰম্ভ কৰিছো। আমাৰ indigenous trade throguh Guru, গুৰু -শিষ্য আমাৰ এনেকুৱা কিছুমান trade আছে, যেনেকৈ শীতল পাটী বনাই জাপি বা বিভিন্ন মাটিৰ বাচন বনাই এনকুৱা যিবিলাক traditional trade আছে তাৰ কাৰণে আমি এটা নতুন skillabus আনিছো। য'ত আমি গুৰু-শিষ্য মাধ্যমেৰে নতুন generation ক শিকাব পাৰো। অসমত এনেকুৱা বহুত trade আছে। তেখেতে যেনেকৈ কৈছে যে বাহ-বেতৰ শিল্প এই trade বিলাক আছে. এইবাৰ আমাৰ এনকুৱা ধৰণৰ Bamboo, Decorative handricraft, Tai-Ahom traditional dress making, Bee kinpping and screening technology, Ariskill and Rural Women Solar crepe craft এনেকুৱা ধৰণৰ অজস্ৰ পটাৰী এনেকুৱা যিবিলাক মুঠ 29 including Bee keeping, Japi making, pottery indigenous wood craft এনেকুৱা ধৰণৰ 29 indigenous trade ক আমি লৈছো। যিজনে গুৰ হিচাপে শিকাই আছে। তেনেকৈ গুৰু-শিষ্য এটা system ত এই কামটো আৰম্ভ কৰিছো। মই ভাৰো যে এই indigenous চলি trade সেইখিনিক আমি পুণৰ উজ্জিৱিত কৰিব পাৰিম। আপুনি যদি চায়, আমাৰ যিখিনি placement link scheme আছে, সেইখিনিক 60%, 70% লৈকে placement দিয়া হয়, নহ'লে তেওঁলোকে installment ৰ পইচাকেইটা নাপায়। কিন্তু কিছুমানৰ ৯০ শতাংশ হয়। Average 60%, 70% placement link হয়। এইবাৰ আপোনালোকক জনাব পাই সুখী যে কেইদিনমানৰ আগতে আমি টাটাৰ লগত এখন চুক্তিৰ মৰ্মে ৫৭০ গৰাকী ছোৱালীক বাঙ্গালুৰুলৈ তেওঁলোকক টাটা electronic ত প্ৰশিক্ষণৰ কাৰণে পঠিয়াইছো আৰু তেওঁলোকে তাত গৈ with stipends 12 হাজাৰ টকাৰ তাত একবছৰৰ কাম কৰিব আৰু লগে লগে টাটাত সোমাই যাব। টাটাই যিহেতু অসমত এনেকুৱা ধৰণৰ semi conductor industry ৰ কথা plan কৰি আছে। গতিকে এইসকল ছোৱালী আহি ভৱিষ্যতো ভাল ভাল চাকৰিত সংস্থাপিত হ'ব পাৰিব। মইতো বিচাৰো যে আমাৰ মাননীয় বিধায়ক সকলে অলপ গুৰুত্ব লয়। এতিয়ালৈকে ১ হাজাৰ ছোৱালী বিচাৰিছিলো। ৫৭০ গৰাকী পঠিয়াইছো আৰু আপোনালোকৰ অঞ্চলত যদি কোনোবা তেনেকুৱা আগ্ৰহী ছোৱালী আছে বা যাব বিচাৰে আপেনালোকে দিব পাৰে। আমি টাটালৈকে পঠিয়াব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং- ১০২ মাননীয় সদস্য শ্ৰীআশ্ৰাফুল হুছেইন, তেখেত absent. প্ৰশ্ন নং -১০৩। শ্ৰীনিজানুৰ ৰহমান। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰমোন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো after delimitation আমাৰ ব্লকবিলাক কিমান দিনৰ ভিতৰত গঠিত হ'ব লগতে নতুনকৈ আমাৰ যিখিনি পঞ্চায়তৰ delimitaton ৰ পাছত কিছুমান অঞ্চলত এনেকুৰা হৈছে দুই-তিনিখন revenue village আছে আৰু ক'ৰবাত ৫-৬ আছে তাৰ লগতে আৰু এটা কথা আমাৰ BTC ৯ খন VCDC মোৰ সমষ্টিত আছিল। গৌৰীপুৰ সমষ্টিত বৃহৎ অঞ্চলটো কোকৰাঝাৰ জিলাৰ লগত সংলগ্ন হৈ গ'ল. এতিয়া BTC ৰ বাহিৰত আমাৰ ব্লক নোহোৱা হ'ব. মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আমাৰ ব্লক কেইটা কেনেকৈ চলিব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰমোন্নয়ন মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লোকসভা আৰু বিধান সভা পুনৰ গঠন কৰাৰ পাছত আমি দেখিছো বহু কেইটা ব্লকত বিভিন্ন part ৰ পৰা আহে। তাত ব্লক হিচাপে আছে। কিন্তু হয়তো বেলেগ বেলেগ সমষ্টিত অন্তৰ্ভূক্ত। ঠিক তেনেকৈ নগৰ গঠিত গৌৰীপুৰ বিধান সভা সমষ্টিত ৰূপসী আৰু দেৱীতলা উন্নয়ন খণ্ডৰ অধীনত থকা মুঠ গাঁৱৰ তালিকা ইতিমধ্যে দাখিল কৰিছে। এইটোৰ আধাৰত আমাৰ আংশিকভাৱে ৮ খন গাঁও আমাৰ এই পঞ্চায়তৰ অৰ্ন্তভূক্ত কৰাৰ পাছত ৩০ খন ইয়াৰে ৰূপসী উন্নয়ন খণ্ডৰ ৫ খন আংশিক গাঁও অধীনত আৰু ১৩ খন সম্পূৰ্ণ গাওঁ এনেকুৰাকৈ আংশিক যদি আছে, এই সমষ্টিটোত আংশিকভাৱে বেছি আছে। আৰু সেই কাৰণে এই বিষয়টো উপলব্ধি কৰি ইতিমধ্যে আমি এটা সিদ্ধান্ত লৈছো। আগন্তুক দিনত আমি আমাৰ জিলা পৰিষদ বা খণ্ড উন্নয়ন ব্লক আৰু পঞ্চায়তৰ পুনৰ গঠন কৰাৰ প্ৰয়োজন আছে আৰু সেই পুনৰ গঠন কৰাৰ কাৰণে ইতিমধ্যে আমি আগন্তুক দিনত এখন কেবিনেটত নতুনকৈ মেমৰেণ্ডাম আনিম। সেইটোৰ জৰিয়তে আমি জিলা যিসকল আয়ুক্ত আছে, জিলা আয়ুক্তসকলক আমি অধ্যক্ষ হিচাপে দি আৰু লগতে জিলা পৰিষদৰ CEO তাত থাকিব। Member Secretary আৰু যিগৰাকী election officer জিলা নিৰ্বাচনী বিষয়া তেখেতক দি সম্পূৰ্ণ জিলাখনৰ যাতে আমি পঞ্চায়ত সমূহ বা খণ্ড উন্নয়ন কাৰ্যালয় সমূহ পুনৰ গঠন কৰিব পাৰো। তাৰ কাৰণে প্ৰক্ৰিয়া চলি আছে। গতিকে যেতিয়া কেবিনেটত আমি আৰু notification খন ওলোৱাৰ পাছত সেই কামখিনি কৰিম।

**মাননীয় অধ্যক্ষ ঃ এতিয়া** প্ৰশ্ন নং- ১০৩ - নিজানুৰ ৰহমান ।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ)** ঃ মাননীয় অধ্যক্ষ মহদয়, বৰ্ত্তমান ডিলিমিটেশ্যন হোৱাৰ পিচত ২,৮৯০০০ ভোটাৰ আছিলে । বিলাসীপাৰাৰ পৰা একেবাৰে শ্ৰীৰামপুৰ অঞ্চললৈকে আৰু ইফালে বক্সিৰ হাটৰ ৱেষ্ট বেংগল বৰ্ডাৰলৈকে ১০০ কি.মি দৈৰ্ঘ্য হৈছে। কিছুমান পঞ্চায়তৰ চেটেলাইট হিচাপে দুইখন গাওঁৰ ৫ টা সমষ্টি সংলগ্ন হৈছে। ছাৰ, আমাৰ এডমিনিষ্ট্ৰেটিভ কামখিনি চলাৰ বহু অসুবিধা হ'ব। সদ্যহতে পাৰ্মানেন্ট চলিউশ্যনৰ কাৰণে বিটিচিৰ এটা অঞ্চল ৫৪,০০০ গুছি গ'ল ।

**মাননীয় অধ্যক্ষ** ঃ অনাৰেবল মিনিষ্টাৰৰ ৰিপ্লাই ।

**শ্ৰীৰণজিৎ দাস, মন্ত্ৰী, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি)** ঃ অধ্যক্ষ ডাঙৰীয়া তাত যিহেতু পূৰ্ব্বতে বিটিআৰৰ এৰিয়া আছিলে, বৰ্ত্তমানে সেইখিনি বাদ দিয়া হৈছে । বাদ দিয়াৰ পিচত আমাৰ যি গাওঁ পঞ্চায়ত আছে ডিলিমিটেশ্যনৰ আগত ১৭ খন আছিল আৰু ডিলিমিটেশ্যনৰ পিচত ৯ টা GP থাকিলে আৰু পাৰ্চিয়েল GP থাকিলে ৫ টা আৰু ভিলেজ থাকিল ৭৬ টা ।টোটেল পপুলেশ্যন

থাকিল ১,৩৯,৯৫৭ গৰাকী । এতিয়া দেখা গ'ল যে বহু কেইটা এৰিয়া লগ লগাই কামবিলাক কৰিব লগা হৈছে। গতিকে আমি নিজেও বহু অসুবিধা পাই আছো। এই সমস্যা অকল এইটো ব্লককতে নহয়, আন বহু ব্লককতো হৈ আছে। এতিয়া যদি গোৱৰ্দ্ধনা ব্ল'কৰ কথা কওঁ তাৰ আধাখিনি বিটিআৰত পৰে আৰু আধাখিনি নন বিটিআৰ। এতিয়া অসমত যিমানবিলাক এনেকুৱা সমস্যা আছে আমি পাৰিলে য'ত ডাঙৰ পঞ্চায়ত আছে মানে য'ত ২৫-৩০ টা আছে, তাত দুটাকৈ ব্ল'ক ৰখাৰ চেষ্টা কৰিছো আৰু ক'বাত যদি আৰবান এৰিয়া বাদ দি পেলাই ৭ টা জিপি আছে তেনেহ'লে সেইটো লৈ পেলাই তাত এটা ব্ল'ক কৰাৰ বাবে আমি চিন্তা চৰ্চা কৰি আছো আৰু ডিলিমিটেশ্যনৰ প্ৰক্ৰিয়াৰ আগৰ পৰাই আমি এই কথাটো চিন্তা কৰি আছো, আগন্তুক সময়ত নিশ্চিতভাৱে আমি এইটো কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া প্ৰশ্ন নং - ১০৪, শ্ৰীসুৰেন ফুকন ।

**শ্ৰীটেৰচ গোৱালা, (দুলীয়াজান)ঃ** অধ্যক্ষ মহোদয়, তেখেত অনুপস্থিত। তেখেতৰ হৈ মই ক'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , আপুনি কেৱল ডিগবৈ সমষ্টিৰ কথা কওঁক ।

**শ্ৰীজয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰীটেৰচ গোৱালা, (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ লিখিত উত্তৰ পাইছো আৰু ইয়াত আশাৰ বাৰ্ত্তাও আছে । মই অনুৰোধ জনাম যে, ইতিমধ্যে বিভাগে ভাৰত চৰকাৰৰ মাল্টি নেশ্যনেল কোম্পানি যেনেকৈ অইল ইণ্ডিয়াৰ লগতে জইন্ট ভেনচাৰত যেনেকৈ আই টি আই বিলাক কৰিছে ঠিক তেনেকৈ ডিগবৈ বিধান সভা সমষ্টিৰ খালি হৈ থকা স্কুল বিল্ডিঙবিলাকত IOC ৰ লগত কৰিব পাৰে নেকি ?

**শ্ৰীজয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, নিশ্চয়কৈ ডিগবৈৰ দৰে সমষ্টি এটাত আই টি আই নথকাটো পৰিতাপৰ কথা । আমি নিজে দেখা পাইছো নলবাৰী , ডিব্ৰুগড়, ডিগবৈ, বা নাহৰকটীয়াৰ পৰা পঢ়িবলৈ যায় আৰু তাৰ পৰা পাছ কৰি আহি অইল , ও এন জি চিত চাকৰি লয় । তাৰ মানে তাত ডিমাণ্ড আছে কিবা কাৰণত ইমান বছৰে এই কথাবিলাক চিন্তা কৰা নহ'ল । ডিগবৈ এখন ইণ্ডাষ্ট্ৰিয়েল এৰিয়া গতিকে নেচাৰেলী তাত এখন আই টি আই থাকবি লাগে। আজিৰ দিনত তেনেকুৱা ধৰণৰ মাল্টিনেশ্যনেল কোম্পানীবিলাক বা এনেকুৱাধৰণৰ বি এচ ইউ বিলাক আছে তেখেতসকলে চি এচ আৰ ফাণ্ডৰ জৰিয়তে আমাক সহায় কৰিব পাৰে আৰু আমাৰ দুই এখন আই টি আই চি চে আৰ ফাণ্ডৰ জৰিয়তে চলিও আছে। গতিকে মই বিধায়ক গৰাকীক অনুৰোধ কৰিম যে তাৰে Infrustructure টো কৰি দিয়ে যেন । Infrustructure বনাবলগীয়া হ'লে আমাক আৰম্ভ কৰোতে দুই বছৰ লাগিব। গতিকে আমি Infrustructure টো পাই গ'লে লগে লগে আৰম্ভ কৰিব পাৰো । ইতিমধ্যে ইয়াৰ বাবে আমি এডৰ্ভাটাইছমেন্ট কৰি থৈছো। ইতিমধ্যে বিভিন্ন আগ্ৰহী প্ৰাইভেট পাৰ্টিসকল আহিছে যিসকলে বৰ্ত্তমান আই টি আই চলাই আছে । কেৱল Infrustructure ৰেডি নথকা বাবে কাম আৰম্ভ কৰিব পৰা নাই। ডিগবৈত ইয়াৰ প্ৰয়োজন আছে, ময়ো স্বীকাৰ কৰো ।

**শ্ৰীটেৰচ গোৱালা, (দুলীয়াজান) ঃ** ডিগবৈত কেইবাখনে স্কুল খালি হৈ আছে গতিকে সেই স্কুলখিনি ল'লৈ হৈ যাব ।

**শ্ৰীজয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী, দক্ষতা , নিয়োগ আৰু উদ্যমিতা ইত্যাদি) ঃ** ইতিমধ্যে আমাক

এডুকেশ্যন ডিপাৰ্টমেন্টে এনেকুৱা খালি হৈ থকা স্কুলৰ লিষ্ট এখন দিছে আৰু আমি আমাৰ ডিপাৰ্টমেন্টক চাবলৈ পঠিয়াইছো কিন্তু সেই স্কুলবিলাকৰ কিছুমান আই টি আই বনাবৰ বাবে উপযুক্ত নহয় । যিখিনি উপযুক্ত আছে তাৰ ভিতৰত আমি ২৬ খন কৰিলো আৰু ৩৫ খনৰ লিষ্ট এখন ৰেডি হৈ আছে । সেই ৩৫ খনৰ ভিতৰত খুৱ সম্ভৱ ডিগবৈ সমষ্টিটো থাকিব লাগে । যদি নাইও তথাপিও আপোনালোকে অলপ ইনেচিয়েটিভ লৈ আমাক Infrustructure টো দিলে আমি আই টি আই খন আৰম্ভ কৰিব পাৰো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং - ১০৫ , শ্ৰীবিদ্যাছিং ইংলেং

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী , পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে ।

**শ্ৰীবিদ্যাছিং ইংলেং, (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এচেনচিয়েল কম'ডিটিছ - চাউল, গ'ম, আটা, ৰহৰ ডাইল, মাহৰ ডাইল, মুচুৰ ডাইল, চেনি, গাখীৰ, মিঠাতেল, চয়া তেল, চানফ্ল'ৱাৰ তেল, নিমখ, চাহপাত,গুৰ ইত্যাদি, পিয়াজ বিলাহী, আলু - এই এচেনচিয়েল খাদ্য সামগ্ৰী সমূহৰ ভিতৰত নিমখ মাহেকত কিমান ৰেক প্ৰয়োজন হয় অসমক ? এইটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ প্লিজ ..।

**শ্ৰীৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, যিহেতু আমাৰ যিমান অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আছে তাৰ ভিতৰত আমি কেৱল নিমখৰ বাবেহে অনুজ্ঞা পত্ৰ প্ৰদান কৰো । বিধায়ক ডাঙৰীয়াই যিখিনি উল্লেখ কৰিছে চাউল, ডালি, চেনী, ৰহৰ ডাইল, মুগ-মুছুৰ ডাইল ইত্যাদি এইবিলাক যিহেতু অপেন মাৰ্কেটত পোৱা যায় গতিকে এইটোৰ ওপৰত আমাৰ কনট্ৰ'ল নাই । নিমখ যিটো ৰেকযোগে আনে ৫০ ৰেকতকৈও অধিক নিমখ বাহিৰৰ পৰা আহে। ইয়াৰ ওপৰিও যিটো পেকেট আয়'ডাইজ চল্ট কিমান আনে সেই তথ্যটো আমাৰ হাতত নাই । গতিকে যিহেতু অনুজ্ঞা পত্ৰৰ জৰিয়তে আনে আমি ৫০ ৰেকৰ অনুজ্ঞাপত্ৰ দিওঁ আৰু যিহেতু চল্ট অথোৰিটি এটা আছে, তেওঁলোকে পাৰ্মিশ্যন দিলে আমি অনুজ্ঞাপত্ৰখিনি দিওঁ, গতিকে একজেক্ট নিমখ কিমান লাগে সেই হিচাপটো আমাৰ হাতত নাই ।

**শ্ৰীবিদ্যাছিং ইংলেং, (ডিফু) ঃ** অধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ লওঁ । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো পিয়াজটো অসমতে উৎপাদন হয়নে বাহিৰৰ পৰা আহে ? কিমান পৰিমানৰ পিয়াজ আমদানী কৰে অসমত?

**শ্ৰীৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উৎপাদন সম্পৰ্কীয় যিবোৰ তথ্য সেইবোৰ তথ্য আমাৰ হাতত নাথাকে এইটো কৃষি বিভাগৰ হাতত থাকে । গতিকে মই মাননীয় সদস্যগৰাকীক কৃষি বিভাগত তথ্য বিচাৰিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীয়ে কিমান বাহিৰৰ পৰা আনে সেইটো জানিব বিচাৰিছে?

**শ্ৰীৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিহেতু অপেন মাৰ্কেটত এইবোৰ বস্তু থাকে। ব্যৱসায়ীসকলে কিমান বাহিৰৰ পৰা আনে এই তথ্যটো আমাৰ হাতত নাথাকে যিহেতু আমি কনট্ৰ'লিং অথোৰিটি নহয় ।

**মাননীয় অধ্যক্ষ ঃ ঠিক আছে । এতিয়া শিবামনি বৰা ।**

**শ্ৰীমতী শিবামনি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা

জানিব বিচাৰিছো ৰাজ্যখনৰ কিছু কিছু জিলাত সুলভ মূল্যৰ দোকান বা আমাৰ দোকানৰ পৰা আটা বিতৰণ কৰা হয় নেকি ? যদি হয়, সেই জিলাসমূহত বৰ্তমানলৈকে কিমান পৰিমানৰ ঘেহুঁ আৱন্টণ দিয়া হৈছে ?

**শ্ৰীৰণজিৎ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসকলে চাউল নলয় তেওঁলোকে ঘেহুঁ লয়। জিলা আয়ুক্তৰ পৰা আমাৰ তালৈ ইনডিয়েন্ট আহে আৰু এই ইনডিয়েন্টটো প্ৰতি মাহত সলনি হৈ থাকে । চাউলটো হিতাধিকাৰীয়ে ফ্ৰি পায় কিন্তু ঘেহুঁ বা আটা ল'লে তেওঁলোকে ৬ টকাকৈ দিব লাগে। গতিকে আটাৰ যিটো চাহিদা পূৰ্ব্বতে আছিলে সেইটো ক'মি গৈছে। তথাপি আমাৰ জিলা আয়ুক্তৰ পৰা, আমাৰ এচ ডি অ' সকলৰ পৰা যিটো তথ্য আহে, সেই তথ্যৰ আধাৰতে আমি আটা যোগান ধৰো। যদি আটাটো যোগান ধৰাৰ পিচত যদি বিক্ৰী নহয়, তেতিয়া উপায়ুক্তই সেই আটাটো তেওঁলোকক অপেন মাৰ্কেটত চেল কৰিবলৈ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য দিগন্ত কলিতাই কওঁক।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটা প্ৰশ্ন সুধিছিলো। তেখেতে ভালকৈ উত্তৰ দিছে। আমি বিচাৰিছো যে আমাৰ যি আই টি আই বা স্কীল ডেভলপমেণ্টৰ ট্ৰেইনিং দি আছে, সেই ট্ৰেইনিং সমূহত যিবিলাক ল'ৰা-ছোৱালীয়ে পশুপালন, মীন বা সেৱা ক্ষেত্ৰতেই হওঁক বা হ্ৰস্বম্যাদী প্ৰশিক্ষণ আদি Short Term Training দিয়া হয়, তাৰ আন্তঃগাথনিসমূহ আমাৰ বেছিভাগ সমষ্টিতেই বেয়া হৈ গৈছে। এই বিষয়ে আমাৰ মাননীয় বিধায়ক সকলে ইতিমধ্যে কৈছে। আমি বিচৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ে যাতে এইবোৰ নজৰত ৰাখক আৰু আমিও তেখেতক যি ধৰণে তথ্য দিব লাগে আমি দিম। এতিয়া আমি দেখিছো যে আত্ম সহায়ক গোটসমূহত মহিলা সকলৰ আচাৰ, গামোচা আদিৰ খুব ধুনীয়া ব্যৱসায় কৰে। মোৰ সমষ্টিত আনকি আত্ম সহায়ক গোট সমূহে কাগজৰ প্লেট বনোৱা মেচিন আনিছে। কথাটো হ'ল যে এই ব্যৱসায়সমূহ কৰিবৰ বাবে আমি এখন বজাৰ সৃষ্টি কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে এটা ভাল ট্ৰেইনিং চেণ্টাৰ আমাৰ তাত দিয়াৰ বাবে বিনম্ৰতাৰে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় সকলো মাননীয় বিধায়কে একে প্ৰশ্নই কৰিছে যে তেখেত সকলৰ সমষ্টিত আই টি আই বা স্কীল ডেভলপমেণ্ট চেণ্টাৰ লাগে। চৰকাৰে ইতিমধ্যে স্কীল ডেভলপমেণ্ট চেণ্টাৰৰ বাবে যথেষ্ট ব্যৱস্থা লৈছে। আপোনালোকে যদি চায় দেখা পাব যে বাগান অঞ্চলসমূহত যি সমূহ জগন্নাথ মন্দিৰ বনোৱা হৈছে, তাতো দুটাকৈ স্কীল ডেভলপমেণ্টৰ ট্ৰেইনিংৰ বাবে ৰুম দিয়া হৈছে। আমি যিসমূহ Short Term Training কৰো সেইসমূহ Training partner ৰ দ্বাৰা কৰো। কিন্তু বেছিভাগ Training partner ৰ নিজৰ আন্তঃগাঁথনিৰ খুব অভাৱ থাকে। যিসমূহ ভৱিষ্যতে আমাৰ কাৰণে খুব অসুবিধাৰ সৃষ্টি কৰিব। সেইকাৰণে আমাৰ চৰকাৰে যিসমূহ অঞ্চলত স্কীল ডেভলপমেণ্ট চেণ্টাৰৰ সৰু সৰু আন্তঃগাঁথনি আছে, তাত আমি স্থায়ী ট্ৰেইনিং চেণ্টাৰ কৰিব খুজিছো। আমাৰ বিধায়ক ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আত্ম সংস্থাপনৰ কথা কৈছে। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আত্ম সংস্থাপনৰ লগত লিংক ৰাখি এটা নতুন Trade আনিব খুজিছো। টাটা টেকন'লজিৰ লগত চুক্তি কৰি ইতিমধ্যে ফেব্ৰুৱাৰী মাহৰ পৰা ছয়খন অনুষ্ঠানত, তিনিখন পলিটেক্‌নিক আৰু তিনিখন আই টি আই নতুন ট্ৰেড আনিছো যিবোৰ হয়তো আমাৰ অসমৰ বাবে অতি প্ৰয়োজনীয়। যেনেকৈ Industrial Robotic and Digital Manufacturing,

Advance CNG Mechanic Electrical Vehicle আদি নতুন টেকন'লজিবিলাক আমি শিকাব খুজিছো। যিমান চৰকাৰী আই টি আই, পলিটেক্নিক কলেজ আছে, সকলোতে অহা বছৰৰ ভিতৰত আৰম্ভ হ'ব। এইবছৰ তিনিখন পলিটেক্নিক আৰু তিনিখন আই টি আইত আৰম্ভ কৰিম। আমি বিচাৰো যে প্রতিটো ব্লকতে অতি কমেও এখন এখন ইনষ্টিটিউট হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ভাস্কৰজ্যোতি বৰুৱাই কওঁক।

**শ্রী ভাস্কৰজ্যোতি বৰুৱা,(তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ এটা কথাত দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে আমাৰ মহিলাসকলৰ হাঁহ, কুকুৰা, গাহৰি আদি পোহাতকৈ তেওঁলোক বয়ন শিল্পৰ প্রতি বেছি আগ্রহী। মাটি শালত এগৰাকী মহিলাই এখন গামোচা বনায় আৰু জেকার্ট ৰুমত অতি কমেও পাঁচখন মান গামোচা বনাব পাৰে। এখন গামোচাৰ দাম বর্তমান ২০০ ৰ পৰা ৫০০০ টকা পর্য্যন্ত হৈছে। যদি তেওঁলোকে এদিনত ২২০ টকাকৈ পাঁচখনকৈ গামোচা বনায়, তেন্তে ২৬ দিনত ২৮,৬০০টকা তেওঁলোকে উপার্জন কৰিব পাৰিব। এগৰাকী মহিলাৰ ১০ হাজাৰ টকা খৰচ হ'লেও ১৫ ৰ পৰা ১৮ হাজাৰ টকা কাৰো ওচৰত হাত নপতাকৈ উপার্জন কৰিব পাৰিব। মই এইক্ষেত্রত এটা কথা ক'ব বিচাৰিছো যে আমাৰ যিসমূহ স্কুল খালি হৈছে, তাত যদি চাৰি-পাঁচটামান জেকার্ট ৰুম দিয়ে আৰু তাৰ লগতে এটা কাউণ্টাৰ ৰুম থাকে আৰু এই ধৰণে যদি আমাৰ মহিলা সকলক আগুৱাই লৈ যাব পাৰো, তেতিয়া এটা খুব সুন্দৰ পৰিৱেশ সৃষ্টি হ'ব আৰু কর্ম-সংস্কৃতি গঢ় লৈ উঠিব। মোৰ মাননীয় মন্ত্রী মহোদয়লৈ এইটোৱেই অনুৰোধ যে গাওঁসমূহত আমাৰ যিবোৰ স্কুল খালি হৈছে তাত স্কীল ডেভলপমেণ্ট চেণ্টাৰ কৰি তাত জেকার্ট ৰুম দিব লাগে আৰু ট্রেইনিংৰ বাৱস্থা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্রী ডাঙৰীয়াই কওঁক।

**শ্রী জয়ন্ত মল্ল বৰুৱা, (দক্ষতা, নিয়োগ আৰু উদ্যমিতা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মহোদয়ে এটা ভাল পৰামর্শ দিছে। আমি এই কথাটো বিশ্বাস কৰো যে গ্রাম্য অঞ্চলত এনেকুৱাধৰণৰ ট্রেইনিং দিব লাগে। কিন্তু কথাটো হ'ল যে মই স্কীল ডেভলপমেণ্ট বিভাগৰ মন্ত্রী আৰু আমাৰো কিছু লিমিটেশ্যন থাকে। এই কামবিলাক কিছুমপৰিমাণে Livelihood হিচাবে P&RD বিভাগৰ অধীনতো চলে। সেইকাৰণে আমি খুব কম দিনৰ ভিতৰত Skill and Livelihood Act এখন আনিব বিচাৰিছো। যি Act ৰে আমি এই গোটেই বস্তুখিনি এটা ষ্ট্রীম লাইন কৰিব পাৰো। নহ'লে বিভিন্ন বিভাগে বিভিন্ন ধৰণৰ ট্রেইনিং দি থাকে। কিন্তু সেই ট্রেইনিংবোৰৰ কুৱালিটি বা ঠিক মতে ট্রেইনিং দিয়া হৈছে নে নাই সেই কথাবোৰ লৈ অসুবিধা হয়। সেইকাৰণে Skill and Livelihood Act এখন আনিব বিচাৰিছো। যাৰ জৰিয়তে ট্রেইনিংৰ গোটেই ব্যৱস্থাটো স্কীল বিভাগে যাতে মণিটৰ কৰিব পাৰে। নহ'লে এনেকুৱা বহু ট্রেইনিং হৈ থাকে যাৰ কোনো ৰেকর্ড নাথাকে আৰু সেই ট্রেইনং সমূহৰ পৰা কোনো মানুহ লাভজনক নহয়। আমাৰ Short term training ত বয়ন বা তেনেকুৱাধৰণৰ ট্রেড আছে। কিন্তু আমাৰ লার্জ স্কেলত এনেকুৱাধৰণৰ ট্রেড P&RD বিভাগৰ Livelihood মিশ্যনৰ দ্বাৰা চলে। গতিকে আমি ইয়াত এটা ষ্ট্রীম লাইনিং কৰাৰ পৰিকল্পনা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্রশ্ন নং-১০৭। শ্রী খলিল উদ্দিন মজুমদাৰ ডাঙৰীয়াই কওঁক।

**শ্রী ৰণজিৎ কুমাৰ দাস, (মন্ত্রী, পঞ্চায়ত আৰু গ্রামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্রী খলিল উদ্দিন মজুমদাৰ,(কাটিগড়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ের কাছে

জানতে চাই, আমাদের কাটিগড়া সমষ্টি বিশেষ করে ইন্টারনেশন্যাল এবং স্টেট বর্ডার এলাকা । আমাদের এলাকায় গ্রামীণ রাস্তা বিগত দুবছর থেকে এমজিএনরেগা র অধীনে যে রাস্তা হওয়ার কথা কারণ এই রাস্তা অত্যন্ত গুরুত্বপূর্ণ। বিভিন্ন স্কুল কলেজ আছে, হস্পিট্যাল আছে এবং বিভিন্ন ধর্মীয় স্থান আছে। সেই অঞ্চলগুলোতে যাওয়ার পথে বিশেষ করে গ্রামীণ অঞ্চলের অনেক রাস্তার প্রয়োজন। কিন্তু বিগত দুবছর থেকে বর্ডার ডেভেলপ্ড এবং এমজিএনরেগা র অধীনে কোন রাস্তা দেওয়া হয়না। মন্ত্রী মহোদয়ের কাছে জানতে চাই বিশেষ করে এই গুরুত্বপূর্ণ রাস্তা হিসাবে দেওয়ার অনুরোধ থাকল।

**শ্রী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এম জি এন ৰেগাৰ জৰিয়তে ৰাস্তা নিৰ্মাণ কৰো আৰু আমাৰ সেই ব্লকত যিমান মুঠ ফাণ্ড থাকে, তাৰ পৰা পঁচিশ শতাংশ তেওঁলোকে ৰাস্তা নিৰ্মাণ কৰিব পাৰে। লগতে পঞ্চায়তৰ বিত্তীয় আয়োগৰ যি আনটাইড ফাণ্ড, সেই আনটাইড ফাণ্ডৰ ক্ষেত্ৰত গোটেইখিনি টকা পথ নিৰ্মাণ কৰিব পাৰি। অৰ্থাৎ এশ শতাংশ পথ নিৰ্মাণ কৰিব পাৰে। সেইকাৰণে কাছাৰ জিলা পৰিষদৰ পৰা যিখিনি তথ্য পাইছো তাৰ ইতিমধ্যে ৭২ টা ৰাস্তাৰ নিৰ্মাণৰ কাম চলি আছে। আমি যোৱা তিনি বছৰে যদি চাওঁ, আমি অসমত প্ৰায় ৪৫৮৮ টা ৰাস্তাৰ কাম হয়তো সম্পূৰ্ণ কৰিছো নাইবা কৰি আছো। তাৰে ভিতৰত মাননীয় বিধায়ক খলিল উদ্দিন মজুমদাৰ ডাঙৰীয়াৰ যি সমষ্টি সেই সমষ্টিত ইতিমধ্যে পঞ্চদশ বিত্তীয় আয়োগৰ জৰিয়তে AP level ত ২৭ টা GP level ৩৮ টা আৰু ZPC ৩৭ টা ৰাস্তা কাম চলি আছে। এম জি এন ৰেগাৰ অধীনত ৯৯৪ টা ৰাস্তাৰ কাম চলি আছে আৰু তাৰে ১৩৫ টা ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু বাকীখিনি কাম চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী খলিল উদ্দিন মজুমদার(কাটিগড়া সমষ্টি)ঃ-** স্যার, **১৫** ফাইন্যান্স এ রাস্তার কাজ করা অনেক মুসকিল সেজন্য এমজিএনরেগা র মাধ্যমে কিভাবে করা যায় তার ব্যবস্থা করে দিন।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপনাকে বলছি যে **১৫** ফাইন্যান্স এ আমরা **১০০** শতাংশ কাজ করতে পারি। যতগুলো টাকা পাওয়া যায় যদি **১**কোটি টাকা পাওয়া যায় তাহলে এপনি **১** কোটি টাকার রাস্তার কাজ করতে পারবেন। আর এমজিএনরেগা যতটি ফান্ড থাকে যদি **১০** কোটি টাকা ফাণ্ড থাকে তাহলে আপনি **২৫** শতাংশ কাজ করতে পারবেন । আর আপনি তো নিজস্ব ভাবে ব্লকের ভিজিল্যান্স কমিটির একজন চেয়ারম্যান। আপনি যখন আপনার হাতেই তো এপ্রোভ করতে হবে। আপনি যদি বিডিও কে বলে দেন যে এইগুলো স্কিম আমার ধরতে লাগবে **২৫** শতাংশ সরকার নোটিফিকেশন দিচ্ছে তাহলে তো এইগুলো কাজ হয়ে যাবে আর আমি যতটুকু দেখছি ভলোই কাজ হচ্ছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই এইখিনি অলপ চাব।

**শ্ৰী খলিল উদ্দিন মজুমদার(কাটিগড়া সমষ্টি)ঃ-** -মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় থেকে আমি নোট প্যাডে লিখিত নিয়েছি, ডিসি কে দিয়েছি, বিডিও কে দিয়েছি কিন্তু **১** বছর থেকে কোন কাজ হচ্ছে না। সেটা করার ব্যবস্থা করে দিন।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, একচুয়্যালি আমরা বিধায়ক কোন স্কিম ধরতে পারি না। স্কিম ধরতে হয় পঞ্চায়েত

থেকে, গাঁওসভায় এপ্রোভ হতে হবে। এবং এই এপ্রোভ লিস্ট থেকে প্রায়োরিটি লিস্ট দিতে পারেন যে আমাদের এই কাজটি করে দিন । এই কাজটি যদি জিপি অবজেক্সন করে, জিপির প্রেসিডেন্ট যদি বলে যে এটা উত্তর দিকে করতে লাগবে দক্ষিন দিকে বিধায়কের বাড়িআমি ওই জায়গায় করব না। তাহলে জি পি প্রেসিডেন্ট যা বলবে, গাঁওসভায় যা বলবে এটাই হবে। বিষয়টি আমি দেখে দিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মিচবাহুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী মিচবাহুল ইছলাম,(বৰখলা) ঃ** এম জি এন ৰেগাত ব্লক ৰোড হয় নেকি? আমাৰ ইয়াত ব্লক ৰোড নকৰে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কিবা এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে মাটি বা sand gravel ৰ যিটো ৰাস্তা আছিল, তাৰ পৰা এতিয়া আঁতৰি আহিব দিছো। কাৰণ প্ৰত্যেক বাৰে sand gravel ৰ ৰাস্তা বহুত নিৰ্মাণ কৰা হৈছিল। কিন্তু তাৰ এতিয়া একো অস্তিত্ব নাই। সেই কাৰণে আমি পেভাৰ ব্লকৰ ৰাস্তা বেছি গুৰুত্ব দিবলৈ কৈছো। আপোনাক যদি চাৰি শ মিটাৰ ৰাস্তা লাগে তাত টকা থাকিব লাগিব। সৰু সৰু ৰাস্তাৰ ইতিমধ্যে কৰা হৈছে আৰু আমি অনুমোদনো দিছো। কিন্তু sand gravel ৰ ৰাস্তা নিৰ্মাণ আমি বন্ধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। ইয়াত মোৰ দুটামান কথা ক'বলগীয়া আছে যে MGNREGA ত demand driven scheme আৰু jobcard holder ক কাম দিয়া হয় আৰু অসমৰ MGNREGAৰ progress report যদি চোৱা যায় তেন্তে প্ৰত্যেক বছৰে আমি বিত্তীয়ভাৱে ১০০% তকৈ অধিক achievement দেখা পাওঁ। মই নাজানো বেলেগ জিলাত কি হয়, কিন্তু গোৱালপাৰা জিলাত যোৱা কেইবা বছৰে আমাৰ যিমান labour budget আছিল, সেই বাজেটৰ ৫০%ও achieve কৰা নাই। গতিকে ৫০% labour budget sanction নোহোৱাকৈ থকাৰ পিছতো ১০০% তকৈ অধিক কেনেকৈ achieve কৰিব পাৰে? দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে pavers block ৰ ৰাস্তাৰ ক্ষেত্ৰত agree কৰিছে, কিন্তু মই ভাৱো যে কোনোবা কোনোবা জিলাত ইয়াৰ sanctioning ত অসুবিধা নকৰা নহয়। Guideline ত MGNREGA ৰ ২৫% পুঁজি ৰাস্তাৰ বাবে allow কৰা আছে যদিও কিছুমান জিলাত এই নীতিটো মানি লোৱা নাই। গতিকে, বিভাগীয় ভাৱে এই ক্ষেত্ৰত সকলো জিলাকে নিৰ্দেশ দিব নে নাই?

আনহাতে, গোৱালপাৰা জিলাত বহুত ভূমিহীন মানুহ আছে। মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে তেওঁলোকক Cluster হিচাপে advise কৰা হৈছে। ডিব্ৰুগড়ৰ কথা উল্লেখ কৰিও কৈছে যে মানুহে তাত Cluster basis ত থাকিবলৈ লৈছে। কিন্তু, সদনে মোৰ লগত নিশ্চয় agree কৰিব যে আমাৰ খুব কম সংখ্যক মানুহে Cluster ত থাকিব বিচাৰে। কাৰণ মোৰ ঘৰ এঠাইত আৰু মোক যদি বেলেগ এখন গাঁৱত নি Cluster ত থাকিবলৈ দিয়ে মই নাথাকিম। গতিকে, PMAY ৰ waitlistত নাম থকা যিবোৰ হিতাধিকাৰী আছে, তেওঁলোকক চৰকাৰী মাটি আৱণ্টন দি ঘৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** অধ্যক্ষ ডাঙৰীয়া, MGNREGA ৰ man- days আৰু percentageৰ যি কথা কৈছে, সেইটো যদি আমি অসমত চাওঁ, তেতিয়াহ'লে আমাৰ ২০২২-২৩ ত ৭৮৭ লাখ এতিয়াও সম্পূৰ্ণ হোৱা নাই। আমাৰ দিনক দিনে MGNREGA ৰ labour budget বাঢ়িহে আছে। ২০২১-২২ ত ৭৩০ লাখ labour budget আছিল, ২০২২-২৩ ত ৭৯২ লাখ, ২০২৩-২৪ ত ৮৫০ লাখ হৈছে। ইয়াৰ ভিতৰত আমাৰ তথ্য অনুসৰি গোৱালপাৰাত দেখিছো ২০২১-২২ ত প্ৰায় ১ কোটি ৯৭ হাজাৰ, ৭৬৭ man-days হৈছিল। এতিয়া সেইটো বাঢ়ি ২ কোটি ৪৭ লাখ ৩ হাজাৰ হৈছে। গতিকে, গোৱালপাৰাত আমি যদি চাওঁ ২০২১তো man-days বাঢ়িছে, ২০২২-২৩ তো বাঢ়িছে। As-set create কৰাতকৈ Man-days create কৰাটোৱে MGNREGA ৰ মূলগত কাম। গতিকে, এতিয়া Man- days create কৰাৰ ক্ষেত্ৰত গোৱালপাৰাকে আাদি কৰি সমগ্ৰ অসমত এটা গতি লৈছে। যাৰ বাবে ভাৰত চৰকাৰেও আমাক এই বিষয়ক লৈ প্ৰশংসা কৰিছে। আনকি, PMAYৰ ক্ষেত্ৰত আমাৰ যি সফলতা, তাৰ বাবে আমাৰ বিভাগৰ বিষয়াক মাতি নি দক্ষিণ ভাৰতত ভাষণ দিবলৈ দিছিল আৰু এই সফলতাৰ secret কি সুধিছিল। আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মাৰ্গদৰ্শনত ৩৩ মাহত প্ৰায় ১৪ লাখ ঘৰ সম্পূৰ্ণ কৰিব পাৰিছো। ৩৩ মাহত ভাৰতবৰ্ষৰ কোনো ৰাজ্যই ১৪লাখ ঘৰ সম্পূৰ্ণ কৰিব পৰা নাই। আগতে আমাৰ ১৯ লাখ ঘৰ আছিল। কিন্তু এতিয়া ২ -৩ মাহৰ মূৰে মূৰে কেতিয়াবা ২৬ হাজাৰ, কেতিয়াবা ৪৪ হাজাৰ ঘৰ আমি পাওঁ। আনকি যোৱাকালি সন্ধিয়ালৈ আমি ৩৫০০ ঘৰ পাইছো। ভাৰত চৰকাৰে অসমত ২ কোটি ঘৰ sanction কৰিছে, ৭-৮ লাখ আৰু ঘৰ পাম। গতিকে, আগন্তুক দিনত যিসকলৰ waitlist ত নাম আছে, তেওঁলোকে নিশ্চিতভাৱে ঘৰ পাব।

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ( পশ্চিম গোৱালপাৰা)ঃ** মন্ত্ৰী মহোদয়ে landless মানুহৰ issue টো অকণমান ক'ব নেকি ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** অধ্যক্ষ ডাঙৰীয়া, আপুনি জানি সুখী হ'ব যে আমাৰ অসমত প্ৰায় ১৯ টা cluster ৰ নিৰ্মাণ কাৰ্য চলি আছে। দেশৰ ভিতৰত সৰ্ববৃহৎ clusterটো পূৰ্বতে উত্তৰ প্ৰদেশত আছিল। কিন্তু আমি ডিব্ৰুগড় জিলাৰ জয়পুৰত এটা cluster বনাইছো যিটো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উন্মোচন কৰিব। প্ৰায় ১১৫ টা ঘৰ লৈ cluster টো বনাইছো, তাত solar light দিছো, internal road দিছো। গতিকে এনেদৰে ১৯ টা cluster ৰ কাম চলি আছে। যদি আৰু cluster লাগে, আপুনি যদি কয় আৰু cluster ৰ কাৰণে জিলা আয়ুক্ত ডাঙৰীয়াক মাটি দেখুৱাই দিয়ে, নিশ্চিত ভাৱে আমি cluster বনাবলৈ সাজু আছো।

**মাননীয় অধ্যক্ষঃ** সদস্যগৰাকীয়ে নিজৰ নিজৰ গাঁৱতে পাব নেকি বুলি সুধিছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** Cluster ত issue নহয়। যিজন মানুহ য'ত চৰকাৰী মাটিত বহি আছে, P&RD বিভাগে যদি তেনেকুৱাকৈ ৰাজহ বিভাগৰ লগত কথা পাতে, আপোনাৰো achievement ভাল হ'ব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** তেওঁ নিজেই জানে, তেওঁ এই বিভাগতে কাম কৰিছিল। যিহেতু VGR land ত আছে, VGR land ত

থাকিলে আমাক সেইটো চৰকাৰে permit নকৰে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া নন্দিতা দাস।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ( পশ্চিম গোৱালপাৰা)ঃ** চাৰ, এটা প্ৰশ্ন ৰৈ গৈছে। এটা supplementary কৰিব দিয়ক। Please Sir..... interruptions....

**মাননীয় অধ্যক্ষঃ** নালাগে। এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ MGNREGAৰ ক্ষেত্ৰত এটা সমস্যা হৈছে। মোৰ দুটা ব্লক আছে, Boko Block আৰু Chamaria Development Block । আমি MGNREGAৰ জৰিয়তে যিবিলাক কাম কৰো, land developmentয়েই হওঁক বা ৰাস্তাৰ কামেই হওঁক, যিকোনো আঁচনিয়েই MGNREGA ত নলওঁ কিয়, তাত এটা Materials part থাকে। ক'ৰবাত হয়তো ১০%, ক'ৰবাত ৭০% বা ৮০% ৰ ওপৰতো Materials part থাকে। মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত মোৰ ছমৰীয়া উন্নয়ন খণ্ডত প্ৰায় ৮০ লাখ টকা Materials part ত পাব লগা আছে। তেনেধৰণে হয়তো অসমৰ Development Blockত আছে। এই Materials part ৰ পইচাটো নোপোৱাৰ ফলত আমাৰ সমস্যা হৈছে যে আমি যিবিলাক নতুন আঁচনি sanction কৰিব বিচাৰো, এই কামবিলাক মানুহে নকৰা হৈছে। যিহেতু আজিকালি Vendor সকলে Tender প্ৰক্ৰিয়াৰ জৰিয়তে ব্লকৰ পৰা কাম বিলাক কৰে, এতিয়া নতুন Vendor সকলে নতুন কামৰ কথা ক'লে নকৰো বুলি কয় কাৰণ তেওঁলোকে যোৱা দুটা বছৰে Materials ৰ পইচাটো পোৱা নাই। সেয়েহে, মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে আমাৰ ছমৰীয়া উন্নয়ন খণ্ডত প্ৰায় ৮০ লাখৰ ওপৰত, বকো ব্লকত বহু লাখৰ ওপৰত পাবলগীয়া টকাখিনি সোনকালে মুকলি কৰি দিব নেকি ?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে ভাৰত চৰকাৰে আমাক metarials ৰ payment দিছিল আৰু সেই payment দিয়াৰ সময়ত আমি commissioner ক কৈছিলো যে প্ৰত্যেক ব্লকত সেই টকাটো যিমান পাৰে বা কাৰোবাৰ হয়তো ২ কোটি আছে বা কাৰোবাৰ ৮০ লাখ আছে বা কাৰোবাৰ হয়তো আৰু কম আছে কিন্তু আমি কৈছো যে যাৰ যিমান ডিমাণ্ড আছে তাৰ against য়ে আমি ২৭ শতাংশ টকা release কৰি দিছো আৰু block wise কৰি দিছো। আপোনাৰ ব্লকৰ যদি দুবছৰ ধৰি তেনেদৰে টকা নোপোৱাকৈ আছে আপুনি মোক আঁচনি কেইটাৰ নাম দি দিব। মই commissioner ক কৈ নিশ্চিত ৰূপত ব্যৱস্থা কৰি দিম। মোৰ নিজৰ ব্লকতো মই ২৭ শতাংশহে দিবলৈ দিছো। মন্ত্ৰী বুলি যে মই বেছিকৈ লম সেইটো কৰা নাই। গোটেই অসমখনেই মোৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১০৯। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ২ নং প্ৰশ্নটো আছিল যে বৃদ্ধ পেঞ্চন আৰু বিধৱা পেঞ্চনৰ ধনৰ পৰিমাণ বৃদ্ধিৰ কোনো পৰিকল্পনা চৰকাৰৰ আছে নেকি ? কেতিয়া আৰু কিমানকৈ বৃদ্ধ পেঞ্চন আৰু বিধৱা পেঞ্চন বৃদ্ধি কৰা হ'ব? তাৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই

ক'লে যে একেদৰে বৃদ্ধ পেঞ্চন আঁচনি সমূহতো পেঞ্চনৰ ধনৰাশিৰ পৰিমাণ বৃদ্ধিৰ বিষয়টো চৰকাৰৰ জ্ঞাত। চৰকাৰৰ কি জ্ঞাত বুলি ক'লে মই বুজি নাপালো। অধ্যক্ষ ডাঙৰীয়া, কথাটো হ'ল যে আমাৰ মা, দেউতা, খুৰীদেউ বা আইতাই ২৫০ টকাৰ বৃদ্ধ পেঞ্চন পায়। আজিৰ দিনত ২৫০ টকাৰে এক কেজি Horlicks কিনিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আজিৰ দিনটোত বেঙ্কলৈ অহা-যোৱা কৰোতে ২৫০ টকা শেষ হৈ যায়। গতিকে মোৰ প্ৰশ্নটো হ'ল মন্ত্ৰী ডাঙৰীয়াই এই কথাটো আমাক জনাব লাগে যে যোৱাকালি যিখন বাজেট দিছে তাত আমাৰ দৰমহাতকৈ হিতাধিকাৰী আঁচনিত বেছি টকা খৰছ হৈছে। কিন্তু মোৰ মা, দেউতা, খুৰীদেউ বা আইতাই কেবল আৰু কেবল মাত্ৰ ২৫০ টকাৰ বৃদ্ধ পেঞ্চন পায়। এইটো চৰকাৰে অন্যায় কৰা নাইনে? এই বৃদ্ধ পেঞ্চনৰ টকাটো কেতিয়া বঢ়াব আৰু বিধৱা পেঞ্চনৰ ক্ষেত্ৰতো এটা ডাঙৰ ঘটনা ঘটালে। এইবাৰ ক'লে যে বিধৱা সকলক আমি অৰুণোদয়ত দি দিম। কিন্তু এতিয়া দেখা গৈছে যে বহুতো বিধৱা মহিলাৰ নাম অৰুণোদয়লৈ যোৱা নাই আৰু বিধৱা পেঞ্চনটোও বন্ধ হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি specific প্ৰশ্নটো কৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে মোৰ প্ৰশ্নটো হ'ল যে বৃদ্ধ পেঞ্চন অতি কমেও পাঁচ হাজাৰ টকা কৰিব লাগে আৰু বিধৱা পেঞ্চন বৃদ্ধি কৰিব নে নকৰিব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অখিল গগৈ ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছো কাৰণ যোৱাকালি সদনৰ বাহিৰত তেখেতে কৈছিল যে চৰকাৰে হিতাধিকাৰী সৃষ্টি কৰা এইখন বাজেট আৰু আজি যে আপুনি হিতাধিকাৰীৰ কথা কৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** হিতাধিকাৰী মানে দেউতাৰ কথাতো কমেই। ------হুলস্থুল--------

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় বিধায়ক, আপুনি মন্ত্ৰী ডাঙৰীয়াক উত্তৰটো দিবলৈ দিয়ক। তেখেতৰ উত্তৰটো শুনক। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এটা অভিযোগ দিছে যে বিধৱা পেঞ্চনৰ যিটো টকা সেইটো এতিয়া বন্ধ হৈ গৈছে। কিন্তু তেওঁ নাজানে যে সেইটো আমি top up কৰি ইন্দিৰা মিৰি আঁচনিৰ যোগেদি যিমানবোৰ আছিলে, সেইসকলক আমি অৰুণোদয়লৈ convert কৰিছো। -----হুলস্থুল------

তৃতীয়তে, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আৰু শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনিক বৃদ্ধ পেঞ্চন ১৯ লাখ লোকক দি আছো। ১৯ লাখ লোকক আমি যে ২৫০ টকাকৈ দি আছো সেইটোৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ credit আৰু কোনোৱা যদি এনেকুৱা ৬০ বছৰৰ উৰ্দ্ধৰ বৃদ্ধ লোক আছে,তেনেহ'লে automatically তেওঁ এই ২৫০ টকাটো পাব। -----হুলস্থূল------

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসময়ত আমি কৈ আছো যে Higher Secondary pass কৰা ল'ৰাক আমি ১০,০০০ টকাকৈ দিম, Degree pass কৰা লৰা-ছোৱালীক ১২,৫০০ টকাকৈ দিম, MA pass কৰা লৰা-ছোৱালীক ১৫,০০০ টকাকৈ দিম-----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক। আপুনি দিব পৰা হোৱা নাই নহয় এতিয়ালৈকে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৯ লাখ মহিলাক আমি বেলেগ বেলেগ পইচা দিম আৰু মোৰ দেউতা আৰু মোৰ মায়ে যিয়ে মোক তুলি তালি ডাঙৰ দীঘল কৰিছে -------interruption----

**মাননীয় অধ্যক্ষ ঃ** এইটো নহয়। আপুনি প্ৰশ্নটো কৰক। মন্ত্ৰী ডাঙৰীয়াই already চাইছে। -হুলস্থূল----Question No-110.শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ। Hon'ble Minister.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৯-২০ আৰু ২০২০-২১ -----interruption---

**মাননীয় অধ্যক্ষ ঃ** আপুনি এক মিনিট ৰওক। মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো চাই আছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো Tribal Affairs Department ৰ লগত জড়িত। বিত্ত বিভাগৰ লগত জড়িত নহয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মাত্ৰ কথাটো কৈ দিলেই হ'ল যে প্ৰশ্নটো not related.You just inform that the question is not related with the Finance Department and it is already forwarded to the Concern Minister.Then, the Concerned Department will give the reply on some other day.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্নটো কৰিব নোৱাৰিম নেকি ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি ক'ব নালাগে। কাৰণ মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে নাজানে। আপুনি পাছত উত্তৰটো পাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধানসভাতে প্ৰশ্নটো কৰিব নোৱাৰিলে মনটো কেনেকুৱা লাগিছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপোনাৰে ভুল। এতিয়া প্ৰশ্ন নং-১১১। শ্ৰী ভৰত চন্দ্ৰ নৰহ। মন্ত্ৰী ডাঙৰীয়া।
**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়া মন্ত্ৰী ডাঙৰীয়াণীৰ পৰা জানিব বিচাৰিছো যে ২০২১-২২ আৰু ২০২২-২৩ ত আমাৰ যিটো বাজেট estimate আছিল তাৰে কিমান শতাংশ পইচা খৰছ হ'ল? মই capital expenditure ৰ কথা কৈছো Revenue Expenditure নহয়।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই আজি আচলতে মোক ২০২৩-২৪ বছৰৰ সুধিছিলে। গতিকে আপুনি তাত seperate কৈ question দিব। তেতিয়া আপোনাক বাকীখিনি দিবলৈ মোৰ সুবিধা হ'ব। তথাপিও মই মাননীয় সদস্য গৰাকীক এইটোৰে ক'ব বিচাৰিছো যে তেখেতৰ মূল concern আছিল যে আমি মূলধনী শিতানত কিমান ব্যয় কৰিছো। অধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত capital expenditure ত টকা খৰছ কৰিবলৈ বহুখিনি প্ৰচেষ্টা গ্ৰহণ কৰিছো। তাৰ ফলশ্ৰুতিত যোৱা বছৰ কেইটাত আমাৰ capital expenditure যথেষ্টখিনি বৃদ্ধি হৈছে। ২০২১-২২ বৰ্ষত প্ৰায় ২০,০০০ কোটি টকা আমি capital expenditure ত খৰছ কৰিবলৈ সক্ষম হৈছিলো আৰু ২০২২-২৩ বৰ্ষত প্ৰায় ১৬,০০০ কোটিত কৈও অধিক টকা খৰছ কৰিবলৈ সক্ষম হৈছিলো আৰু এইবাৰো যদিও এই বিত্তীয় বৰ্ষ আমাৰ শেষ হোৱা নাই, তথাপিও capital expenditure যথেষ্টখিনি ব্যয় কৰিম বুলি চিন্তা কৰি আছো। মই সদনক এইটো কথা ক'বলৈ ভাল পাইছো যে যোৱা সময়ছোৱাত আমি capital expenditure বঢ়াবৰ কাৰণে, নিজৰ ৰাজহ বঢ়াবৰ কাৰণে যথেষ্টখিনি আমি চেষ্টা কৰিছো আৰু সেই দিশেৰে আগবাঢ়ি গৈছো। যদিও আমি বহুখিনি সফল হৈছো তথাপিও আমি সন্তুষ্ট নহয়। মই মাননীয় সদনত এইটো কথাই কব বিচাৰিছো যে চৰকাৰ যথেষ্টখিনি concern আৰু capital expenditure বঢ়াবৰ কাৰণে বিত্তবিভাগে যোৱা সময়ছোৱাত আমি সকলো বিভাগৰ লগত co-ordination কৰি আছো। সদনত আমি যি ধৰণে কৈছো যিমানখিনি পুঁজি আমি দিবলৈ capitalisation ত ভুগিছিলো সেই খিনি ১০০ শতাংশ নোৱাৰিলেও যথেষ্টখিনি capital expenditure কৰিম বুলি সদনক অৱগত কৰিছো।
**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।
**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ ছাৰ, মই মাননীয়া মন্ত্ৰী মহোদয়াক সুধিব বিচাৰিছো যে আপুনি যদি ২০২৩-২৪ বৰ্ষৰ ৩১ মাৰ্চলৈকে হিচাপখিনি দিব নোৱাৰে কিন্তু ২০২৩-২৪ বৰ্ষৰ ৩১ ডিচেম্বৰ মাহলৈ দিব পাৰিব যোৱাবাৰ যেতিয়া আমাৰ capital expenditure প্ৰায় ২৫ হাজাৰ কোটি

আছিল তাৰে ২০২৩-২৪ বৰ্ষৰ ৩১ ডিচেম্বৰ মাহলৈকে কিমান খৰচ হ'ল?

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী অসম )** ঃ অধ্যক্ষ মহোদয়, আমি আচলতে ৩১ ডিচেম্বৰ মাহলৈকে পুঁজিবোৰ ধাৰ্য্য নকৰো, ৩১ মাৰ্চলৈকেহে কৰো। যদি আমি তেনেকুৱা আধৰুৱাকৈ কৰো তেতিয়াহলে আপোনালোকে আমাক কব যে incomplete capital দিছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপুনি পাই যাব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ ছাৰ, মাননীয়া মন্ত্ৰী মহোদয়াই জনোৱা নাই কিন্তু আমি যিটো জানিব পাৰিছো যে ৩১ ডিচেম্বৰলৈকে আপোনালোকে capital expenditure ৰ ৫০ শতাংশ পইচাও খৰচ কৰিব পৰা নাই। ২৫ হাজাৰ কোটিৰ মাত্ৰ ১১ হাজাৰহে খৰচ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়ানীয়ে আপোনাক দিম বুলি কৈছে।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী অসম** ঃ অধ্যক্ষ মহোদয়, আৰু ডেৰ মাহ আছে, এই সময়ত যথেষ্টখিনি capital expenditure হ'ব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি দি দিব। ধন্যবাদ। এতিয়া শ্বেৰমান আলী আহমেদে কব, কাজিয়া নহয় direct to the point question, no charging only for information if you have something then please ask.

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ ছাৰ, I am very sorry আপুনি impression দিলে, হাউচত মই সদায় কাজিয়াই কৰো, সেইটো নহয় ছাৰ, ৰাইজৰ স্বাৰ্থত।

**মাননীয় অধ্যক্ষ** ঃ you just ask.

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ বাইদেউক কেৱল এটা মই জনাব খুজিছো there has been continuous underspending of Capital outlay for the last 3-4 years and there has been continuous Revenue deficit, this is not good fiscal health this should be discouraged and should be eliminated from next year atleast.

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী অসম)** ঃ মাননীয় বিধায়ক ডাঙৰীয়া, আপুনি এইটোও চাব যে আমি capital expenditure কিমান বঢ়াইছোঙ্গ মই আজি আপোনাক সেইখিনি কথা নকও, যে যোৱা সময়ছোৱাত আমি capital expenditure ১০ গুণৰ বেছি বৃদ্ধি কৰিছোঁ। সেইটোতো আপুনি স্বীকাৰ কৰিবঙ্গ গতিকে মই সেইটো তালিকা আপোনাক দিব খোজা নাই। We are very much concern আৰু সেইটো বিষয়ে আমি capital expenditure বঢ়াবৰ কাৰণে চেষ্টা কৰি আহিছো। এইবাৰ এই ডেৰটা মাহ আছে ৩১ মাৰ্চলৈকে সময়সীমা আছে সেইখিনিত capital expenditure বঢ়াবলৈ যথেষ্টখিনি সক্ষম হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১১২, শ্ৰীনুৰুল হুদা।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পালো আৰু উত্তৰত দেখা পালো যে ৰূপহীহাট বিধান সভা সমষ্টি ১১ খন গাঁওৰ আংশিক অংশ পানী যোগান আঁচনিৰ পৰা বাদ পৰি আছে। চৰকাৰৰ শ্লোগান আছিল হৰ ঘৰ নল, হৰ ঘৰ জল। গতিকে ২০২৪ চনৰ ভিতৰত প্ৰতি ঘৰ মানুহৰ ঘৰত পানী দিয়াৰ কাম সম্পূৰ্ণ কৰিব। গতিকে উত্তৰৰ পৰা যিটো জানিলো মন্ত্ৰী মহোদয়ে কলে নতুন আঁচনি বিবেচনাধীন হৈ আছে। যদি এতিয়ালৈকে আঁচনি মঞ্জুৰ হোৱা নাই বিবেচনাধীন হৈ আছে তেতিয়াহলে ২০২৪ চনৰ ভিতৰত কেনেকৈ প্ৰতিটো

ঘৰত পানী সোমাব? গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো যে মোৰ ৰূপহী বিধান সভা সমষ্টিৰ যি ১১ খন গাঁৱৰ আংশিক অংশ বাদ পৰি আছে সেই ১১ খন আঁচনি মিনি জল উৎপাদন কেন্দ্ৰ কেতিয়াৰ ভিতৰত স্থাপন কৰি পানী যোগানৰ ব্যৱস্থা কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য নুৰুল হুদা ডাঙৰীয়াৰ সমষ্টিত ইতিমধ্যে নতুন আঁচনি ১১১ খন আৰু ৰেত্ৰফিটিং আঁচনি ৬৬ খন, মুঠ ১৭৭ আঁচনিৰ কাম চলি আছে। ইয়াৰ total FATC হ'ব ৬০৫৬২ গৰাকী, ৬০ হাজাৰ লোকে পাব, তাৰ ৩৪৫৮৫ গৰাকীয়ে ইতিমধ্যে পানী পাই আছে। এইখিনিয়ে ডিচেম্বৰ মাহৰ ভিতৰত পাব সেইটো নিশ্চিত থাকক। বাকী এই যিখিনি ১১ খন আঁচনি, এইখিনি হ'ল আঁচনি তাত হৈছে এটা এটা অংশ হয়তো ১০ ঘৰ, ২০ ঘৰ এনেকুৱা অংশ এৰি গৈছে, যি কাৰণতে নহওক DPRৰ সময়ত এই আঁচনিবোৰৰ কিছু কিছু অংশ গাঁও খনৰ কিছু কিছু অংশ এৰি গৈছিল সেই অংশ বিলাক আমি detect কৰি এতিয়া কেন্দ্ৰ চৰকাৰলৈ proposal পঠাইছো। এই ১১ টা আঁচনিৰ নামো দিছো। কোন কেইটা আঁচনিত এইখিনি ৰৈ গৈছিল এই ১১ খন গাঁৱৰ যিখিনি ৰৈ গৈছে এতিয়া কেন্দ্ৰ চৰকাৰলৈ পঠিয়াই দিয়া হৈছে। যেনেকৈ অসমত ৭০ লাখ মানুহৰ পৰিয়ালক এফ এ টি চি ৰ কাৰণে অনুমোদন পাই কাম চলি আছে। এতিয়া আমাৰ দৃষ্টিগোচৰ হৈছে প্ৰায় তিনি চাৰি লাখ পৰিয়াল আছে যিখিনিক আমি সংযোগ কৰিব লাগে। এই তিনি চাৰি লাখ পৰিয়ালৰ কাৰণে যি খিনি আঁচনিৰ প্ৰয়োজন তাৰ কাৰণে কেন্দ্ৰ চৰকাৰক আবেদন দিছো। যদি কেন্দ্ৰ চৰকাৰে অনুমোদন দিয়ে তেতিয়া হলে জল জীৱন মিছ্ন আঁচনিৰ অধীনতে কৰিব পাৰিম আৰু যদি আঁচনিৰ অনুমোদন নাপাও তেতিয়াহলে ভৱিষ্যতে এচ ও পি ডি বাজেটতে কৰিব লাগিব। গতিকে আমাৰ লক্ষ্য হ'ল এই ৭০ লাখৰ ডিচেম্বৰৰ ভিতৰতে হ'ব। গতিকে আপোনাৰ যিখিনি ৰৈ গৈছে সেইখিনি survey জনিত ভুলৰ কাৰণে ৰৈ গৈছিল এইটো বহুত আগতে চাৰ্ভে হৈছিল। সেই ১১ খন আঁচনিত আমি এতিয়া অনুমোদনৰ কাৰণে চেষ্টা চলাই আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু আছে ১ মিনিটত সোধক। এখেতে উত্তৰ দিবলৈ সময় লাগিব।

**শ্ৰীআবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূব) ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰমানে যিখিনি স্কুল আৰু অঙ্গনবাড়ী চেন্টাৰৰ ৰানিং ৱাটাৰ যিখিনি বাকী আছে সেইখিনি কেতিয়া হ'ব আৰু ঠিকাদাৰে কাম কৰাতকৈ বিল লওঁতে পেপাৰ্চৰ সময় বেছি লয়, সেইটো অতি সোনকালে ব্যৱস্থা কৰিব নেকি? গোৱালপাৰা জিলাত পেকেজ চিচ্‌টেম যেতিয়া কাম দিছিল এনেকুৱা এজন ঠিকাদাৰ আছে ২৩ টা কাম দিছিল তাৰে এটাও এতিয়ালৈকে কাম শেষ কৰা নাই। তাৰে কিবা সু ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাড়ী আৰু স্কুলৰ যিখিনি বেলেন্স আছিল কিছু দিন আগত কেন্দ্ৰ চৰকাৰে আমাক সকলো আবেদন যি আছিল অঙ্গনবাড়ী আৰু স্কুলৰ, অঙ্গনবাড়ী খিনি approve কৰিছে। গতিকে খুব কম দিনৰ ভিতৰতে তাৰ কাম আৰম্ভ কৰিম। ১০০ শতাংশ অঙ্গনবাড়ীলৈ পানী যোগান হৈ যাব আৰু যিখিনি আমাৰ ওচৰৰ আঁচনিৰ পৰা আছে সেই আঁচনিৰ পৰা টানি স্কুলখিনি আৰু অঙ্গনবাড়ী ১০০ শতাংশ কৰিম। এতিয়া এইটো কথা ঠিক যে কিছুমান ঠিকাদাৰকলৈ এনেকুৱা ধৰণৰ অভিযোগ আছে যে তেওঁলোকৰ কাম যেনেধৰণে কৰিব লাগে সেই সময়মতে উলিয়াব পৰা নাই কিন্তু অসমত এই সংখ্যাটো আগতে

বহুত আছিল। এতিয়া একেবাৰে কমলৈকে অনা হৈছে। আমি সম্পূৰ্ণ হেচা প্ৰয়োগ কৰি আছো আৰু বহুত কাম আপুনিও জানে আপোনালোকৰ গোৱালপাৰা জিলাতে বহুত কেইজন ঠিকাদাৰৰ কাম কেনচেল কৰা হৈছে। কেনচেল কৰি নতুন ঠিকাদাৰ দিয়া হৈছে, কিন্তু কিছুমান এনেকুৱা অৱস্থালৈ যায় যে তাত legal বা litigation ত যাব পাৰে বুলি আমি অলপমান চাব লগা হয়। তেনেকুৱা হয়তো আপোনাৰ যদি কাম নকৰাকৈ আছে খুব সম্ভৱ তেওঁ কৰবাত আধা কাম কৰি থৈছে, কৰবাত বেলেগ আবেদন দিছে, কিছুমান এনে হয় যে তৎক্ষণাত cancel কৰি দিলে সি আকৌ বহু দিনলৈকে আইনৰ মেৰপেচত সোমাই যায়। তেনেকুৱা কথাখিনিক বাদ দি মই কিন্তু ঠিকাদাৰৰ ক্ষেত্ৰত যথেষ্ট কঠোৰ হৈছো আৰু ঠিকাদাৰে কাম নকৰা maximum cancel কৰিছো। আপুনি যিটো কৈছে মোক তথ্যটো দিব, মই সোনকালে চাই আপোনাক সদউত্তৰ দিয়াৰ চেষ্টা কৰিম আৰু যদি কাম নকৰা মানুহ অতিসোনকালে কেনচেল কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১১৩, ছামছুল হুদা। অনুপস্থিত। পৰৱৰ্তী প্ৰশ্ন ১১৪, শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ক মই অৱগত কৰিব বিচাৰিছো যে মাজে মাজে কেতিয়াবা বহু সময়ত মই সমষ্টিত গলে সদায় এনে নহয় যে অভিযোগ কৰে যে আগৰ যিবিলাক পুৰণা আঁচনি আছিল পানী যোগান আঁচনিৰ এই বিলাক প্ৰায়বিলাকে বিকল হৈ থকা অভিযোগ আহে। হয়, আগতে যিবিলাক আঁচনি নিৰ্মাণ কৰিছিল এতিয়া পাইপ বিলাক ৬ ইন্সি, ৮ ইন্সি তলতে পুতি থৈছিল। গতিকে সেইবোৰৰ ওপৰত গাড়ী উঠি যোৱাৰ পিছত বা গৰু ম'হে গচকি দিলে পাইপ ফুটি বেয়া হৈ যায়। তেনেধৰণে পানী বহুত ৰাইজে নাপায়। গতিকে সেই বিলাক কেনেধৰণে আকৌ পুনৰ নিৰ্মাণ কৰিবলৈ এইটো ময়ো অৱগত যে retrofittingৰ কাৰণে পুনৰ নিৰ্মাণৰ কাৰণে দিছে। কিন্তু কথা হ'ল কি এই পাইপ বিলাক তেওঁলোকে পানী নোযোৱা বুলি অকল অভায়ত নিৰ্মাণ কৰিয়ে পানী যোৱা ব্যৱস্থা কৰিব বিচাৰিছিল। কথা হ'ল এই পাইপ বোৰ যদি পুনৰ নতুনকৈ যদি নবহুৱাই, তেতিয়া হয়তো আকৌ সেইখিনিত ৰাইজে পানী পোৱাৰ পৰা বঞ্চিত হ'ব। দ্বিতীয় প্ৰশ্নটো হৈছে যে আমাৰ যিটো সংমণ্ডলৰ মুখ্য কাৰ্য্যালয় সেই কাৰ্যলয়টো নিৰ্মাণৰ কাৰণে কিবা ব্যৱস্থা কৰিছেনে মন্ত্ৰী মহোদয়ে জনালে ভাল হ'ব। কিন্তু তেখেতে উত্তৰটো দিছে ব্যৱস্থা কৰা হৈছে বুলি, তথাপিও তেখেতক এইটো অৱগত কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘণ্টা সমাপ্ত হৈছে, এতিয়া item no -2 কাৰ্য্য উপদ্ৰেষ্টা সমিতিৰ প্ৰতিবেদন অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনত ২০২৪-২৫ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে আৰু ২০২৪-২৫ চনৰ দাবীমঞ্জুৰী সমূহৰ ভিতৰত অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰাৰ বাবে সকলো সদস্যক সময় আৱন্টন দিবলৈ ১২ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে আবেলি অধিবেশন অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা কমিটিৰ এখন বৈঠক অনুষ্ঠিত কৰা হয়। সমিতিয়ে সৰ্বসন্মতিক্ৰমে ১৩ ফেব্ৰুৱাৰী ২০২৪ আৰু ১৪ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে সদনত বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দলীয় সদস্য সকলক তলত দিয়া ধৰণে সময় আৱন্টন দিয়াৰ সিদ্ধান্ত লয়। বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনেধৰণৰ -

মুঠ সময় - ৪২০ মিনিট

১) ভাৰতীয় জনতা পাৰ্টী ২১০ মিনিট- (উত্তৰ সহ)

২) ভাৰতীয় জাতীয় কংগ্ৰেছ ৯০ মিনিট।

৩) অসম গণ পৰিষদ ৩০ মিনিট

৪) এ আই ইউ ডি এফ ৫০ মিনিট

৫) ইউ পি পি এল ২৩ মিনিট

৬) বি পি এফ ১০ মিনিট

৭) চি পি আই এম ৩.৩০ মিনিট

৮) নিৰ্দলীয় ৩.৩০ মিনিট।

সমিতিয়ে অহা ২২ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদভাবে আলোচনাৰ পিছত অহা ২১ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে দাবী মঞ্জুৰী নং ৪৮ - কৃষি আৰু ২২ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে দাবী মঞ্জুৰী নং ৩৯- মহিলা আৰু শিশু উন্নয়ন দাবী মঞ্জুৰী দুটা ভোটদানৰ বাবে অগ্ৰাধিকাৰ দিয়াৰ বিষয়ে সৰ্বসন্মতি ক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে ১৩ আৰু ১৪ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে সদনৰ প্ৰশ্নত্তোৰ কাল আৰু বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাহিৰে নিয়ম ৫৪ আৰু ৩০১ ৰ অধীনৰ বিষয় তথা আন কাৰ্য্যসূচী অন্তৰ্ভক্ত নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ১৩ আৰু ১৪ ফেব্ৰুৱাৰী ২০২৪ তাৰিখৰ নিয়ম ৫৪ আৰু ৩০১ ৰ অধীনৰ বিষয় সমূহ অহা ২৩ আৰু ২৬ ফেব্ৰুৱাৰী ২০২৪ তাৰিখত গ্ৰহণ কৰিব।

দাবী মঞ্জুৰী সমূহ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনেধৰণৰ

মুঠ সময় - ৪২০ মিনিট।

১) ভাৰতীয় জনতা পাৰ্টী ২১০ মিনিট- (মন্ত্ৰীৰ উত্তৰ সহ)।

২) ভাৰতীয় জাতীয় কংগ্ৰেছ ৯০ মিনিট।

৩) অসম গণ পৰিষদ ৩০ মিনিট।

৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা ৫০ মিনিট।

৫) ইউ পি পি এল ২৩ মিনিট।

৬) বি পি এফ ১০ মিনিট।

৭) চি পি আই এম ৩.৩০ মিনিট।

৮) নিৰ্দলীয় ৩.৩০ মিনিট।

সভাত ইতিমধ্যে সদনত উত্থাপিত হোৱা বিধেয়ক সমূহ যিদিনাখন বিবেচনা আৰু পাৰিত কৰা হ'ব সেই দিনা শিক্ষা (**আসাম ষ্টেট স্কুল এডুকেশ্যন বোৰ্ড)বিল, ২০২৪ আৰু পৰ্য্যটন ( আসাম টুৰিজিম ডেভেলপমেন্ট এণ্ড ৰেজিষ্ট্ৰেশ্যন) বিল ২০২৪** । বিভাগৰ বিধেয়ক দুখনৰ সম্পৰ্কত **২** ঘন্টাকৈ সদনত আলোচনা কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। আশা কৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে। এতিয়া আইটেম নং ৩ ৰ The Mising Autonomous Council (Amendment) Bill, 2024 মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Mising Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল- বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে

যি সকল প্ৰস্তাবটোৰ সপক্ষে আছে তেওঁলোকে কওক হয় আৰু

যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়
মই ভাবো “হয়ৰ সপক্ষে” , “হয়ৰ সপক্ষে,” “হয়ৰ সপক্ষে”
প্ৰস্তাৱটো গৃহীত হ’ল।
এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Mising Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং -৪ The Rabha Hasong Autonomous Council (Amendment) Bill, 2024 মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Rabha Hasong Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ’ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে
যি সকল প্ৰস্তাবটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু
যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে,” “হয়ৰ সপক্ষে”
প্ৰস্তাৱটো গৃহীত হ’ল।
এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Rabha Hasong Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং -৫ The Thengal Kachari Autonomous Council (Amendment) Bill, 2024 মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Thengal Kachari Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ’ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে
যি সকল প্ৰস্তাবটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু
যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো “হয়ৰ সপক্ষে” , “হয়ৰ সপক্ষে,” “হয়ৰ সপক্ষে”
প্ৰস্তাৱটো গৃহীত হ’ল।
এতিয়া মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Thengal Kachari Autonomous Council (Amendment) Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কৃষিমন্ত্ৰী ডাঙৰীয়া এটা ঘোষণা দিব।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনক জনাবলৈ পাই আমি

অতিশয় সুখী হৈছো যে কালি অৰ্থাৎ ১২ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰী সভাৰ বৈঠকে অসমৰ এবিধ বিশেষ সক্ৰিয় বৈশিষ্ট্যৰে ভৰা ফল কাজি নেমুক অসমৰ জাতীয় ফল হিচাপে গ্ৰহণ কৰিছে। কাজি নেমুক অসমৰ পৰম্পৰা সংস্কৃতি আৰু ঐতিহ্যৰ বাহক। কাজি নেমুক অসমৰ যাক ইংৰাজীত Assam lemon আৰু বৈজ্ঞানিক ভাষাত citrus limon বুলি কোৱা হয়। এই কাজি নেমুক অসমৰ অন্যতম এবিধ ্ ঔষধি গুণ সম্পন্ন আৰু বিশেষ সুঘ্ৰাণযুক্ত থলুৱা ফল যাক অন্য কোনো দেশ বা ৰাজ্যত পোৱা নাযায়। বিশেষ ভৌগলিক সুচাংক গ্ৰহণ কৰাৰ বাবে আজি কাজি নেমুক ২০১৯ বৰ্ষত জি আই টেগ প্ৰদান কৰি ইয়াক যথোচিত মান্যতা প্ৰদান কৰা হৈছে। ২০১৮ চনৰ ৫ জানুৱাৰী তাৰিখে অসমৰ বিখ্যাত কাজি নেমুৰ ভৌগলিক সুচাংক বা geographical indication ৰ মান্যতা বিচাৰি CRSN দিহিং নেমুটেঙা উন্নয়ন সমিতিয়ে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আবেদন জনাইছিল আৰু এই আবেদনৰ ফলস্বৰূপে আজি অসমৰ কাজি নেমুৱে মৰ্য্যদাপূৰ্ণ জি আই টেগ লাভ কৰি বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কাজি নেমু এবিধ বিশেষ প্ৰজাতিৰ নেমু আৰু ই অন্যান্য নেমুৰ তুলনাত বহুখিনি পৃথক। কাজিনেমু ফলটো oval shape আৰু ইয়াৰ আগফালৰ মাজৰ অংশটো সামান্য আগবঢ়া বা Tip যুক্ত। কাজি নেমুৰ অন্যতম এটা বিশেষত্ব হৈছে ই সাধাৰণতে গুটিহীন বা কেতিয়াবা ফলটোত গুটি থাকিলেও গুটিৰ সংখ্যা যথেষ্ট কম। ইয়াৰ অন্যান্য বৈশিষ্ট্যসমূহ হ'ল যে কাজি নেমুৱে বছৰ জুৰি ফল দিয়ে আৰু বছৰত দুটা বিশেষ সময়ত ফলৰ সংখ্যা বৃদ্ধি পায়। কাজি নেমুৰ আন এক বিশেষ বৈশিষ্ট্য হ'ল ইয়াৰ সুঘ্ৰাণ। যি সুঘ্ৰাণৰ বাবেই এই নেমু বিধে আজি বিশ্বজোৰা খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। এই কথা পুনৰ উল্লেখৰ প্ৰয়োজন নাই যে কাজি নেমু আমাৰ বাবে অতিকৈ প্ৰয়োজনীয় বিভিন্ন ৰাসায়নিক যৌগ আৰু ভিটামিনৰ অফুৰন্ত সম্ভাৰ। ইয়াত থকা বিভিন্ন ৰাসায়নিক যৌগসমূহ হ'ল- Citric acid, Malic asid, Sucrose, Reducing sugars, Fats and essentials oils, Glucocides, Pectines, Vitamin-C Vitamin-B6 আদি ইয়াৰ উপৰিও কাজি নেমুত যথেষ্ট পৰিমাণে Calories, Iron, Calcium, Magnesium, Sodium আৰু Potassium পোৱা যায়। কাজি নেমুৰ ঔষধি গুণ থকাৰ লগতে ইয়াৰ সতেজ ৰস ভাত বা দাইলৰ সৈতে মিহলাই খোৱাৰ বিষয়ে আমি সকলোৱে জানো। কাজি নেমুৰ ৰস চৰ্বত হিচাপে বা ব্যঞ্জন হিচাপেও খোৱা হয়। আমি অলপ আগেয়ে উল্লেখ কৰা কাজি নেমুৰ পুষ্টিৰ পৰিমাণেও অসমৰ গৌৰৱ। এই বিশেষ নেমু বিধক বৈশিষ্ট্য প্ৰদান কৰিছে। কাজি নেমুৱে আমাৰ শৰীৰৰ Immune ব্যৱস্থাক শক্তিশালী কৰি তোলাৰ লগতে তেজত থকা Cholesterol ৰ পৰিমাণ হ্ৰাস কৰাত সহায় কৰে আৰু আমাৰ দেহটোক Stress ৰ পৰা মুক্ত কৰে। শৰীৰৰ বিপাকীয় ক্ৰিয়াক উন্নত কৰাৰ ক্ষেত্ৰতো কাজিনেমুৱে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। কিছুমান কাজি নেমু গছে বছৰত প্ৰায় ১২০০ ফল দিব পাৰে। যিহেতু ইয়াক ডালৰ যোগেদি কলমৰ সহায়ত ৰোপণ কৰা হয়, সেয়েহে আমাৰ অসমত কাজি নেমুৰ কৃষি ভূমি সম্প্ৰসাৰণৰ বহুত থল আছে। ভৰতীয় কৃষি গৱেষণা পৰিষদৰ তথ্য অনুসৰি কাজি নেমু অসমৰ বৰ্ণিহাট অঞ্চলত প্ৰথম দেখা পোৱা গৈছিল। সম্প্ৰতি ব্যৱসায়িক ভাৱে অসমৰ বাক্সা, কামৰূপ, চিৰাং, কোকাৰাঝাৰ, গোৱালপাৰা, মৰিগাওঁ, নগাওঁ আৰু তিনিচুকীয়া আৰু ইয়াৰ উপৰিও কেইবাখনো জিলাত এই খেতি কৰি থকা হৈছে। বৰ্তমান অসমত কাজি নেমুৱে অধিকাৰ কৰি থকা কৃষি ভূমিৰ পৰিমাণ প্ৰায় ১৫.৯০ হেক্টৰ। ইয়াৰ পৰা প্ৰায় ১.৫৮ লাখ মেট্ৰিকটন উৎপাদন হয়। একে সময়তে আমি এই কথাও উল্লেখ

কৰিব পাৰো যে অসমত ২৭ লাখৰো অধিক কৃষক পৰিয়াল আছে। পৰম্পৰাগত ভাৱে প্ৰতি ঘৰ অসমীয়া কৃষক পৰিয়ালৰ ঘৰত এজোপাকে হ'লেও কাজি নেমুৰ গছ আছে। বিগত দুটা বছৰত অসমৰ কাজি নেমুৱে সীমাৰ পৰিধি অতিক্ৰম কৰি বিশ্ব বজাৰলৈ ধাপলি মেলিবলৈ সক্ষম হৈছে। এই দুটা বছৰত অসমৰ পৰা ৭০ হাজাৰ কাজি নেমু টেঙা লণ্ডন, মধ্যপ্ৰাচ্যৰ ডুবাই, আবুধাবী, কাটাৰ আদি বিভিন্ন দেশলৈ ৰপ্তানি কৰা হৈছে। আধুনিক অসম নিৰ্মাণৰ খনিকৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ উদ্যোগত এই ৰপ্তানি প্ৰক্ৰিয়াত আমাৰ ৰাজ্য খনৰ নতুন প্ৰজন্ম আৰু FPC সমূহ জড়িত হৈ পৰিছে। এই ক্ষেত্ৰত চিৰাং আৰু তিনিচুকীয়া জিলাৰ কেইবাটাও FPC ৰ নাম প্ৰণিধানযোগ্য। আমি আন্তৰিকতাৰে আশা কৰো, যেনেদৰে আমাৰ গামোচাখন স্বাভিমানৰ প্ৰতীক, তেনেদৰে অসমৰ বাহিৰে কতো নোপোৰা কাজি নেমু বিধো আমাৰ স্বকীয় পৰম্পৰা আৰু স্বাভিমানৰ প্ৰতীক। সেয়েহে এইবিধ টেঙাজাতীয় ফলক জাতীয় ফল হিচাপে গ্ৰহণ কৰি আমি সকলো গৌৰৱান্বিত  হোৱা উচিত। কাজি নেমুক জাতীয় ফল হিচাপে ঘোষণা কৰাৰ ফলত এইবিধ ফলৰ প্ৰতি দেশ-বিদেশৰ ক্ৰেতা আৰু উদ্যোগীৰ বাবে এই নেমুৰ গুৰুত্ব বহুখিনি বৃদ্ধি পাব আৰু আমাৰ ৰাজ্যখনক সংখ্যাধিত কৃষি উদ্যোগ স্থাপনৰ লগতে বাণিজ্যিক ক্ষেত্ৰতোই লাভবান কৰি তুলিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সততে vocal for local ৰ কথা কৈ আহিছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই স্বকীয়তাৰে ধৰা আমাৰ ঐতিহ্যমণ্ডিত সম্পদ সমূহক লৈ যি গৌৰৱ, সেই স্বকীয় সম্পদ সমূহৰ বাণিজ্যিক বিকাশৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ যি আন্তৰিক সদিচ্ছাক সৰোগত কৰি কাজি নেমুক আমি আমাৰ সদনে জাতীয় ফল হিচাপে স্বীকৃতি দি সকলোৱে গৌৰৱান্বিত হোৱা উচিত।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আছে আমাৰ বাজেটৰ ওপৰত আলোচনা। প্ৰথমতে সন্মানীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, (পূব গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ ২০২৪ -২৫ চনৰ বাজেটত বিত্তমন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে যি বিকাশ আৰু প্ৰগতিৰ বাৰ্তা প্ৰদান কৰিলে তাৰ বাবে মই সমূহ অসমবাসীৰ হৈ তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰত্যেকটো ৰাজনৈতিক দলৰে এটা ৰাজনৈতিক চিন্তাধাৰা থাকে, এটা ৰাজনৈতিক দৰ্শন থাকে। এই ৰাজনৈতিক চিন্তাধাৰা আৰু ৰাজনৈতিক দৰ্শনক সমাজত প্ৰতিষ্ঠাপিত কৰিবৰ বাবে  এটা অৰ্থনৈতিক পদক্ষেপ ল'বৰ বাবে শাসনত আহিবলৈ প্ৰচেষ্টা কৰে। আজি ভাৰতীয় জনতা পাৰ্টীৰ যি চৰকাৰ এই চৰকাৰে ভাৰতীয় জনতা পাৰ্টীৰ যি মূল অৰ্থনৈতিক চিন্তাধাৰা যিটোক আমি অন্ত্যোদয়া বুলি কৈছো, অন্ত্যোদয়া বুলি কওঁতে সমাজৰ শেষ পংক্তিৰ শেষজন ব্যক্তিৰ উত্থানকে অন্ত্যোদয়া বুলি কোৱা হয় আৰু এই অন্ত্যোদয়াৰ মাধ্যমেৰে সমাজৰ সকলোৱে যাতে চৰকাৰৰ বিভিন্ন আঁচনি বা চৰকাৰৰ যি জনকল্যাণ মূলক পদক্ষেপ, এই পদক্ষেপ বোৰৰ দ্বাৰা তেখেত সকল ফলান্বিত হয়, তাৰবাবে প্ৰচেষ্টা কৰা হয় আৰু এই প্ৰচেষ্টা আমি "সৱকা সাথ, সবকা বিকাশ" বুলি যিটো মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে, সেই বাৰ্তাটোকে এই বাজেটখনত প্ৰতিফলিত হোৱা দেখিবলৈ পাইছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনত আমি এক নতুন আশাৰ বাৰ্তা পাইছো। উদ্ভাৱনী মূলক শাসন ব্যৱস্থা, innovative government, যোৱা কালি যেতিয়া মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে বাজেটখন বিতং ভাৱে পঢ়ি আছিল, তেতিয়া আমি বহুতো এনেকুৱা পদক্ষেপ দেখিছো  যিবোৰ পদক্ষেপৰ সম্পৰ্কে তেখেতে ঘোষণা কৰাৰ পিছত আমি চিন্তা কৰিছো যে এইবোৰ ঘোষণা আগতে কিয় চিন্তা কৰা হোৱা নাছিল।

বহুতো নেতিবাচক কথাক কি ভাৱে ইতিবাচক পদক্ষেপলৈ পৰিবৰ্ত্তিত কৰিব পৰা যায় তেখেতৰ বাজেটত তাৰ প্ৰতিফলন ঘটিছে। গতিকে মই ভাৱো যে এইটো এটা সঁচাকৈ প্ৰসংশনীয় বিষয় আৰু সমগ্ৰ সদনে তেখেতৰ প্ৰসংশা কৰিব। ঠিক তেনেধৰণে  যিটো মূল আন্তঃগাঁথনি উন্নয়ণ এইক্ষেত্ৰত বাজেটখনত যথেষ্ট প্ৰতিফলন হৈছে আৰু এই যি আন্তঃগাঁথনি উন্নয়ণ, কিন্তু যিকোনো এটা অৰ্থনীতিক পৃথিৱীৰ যিকোনো এখন দেশৰ অৰ্থনীতিক যদি উন্নয়ণ কৰিবলৈ বিচৰা হয় তেতিয়াহ'লে তাৰ ভেটিটো হৈছে আন্তঃগাঁথনি। আমি যদি ব্ৰাজিলৰ অৰ্থনৈতিক উত্থানক চাওঁ, আমি তেতিয়াহ'লে দেখো যে ব্ৰাজিলত যি ব্যাপক হাৰত আন্তঃগাঁথনিক উন্নয়ণ কৰা হৈছিল, তাৰ road structure যিধৰণে উন্নয়ণ কৰা হৈছিল তাৰ ফলত তাৰ বিভিন্ন ভিতৰুৱা অঞ্চল বিলাকো লাভান্বিত হৈছিল আৰু ফলত ব্ৰাজিল এখন যথেষ্ট উন্নত দেশ হিচাপে বিশ্বত পৰিচিত। ঠিক তেনেদৰে সামাজিক আন্তঃগাঁথনিৰ গত উন্নয়ণ social infrastructure and empowerment ৰ যিটো পদক্ষেপ লোৱা হৈছে তাৰ বাবেও মই মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জ্ঞাপন কৰিছো কিয়নো এই সমূহ পদক্ষেপৰ যোগেদি, এই সমূহ বিষয়ত তেখেতে যি পদক্ষেপ ললে সেই বিষয়ৰ যোগেদি অসমৰ আৰ্থ-সামাজিক দিশলৈ এক নতুন বাৰ্তা কঢ়িয়াই আনিছে। মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনত ভাৰতীয় জনতা পাৰ্টী প্ৰথম বাৰৰ বাবে অসমত ক্ষমতালৈ আহিছিল আৰু ২০১৬ চনত আৰু তাৰ পিছৰ প্ৰত্যেকখন বাজেটতে আমি এটা কথা দেখিছো, সেইটো হৈছে উন্নয়ণৰ বাৰ্তাৰ ধাৰাবাহিকতাক অক্ষুণ্ণ ৰখা হৈছিল আৰু এই বাৰ্তাকে মাননীয় মুখ্যমন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন এই নতুন চৰকাৰখনে এক নতুন মাত্ৰা প্ৰদান কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, বাজেটত থকা চৰকাৰৰ দৃষ্টিভংগী সমূহৰ সম্পৰ্কে যথেষ্ট তথ্য আছে। মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে যি তথ্য ইয়াত দাঙি ধৰিছে সেই তথ্যবোৰৰে কিছু মই উদ্ধৃতি দিব বিচাৰিছো। প্ৰথমে এইটো আমাৰ বাবে এইটো অতি উৎসাহজনক কথা যে ইমানদিনে আমি সদায় কৈছিলো যে অসম লাহে লাহেৰ দেশ। অসমত যিকোনো কামেই লাহে লাহে হয়। কিন্তু এইবাৰ পোন প্ৰথম বাৰৰ বাবে অসম ৰাষ্ট্ৰীয় বিকাশতকৈ দ্ৰুততাৰে বিকাশ লাভ কৰিছে। মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীৰ বক্তব্যত আছে যে অসমৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ১৬.১ শতাংশৰ তুলনাত ২০২২-২৩ বৰ্ষত ১৯.৯ শতাংশ হৈছে। এইটো কেইবছৰমান আগলৈকে এটা সঁচাকৈয়ে অভাৱণীয়, অচিন্তনীয় বিষয় আছিল। এই চৰকাৰখনে সেইটো কৰি দেখুৱালে যাৰ বাবে মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাইছো। এই চৰকাৰখনক ধন্যবাদ জনাইছো যে অন্ততঃ অসম যে লাহে লাহেৰ দেশ এই বিষয়ত অসমৰ ওপৰত যিটো নেতিবাচক দৃষ্টিভংগী আছিল সেই নেতিবাচক দৃষ্টিভংগীটো আঁতৰাবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ  ৰাজ্যখনৰ অৰ্থনীতিৰ বৰঙণিৰ পৰিমাণো বৃদ্ধি পাই আহিছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ যি GST সেইটোও বৃদ্ধি হৈছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৰঙণি  ২০১৬-১৭ বিত্তীয় বৰ্ষৰ ১.৬৫ শতাংশৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত ১.৮১ শতাংশলৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য সময়চোৱাত স্থিৰ মূল্য আমি জানো যে ২০১০-১১ আৰু ২০১১-১২ বছৰটো base year হিচাপে ধৰা হয়। সেই পৰিসংখ্যা মতেও ৰাষ্ট্ৰীয়  পৰ্য্যায়ত ঘৰুৱা উৎপাদনৰ বৰঙণি ১.৬৪ শতাংশৰ পৰা ১.৭৮ শতাংশলৈ বৃদ্ধি পাইছে। শুনাত হয়তো লাগে যে এইটো বৰ ডাঙৰ ফিগাৰ নহয়। কিন্তু যিসকল লোকে অৰ্থনৈতিক বিষয়ত অলপ পঢ়া-শুনা কৰে তেখেত সকলে জানে যে এই পৰিবৰ্তনে আমি যদি micro দৃষ্টিভংগীৰে চাওঁ, তেতিয়াহ'লে কিন্তু ৰাজ্যখনৰ বাবে এটা ডাঙৰ সাফল্য আৰু তাৰ বাবে মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জ্ঞাপন

কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি বিগত দুটা বছৰ, বিশেষকৈ ১৯২০ চনৰ পৰা আমাৰ ইয়াতে কিছু disturbance হ'ল, যিটো হয়তো created disturbances আছিল আৰু এই created disturbance খিনি শেষ হয় মানে আৰু আকৌ কভি'ডৰ বিভিষিকা আহিছিল আৰু এই বিভিষিকা সমূহৰ যি নেতিবাচক প্ৰভাৰ, সেই স্বত্তেও কিন্তু অকল অসমে নহয় সমগ্ৰ ভাৰতবৰ্ষই এই বিকাশৰ দিশত ক্ৰমান্বয়ে আগবাঢ়িছে আৰু ২০২৩ বৰ্ষত দেশৰ অৰ্থনীতিৰ মুঠ ঘৰুৱা উৎপাদন ৩.৭ মিলিয়ন আমেৰিকাৰ ডলাৰৰ সীমা স্পৰ্শ কৰিছে। আমি গৌৰৱ অনুভৱ কৰিছো যে ভাৰতবৰ্ষ এতিয়া বিশ্বৰ পঞ্চতম বৃহৎ অৰ্থনৈতিক দেশ হিচাপে পৰিগণিত হৈছে আৰু আজি যি কোৱা হৈছে  বিকশিত ভাৰত। বিকাশিল ভাৰত আৰু বিকশিত ভাৰতৰ মাজৰ যিটো গেপ, এই গেপটো কেন্দ্ৰত নৰেন্দ্ৰ মোডী চৰকাৰখনে আৰু অসমত হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে এক উন্নয়ন মূলক দৃষ্টিভঙ্গিৰে অৰ্থনীতিক আগবঢ়াই নিয়াৰ বাবে সক্ষম হৈছে। এই বছৰত ২০২৪-২৫ বৰ্ষৰ ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন চলিত মুল্য ৬.৪৩ লাখ কোটি টকা হ'ব বুলি আশা কৰা হৈছে। ২০২৬-১৭ চনৰ তুলনাত আমি যদি চাওঁ, ২০১৬ চনত তেতিয়া ৰাজ্যিক ঘৰুৱা উৎপাদন আছিল ২.৫৪ লাখ কোটি টকা। এই যিটো সংখ্যা, এইটো প্ৰায় ১৫০ শতাংশতকৈ অধিক বৃদ্ধি পাইছে। ২০১৬ চনত যিটো GDP আছিল, আজি আমাৰ ৰাজ্যৰ GDP ১৫০ শতাংশ বৃদ্ধি পাইছে। এইটো অভাৱনীয় এটা কথা, এনেকুৱা এটা উন্নয়নৰ পদক্ষেপ, উন্নয়নৰ মাত্ৰা, যিটো মাত্ৰাত আমি নিসন্দেহে প্ৰশাংসা কৰিব লাগিব। অসমৰ মুঠ ঘৰুৱা ৰাজ্যিক উৎপাদন চলিত মুল্যত ২০২২-২৩ বৰ্ষত ৪.৯৩ লাখ কোটি টকাৰ বিপৰীতে ১৫.৬ শতাংশ বিকাশৰ হাৰেৰে ২০২৩-২৪ বৰ্ষত ৫.৭০ লাখ কোটি টকা হোৱা সম্ভৱনা আছে। অসমৰ প্ৰকৃত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন স্থিৰ মুল্য ২০২২-২৩ বৰ্ষত ৩.১ লাখ কোটি টকাৰ বিপৰীতে ৫.৯ শতাংশ বিকাশৰ হাৰেৰে ২০২৩-২৪ বৰ্ষত ৩.১৯ লাখ কোটি টকা হৈছে। গতিকে মই ভাৱো এই যিবোৰ তথ্য বাজেট ভাষণত পালো, এই তথ্য সমূহে এটা কথা সাৰস্ত কৰিছে যে এই চৰকাৰখনে যিটো এটা অৰ্থনৈতিক দৃষ্টিভঙ্গীৰে অসমৰ উন্নয়ৰ বাবে কাম কৰিছে, আৰু যিটোৰ প্ৰতিফলন আমি যোৱা কালি উত্থাপিত হোৱা বাজেটত দেখিছো, এই উত্থাপিত হোৱা বাজেটক আমি সম্পূৰ্ণ সমৰ্থন কৰো আৰু তাৰ বাবে আমি বিত্ত মন্ত্ৰী ডাঙৰীয়নিক সলাগ লৈছো।

মাননীয় অধ্যক্ষ মহোদয়, এটা তলনামূলক মই দৃষ্টান্ত দিব বিচাৰিছো, ২০১৬-১৭ চনত যেতিয়া আমাৰ অসমৰ জনমূৰি আয় হিচাপ লোৱা হৈছিল, তেতিয়া আছিল ৬৬,৩৩০ টকা আৰু এই কেইটা বছৰত বিশেষকৈ ২০২৩-২৪ বৰ্ষত জনমুৰি আয় হৈছিল ১,৩৫,৭৭৮ টকা। এই সংখ্যাৰ যিটো ব্যৱধান, এই বৃহৎ উত্থানে চৰকাৰখনৰ সঠিক বিত্তীয় দিশৰ অনুসুচক আৰু  মই ভাৱো তাৰ বাবে আগন্তুক দিনত মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়নিয়ে বাজিটত যিবোৰ পদক্ষেপ লৈছে, সেই পদক্ষেপবোৰক আমি সমৰ্থন কৰিব লাগে, সেই পদক্ষেপবোৰক  আমি সলাগ জনাইছো আৰু আশা কৰিছো যে তেখেতে বাজেটত উত্থাপন কৰা বিষয়সমূহ বাস্তৱিত কৰিবলৈ পদক্ষেপ ল'ব। এতিয়া এই প্ৰস্তাৱবিলাক বাস্তৱিত কৰিবলৈ আমি বিত্তীয় সমৰ্থ বৃদ্ধি কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বাজেট ব্যয়, ২০১৫-১৬ বিত্তীয় বৰ্ষত আছিল ৪১,৯৩১ কোটি টকা। ইয়াৰ বিপৰীতে ২০২২-২৩ বিত্তীয় বৰ্ষত ১,২৭,২৮৩ কোটি টকা। লক্ষণীয় ভাৱে ৰাজ্যখনৰ মুলধন ব্যয় ২০১৫-১৬ বিত্তীয় বৰ্ষত আছিল ২৯৫১ কোটি টকাৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত আছিল ১৬,৩৩৮ কোটি টকালৈ বৃদ্ধি পাইছে। ইয়াৰ লগতে বিগত পাঁচ বছৰত

অসম এখন গ্ৰাম্য প্ৰধান থকা ৰাজ্য আৰু গ্ৰাম্য অৰ্থনীতি কিয়নো আমি এতিয়াও কৃষি প্ৰধান ৰাজ্যত পৰিগণিত হৈ আছো, যদিও যথেষ্ট দ্ৰুত ভাৱে শিল্পৰ ক্ষেত্ৰতো উন্নয়ৰ হৈছে, উদ্যোগ যথেষ্ট আহিছে, বিভিন্ন বাহিৰৰ বিনোয়গকাৰী সকলে যথেষ্ট বিনিয়োগ কৰিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। তথাপিও গ্ৰাম্য আন্তগাঠনি উন্নয়ন পুঁজি আৰু বহিঃসাহৰ্য্য প্ৰাপ্ত প্ৰকল্পৰ অধীনত মুল ধনৰ ব্যয়ৰ বাবে আহৰণ কৰা পুঁজিৰ ক্ষেত্ৰত যথাক্ৰমে ১৭৭ আৰু ৪৩৭ শতাংশ বৃদ্ধিৰ পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰতে মাননীয় অধ্যক্ষ মহোদয়, বিশেষভাৱে মই বহু সাহাৰ্য্য প্ৰাপ্ত প্ৰকল্পত কিমান ব্যাপক বিনিয়োগ আহিছে, প্ৰায় ৪৩৭ শতাংশ বৃদ্ধি হৈছে। এইটোৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো আৰু আশা কৰিছো এইক্ষেত্ৰত যি উন্নয়নৰ বৰ্তা আমাৰ সকলোৰে আগত সদনত দাঙি ধৰিলে, তাৰ কাৰণে ধন্যবাদ জনাইছোঁ আৰু আশা কৰিছো আমি সকলোৰে তেখেতৰ দৃষ্টি ভঙ্গি আৰু পদক্ষেপত সমৰ্থন কৰিম।

এইখিনি কব দিয়াৰ বাবে মই ধন্যবাদ জনাই, মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়নিয়ে ২০২৪-২৫ ৰ কাৰণে যি বাজেট দাখিল কৰিছে, আমি আশা কৰিছিলো যে বাজেটতো ইয়াতকৈ বহুত ভাল হ'ব আৰু এটা development oriented budget হ'ব বুলি আশা কৰিছিলো। বিশেষকৈ বিত্ত মন্ত্ৰীয়ে হওঁক বা বিজেপি চৰকাৰে হওঁক, আপোনালোকে কাম কৰাৰ কাৰণে ডাঙৰ সুযোগ পাইছে, কাৰণ আগৰ মুখ্যমন্ত্ৰী বা বিত্ত মন্ত্ৰী আৰু এতিয়া মুখ্যমন্ত্ৰী বা বিত্তমন্ত্ৰী, কাৰণ আগতে অসমত গোটেই বছৰজুৰি আন্দোলন হয়, উগ্ৰপন্থিৰ হিংসাত্মক কাৰ্য্যকলাপ থাকে আৰু political instability আছিলে। কিন্তু এতিয়া যোৱা কিছু বছৰ ধৰি এই আন্দোলন ৰাজ্যত নাই, উগ্ৰপন্থিৰ হিংসাত্মক কাৰ্য্যকলাপ নাই আৰু political stability আহিছে। আপোনালোকে majority লৈ আহিছে, সেই কাৰণে কাম কৰাৰ যিটো সুযোগ আছে আপোনালোকৰ বা যেনেকুৱা development oriented budget কৰাৰ সুযোগ আছিলে, সেইটো আপোনালোকে ল'ব পৰা নাই। সেই কাৰণে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়নিয়ে যোৱা দুই বছৰৰ বাজেটতকৈ এইবাৰ বাজেটৰ চৰিত্ৰটোৰে সলনি কৰিছে। কাৰণ আগতে আন্তঃগাঠনি আঁচনি বিলাক আহিব বুলি আমি আশা কৰিছিলো। এতিয়া ইয়াত অনুদান দিয়া আঁচনিলৈ ৰূপান্তৰ কৰিলে। infrastructure development scheme বিলাক নাই। বেছভাগ অনুদান দিয়া আঁচনি। সেই কাৰণে এই বাজেটখন গঠানুগঠিক নহয়, নতুনত্ব একো নাই, নিৰ্বাচন কেন্দ্ৰীক আৰু এই বাজেটখনে ভৰিষ্যতে কৰ্ম, সংস্কৃতি বিনাশ কৰিব আৰু ভৰিষ্যত প্ৰজন্মক এই বাজেটে নিজকৰ্মা কৰিব। ....

**(সদনত মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন )**

**শ্ৰীভৰত চন্দ্ৰ নৰহ, নাওবৈচা ঃ** .....ক্ৰমশ...আমাৰ বাজেটতকৈ এতিয়া ঋণৰ পৰিমাণটো অতিক্ৰম কৰিলে। কাৰণএইবাৰ ১ লাখ ৪৩ হাজাৰ ৬০৫ কোটি, যিটো আমাৰ বাজেট estimate আৰু আমাৰ ৩১ মাৰ্চত আমাৰ ঋণৰ পৰিমাণ ১ লাখ ৪৮ হাজাৰ ২ শ ৩৮ কোটি। তাৰমানে বাজেটতো অতিক্ৰম কৰিলে। ২০২৫চনৰ ৰ ৩১ মাৰ্চত আমাৰ ঋণৰ পৰিমাণ ১ লাখ ৬২ হাজাৰ ৫৫৩ কোটি হ'বগৈ। এতিয়া জনমুৰি ঋণ ৪৪ হাজাৰ ৯ শ ৯১ আৰু ২০২৫ চনত আমাৰ হ'ব ৪৯ হাজাৰ ২ শ ৫৮ কোটি। তাৰমানে, যদিও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে ইয়াতে FRBM Act মতে আপোনলোকে যিটো prescribe limit টো cross কৰা নাই এইটো হয়। কিন্তু আপোনালোকৰ যোৱাবাৰ ২৩ আছিলে এইবাৰ আপোনালোকৰ GDP percentage টো ২৫% হ'ব এইবাৰ

আৰু আপোনালোকৰ loan যিটো payment যিটো interest payment ৰ limit যদিও 10% এইবাৰ ৯% হয়। তাৰমানে আপোনালোকে danger line cross কৰা নাই. কিন্তু বাজেটখনে danger line লৈ গৈ আছে। বিপদসীমা cross কৰা নাই কিন্তু বিপদসীমাৰ মাজলৈ লৈ গৈ আছে বাজেটটোৱে আৰু interest payment টো মাত্ৰ 1% বাকী আছে। যিটো ইয়াত GDP বঢ়োৱাৰ কথা আপুনি কৈছে, nominal GDP আৰু এইটো current prizeত. Current prizeৰ nominal GDP 16.8% ২০২১-২২ ত বঢ়া বুলি কৈছে। 19% ২০২২-২৩ ত বঢ়া বুলি কৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ, কেন্দ্ৰীয় পৰিক্ৰমা আৰু কাৰ্য্যসূচী ৰূপায়ণ বিভাগৰ পৰা যিটো আহিছে তেওঁলোকে real GDP টো বেলেগ Nominal GDP current prize ত উলিয়াই। Real GDP টো concent prize.Still mode ত উলিয়াই। real GDP টো ২০২১-২২ ত আপোনালোকে যিটো 16.8% দেখুৱাইছে তাত 8.1% হে হৈছে। ২০২২-২৩ ত 19% against 10.2% হে হৈছে। এইকাৰণে GDP যিটো growth দেখুৱাইছে ইয়াতে তাতে আমাৰ অলপ সন্দেহ হৈছে। Loan ল'বৰ কাৰণে GDP টো তাত বেছিকৈ দেখুৱাইছে নেকি? চাৰ, GDP growth টোত ৩ টা factor. ৩ টা কাৰণত GDP বাঢ়ে। সেইটো Agriculture, manufacturing industry আৰু service sector ২০২০-২১ চনত Agriculture 27% আছিল কিন্তু ২০২১-২২ চনত কমি 24% হৈছে। Manufectureing sector ত graowth টো 6.3%, service sector ত 1.3%. ইয়াত Agriculture, Manufecturing service sector বঢ়া নাই। 70% nominal GDP কেনেকৈ হ'ল? ঠিক তেনেকৈ ২০২২-২৩ চনত Agriculture ত growth rate টো 5.7%, Industry 5.5%, service টো 0.9%. 19% কেনেকৈ হ'ল? এই গোটেই বিষয়টো আমি চাব লাগিব। মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে আমি আগতেও কৈছিলো যিটো United nation ৰ লগত আমাৰ যিটো agreement আছে, ২০৩০ চনত আমাৰ যিটো terget Substainable Development Goal. তাত 17 terget আছে ২০৩০ চনৰ ভিতৰত নিৰ্মূল কৰিবৰ কাৰণে। এইক্ষেত্ৰত আপুনি specific একো নক'লে। Below poverty line ত আগতে লিখা আছে ৩২ শতাংৰ পৰা গৈ ১৪ শতাংলৈ নামিছে। এটা কথা জানিলে ভাল হ'ব মাননীয় উপাধ্যক্ষ মহোদয়, আগতে আছিল Tendulkar Committee. যিটো BPL rate টো তেওঁলোকে দৰিদ্ৰ সূচাংক আছিল, per day কিমান income কৰে, per month কিমান income কৰে। তাৰ ওপৰত দৰিদ্ৰৰ সূচাংক নিৰ্ভৰ কৰে। কিন্তু এতিয়া নীতি আয়োগে কৰিছে যে United Nation Development Programme আৰু Oxford poverty initiative লগলাগি তেওঁলোকে দৰিদ্ৰ সূচাংক নিৰ্ণয় কৰাৰ কাৰণে criteria টো বেলেগ কৰিছে। ১২ টা সূচাংক criteria লৈছে । তাত Health, Education আৰু জীৱন ধাৰণৰ যিটো মানদণ্ড, যিটো life style. ইয়াত এনেকুৱা নিয়ম কৰিছে যে এজন যদি মানুহে চৰকাৰৰ পৰা ৰন্ধন গেছ, পানী, বিজুলী পাইছে, তেওঁ দুখীয়া নহয়। নতুন creteria উলিয়াইছে। যিটো multidimentional poverty index বহুমাতৃক দাৰিদ্ৰ সূচাংক। সেইমতে ১৪ শতাংশ হৈছে. ঠিক আছে, যাৰ ১৪ শতাংশ হৈছে। কৈছে ৮০ শতাংশ। কিন্তু মাননীয় মুখমন্ত্ৰীয়ে বাতৰি কাকতত ডাঙৰ ডাঙৰ বিজ্ঞাপন দিছে যে মই ৰেচন কাৰ্ড ২ কোটি ৩২ লাখ মানুহক দিছো। ৬৬ পৰিয়াল নতুনকৈ আৰু ১০ লাখক দিছে। সেই যে ২ কোটি ৩২ লাখ মানুহক বিনামূলীয়া চাউল দিছে তেওঁলোক ধনী নে দুখীয়া। আপোনালোকে ইয়াত লিখিছে। ধনী বুলি দিছো নে দুখীয়া বুলি দিছো। ১৪ শতাংশ যদি multidimentional poverty index য়ে যিটো দেখুৱাইছে, ১৪

শতাংশ অসমত দুখীয়া মানুহ হৈছে BPL ত। ৰেচন কার্ডৰ হিচাপত যদি চাওঁ, বিনামূলীয়া চাউল খোৱা মানুহ অসমত আছে, ৬৬.২ শতাংশ। যদি ৩ কোটি ৫০ লাখ মানুহ যদি ধৰো অসমৰ জনসংখ্যা, ৩ কোটি ৫০ লাখৰ ২ কোটি ৩২ লাখ মানুবে বিনামূলীয়া চাউল খাবলগীয়া তেতিয়া ৬৬.২ শতাংশ হয় আৰু নিজৰ পইচাৰে চাউল কিনি খোৱা মানুহ হ'ল ৩৩.৭৫ শতাংশ। এইটো এটা পৰস্পৰ বিৰোধী। দুখীয়া কমিছে বুলি কৈছে ৮৩ লাখ মানুহ দৰিদ্ৰ সীমাৰেখাৰ পৰা মুক্ত কৰিছো আকৌ কৈছে ২ কোটি ৩২ লা মানুহক চাউল দি আছো। এই কথাখিনি পৰস্পৰ বিৰোধী নহ'ল জানো ? মই যদি কওঁ, এই গোটেই বাজেটটোত চৰিত্ৰ সলনি হৈছে, অনুদান দিয়া আঁচনি হৈছে, উৎপাদনৰ ওপৰত গুৰুত্ব দিয়া নাই। বাজেটত poverty ৎ ওপৰত গুৰুত্ব দিব লাগে। আপোনালোকে গুৰুত্ব দিছে বেলেগ কথাত। এতিয়া চাওঁক আমাৰ অসমত বহুত গছ-গছনি আছে। যোৱাকালি মাননীয় সদস্য শ্ৰীমানৰ ডেকা ডাঙৰীয়াই মোৰ লগত প্ৰতিদিন টাইম্‌চ ডিবেট কৰোতে কৈছে যে দাদা, আপোনালোকক গছপুলি নালাগে নেকি? আমাৰ অসমৰ অন্য ৰাজ্যৰ তুলনাতকৈ গছ পুলি বহু আছে। percentage আমাৰ বহুত ভাল আছে। অমৃত বৃক্ষ অভিযান গছপুলি ৰুৱৰ কাৰণে ৪০ কোটি কিন্তু গাখীৰ উৎপাদন কৰিবলৈ ২৫ কোটি। বিহু কমিটিৰ সন্মিলনত অনুদান দিব ৩৪ কোটি টকা আৰু পনীৰ উৎপাদনৰ কাৰণে ২৫ কোটি টকা দিব। আপোনালোকে ক'ত গুৰুত্ব দিছে? ঠিক তেনেকৈ অযোদ্যাত তীৰ্থ যাত্ৰী যাবলৈ ২৫ কোটি টকা খৰচ কৰিব আৰু industry startup কাৰণে দিছে ১৪ কোটি টকা। যোৱাবাৰ বাজেটত ঘোষণা কৰাকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আকৌ ঘোষণা কৰিছে, অলপ শব্দ বাক্য সলনি কৰিছে। মই আপোনাক ক'ব বিচাৰিছো তিনিটা বিশেষকৈ তিনিখন াঁচনি যোৱাবাৰ ঘোষণা কৰা হোৱা নাই এতিয়ালৈকে। এক পইচা খৰছ কৰা নাই। যোৱাবাৰ যিটো মুখ্যমন্ত্ৰী মহিলা উদ্যেমিতা আঁচনি যাক আপোনালোকে লাখপতি বাইদেউ বুলি কৈছে লাখপতি দিদি। এইটো যোৱাবাৰ আপুনি বাজেটত স্পৃষ্ঠা নং ৩১ ত আছিল, আপুনিয়ে লিখিছিল নাৰী সৱলীকৰণ কেন্দ্ৰীক আন্দোলন পুণৰ উজ্জিৱীত কৰণ তাৰে আঁচনি খন যোৱাবাৰ উত্থাপন কৰিছিল। ১০ হাজাৰকে দিয়া হ'ব আৰু এইটো আপুনি লিখিছিল এই ১০ হাজাৰ টকা DBT (Direct beneficiary Transfer) কৰি দিম। সেইটো নহ'ল. মাত্ৰ আপোনালোকে পাহৰি গৈছিল। যিদিনাখন মাননীয় ৰাহুল গান্ধী ডাঙৰীয়া অসমলৈ আহিছিল, অসমলৈ াহোতে মনত পৰিলে ভাৰতজুৰ ন্যায় যাত্ৰা যেতিয়া আৰম্ভ হ'ল খৰখেদাকৈ এই লাখপতি বাইদেউৰ form বিলাক চাৰিও ফালে বিলাবলৈ আৰম্ভ কৰিলে। কেৱল form হে বিলাছিে, পইচা কাকো দিয়া নাই। পইচা খৰচ কৰা নাই। যোৱাবাৰ এইটো ৩১ নং স্পৃষ্ঠাত আছিল. মাননীয় সদস্য আপুনি চাই ল'ব. মুখ্যমন্ত্ৰীৰ আত্মানিৰ্ভৰশীল অসম অভিযান এইবাৰ। যোৱাবাৰ এইটো লিখিছিল মুখ্যমন্ত্ৰী স্ব-নিয়োজন আঁচনি পৃষ্ঠা নং ১৩ সেটিো এতিয়ালৈকে একো হোৱা নাই। ২ লাখ স্ব-নিয়োজন আঁচনি দিয়াৰ কথা আছিল. কিছুমানক ২ লাখ, কিছুমানক ৫ লাখ সেইটো কেৱল বোধহয়, form বিলাক কৰাতো কিবা collect কৰাতো কিবা হৈছে নেকি? লিখিছে বাইদেউৰে, ৫ হাজাৰ মানুহৰ পৰা আবেদন পাইছে. ১ পইচাও খৰচ হোৱা নাই। তাৰপাছত মুখ্যমন্ত্ৰী আৱাস যোজনা যোৱাবাৰ আছিল পৃষ্ঠা নং ১৮। এইবাৰো আছে। মই জনামতে মুখ্যমন্ত্ৰীৰ আৱাস যোজনাৰ ১ পইচাও খৰচ কৰা হোৱা নাই। ঠিক তেনেকৈ মই ক'লো চৰকাৰে কাম কৰিব পৰা নাই। আপুনি যিটো যোৱাবাৰ external added project ৪৩ হাজাৰ কোটি ৪০ হাজাৰ কোটি টকা আছিল। এই project ত যথেষ্ট বিলম্ব হৈছে. আপোনালোকে ABB ৰ পৰা, World Bank ৰ পৰা loan লৈছে জাপান চৰকাৰ, ফ্ৰাঞ্চ চৰকাৰৰ পৰ ালৈছে কাম হোৱা নাই বুলি মই কোৱা নাই।

কিন্তু ইমপ্লিমেনটেশ্যন বহু ক'ম । ছাৰ, কেৱল এইটোৱে নহয়, যেনেদৰে বিজেপি চৰকাৰখন ডাবল ইঞ্জিন চৰকাৰ বুলি কোৱা হয়, কেন্দ্ৰীয় চৰকাৰৰ পৰিসংখ্যা মন্ত্ৰালয়ৰ আঁচনি ৰূপায়ণৰ এটা তথ্য সদৰি কৰিছে। সমগ্ৰ দেশতে ১৫১০ টা কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ প্ৰকল্প কাৰ্য্যকৰী হোৱাত বিলম্ব হৈছে আৰু পাৰ্চেন্টটেঞ্জ হিচাপে ইয়াৰ সংখ্যাটো হ'ল ৫১ পাৰ্চেন্ট আৰু টকাৰ মূল্যটো হৈছে ৪.৬৪ লাখ কোটি টকা। এই ১৫০০ প্ৰকল্পৰ ভিতৰত ৫২ টা প্ৰকল্পৰ আঁচনিত ৰেলৱে ব্ৰডগজ স্কীম আছে আৰু ইয়াৰ এষ্টিমেট ভেল্যু হ'ল- ৪৯০০০ কোটি টকা। সেই কাৰণে এটা উদাহৰণস্বৰূপে কৈছো যে, যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৯০ কি.মি ৰাস্তাটোৰ কথা ২০১৫ চনৰ মে মাহত যোৰহাটৰ এখন মিটিঙলৈ কেন্দ্ৰীয় মন্ত্ৰী নিতিন গাডকাৰী আহিছিল। তেওঁ যেতিয়া তাত আধাৰশিলা স্থাপন কৰোতে কৈছিল যে, এই ৰাস্তাটো চাৰি বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ যাব । আজি প্ৰায় ৯ বছৰ হ'বৰ হ'ল এতিয়াও এই ৰাস্তাটো সম্পূৰ্ণ হোৱা নাই । ২০২৩ চনৰ ৩১ আক্টোবৰত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে গুৱাহাটীলৈ আকৌ আহিল তেতিয়া সাংবাদিকে সুধিলে যে এই ৰাস্তাটো কেতিয়া সম্পূৰ্ণ হ'ব , তেতিয়া তেওঁ ক'লে যে, ২০২৪ চনৰ জুন মাহত সম্পূৰ্ণ হ'ব। যোৱা আগষ্ট মাহত হোৱা বিধান সভাত আপোনালোকৰ ৰুলিং পাৰ্টিৰ বিধায়ক এগৰাকীয়ে এইটো ৰেইজড কৰিছিল, তেতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে মাননীয় অধ্যক্ষ মহোদয়লৈ ৰেফাৰ কৰি দিলে যে, তেখেতে নেশ্যনেল হাইৱেৰ অথৰিটি আৰু কনট্ৰেক্টৰ বিলাকক মাতি আলোচনা কৰক। মুখ্যমন্ত্ৰীয়ে দায়িত্বটো নল'লে মোৰ বোধেৰে এই দায়িত্ব মুখ্যমন্ত্ৰীয়ে নিজে ল'ব লাগিছিল কাৰণ এই ৰাস্তাটো মানুহৰ বাবে নৰক যন্ত্ৰণা হৈছে। যমদূতৰ নিচিনাকৈ এক্সিডেন্টত বহুত মানুহ মৰিছে। ইয়াতে আৰু এটা কথা ক'ব বিচাৰো যে, হায়াৰ এডুকেশ্যনৰ ক্ষেত্ৰত এতিয়া যিটো ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ আনিছে তাত কোৱা হৈছে যে ২০৩৫ ৰ ভিতৰত উচ্চ শিক্ষাৰ যিটো গ্ৰছ সেইটোৰ এনৰোলমেন্ট ৰেচিঅ' টো ৫০ শতাংশ কৰিব লাগে । বৰ্তমানে অসমৰ পাৰ্চেন্টটেঞ্জটো মাত্ৰ ১৬.৯ শতাংশ , গ্ৰছ এনৰোলমেন্ট ৰেচিঅ' সেই কাৰণে ছাৰ আমাৰ নৰ্থ ইষ্টৰ্ণ ৰিজিয়নৰ গ্ৰছ এনৰোলমেন্ট ৰেচিঅ'টো এশজন ষ্টুডেন্টৰ এগেইনষ্টে ওলায় । সেইমতে নাগালেণ্ডৰ ১৮.৮ শতাংশ ত্ৰিপুৰাত ২০.৯ শতাংশ, মেঘালয়ত ২৫.৪ শতাংশ কিন্তু তাতকৈ বেছি নেশ্যনেল এভাৰেজটো হ'ল ২৭.১ শতাংশ । সেই মতে অৰুণাচলত ৩৬.৫ শতাংশ , মণিপুৰত ৩৫.৮ শতাংশ , মিজোৰামত ৩২.৩ শতাংশ। অল ইণ্ডিয়া চাৰ্ভে অন হায়াৰ এডুকেশ্যন ২৯ জানুৱাৰী - তাত ১৮ৰ পৰা ২৩ বছৰৰ ছাত্ৰ-ছাত্ৰীৰ এক লাখৰ বিপৰীতে পাৰ্চেন্টটেঞ্জটো বহু ক'ম, মাত্ৰ ৩১ শতাংশ । উপাধ্যক্ষ মহোদয়, অসমত আমাৰ বিদ্যালয়ৰ সংখ্যা বহুত ক'ম আৰু মহাবিদ্যালয় মাত্ৰ ১৬ খন কিন্তু অন্যান্য ৰাজ্যত ইয়াতকৈ বহু বেছি । ৬২, ৫৩, ৪৯ এনেধৰণৰ । গতিকে এই দিশটো চৰকাৰে চাব লাগে। তাৰ পিছত ছাৰ, চৰকাৰে গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড গঠন কৰিলে আৰু গুৱাহাটী আৱৰ্জ্জনামুক্ত কৰিবৰ কাৰণে ৩৪৪.৬৪ কোটি টকা খৰছ কৰিছে । গুৱাহাটীখন উত্তৰ পূৰ্ব্বাঞ্চলৰ দুৱাৰমুখ । দক্ষিণপূৱ এছিয়াৰ দুৱাৰমুখ। স্মাৰ্ট চিটি লিমিটেডে ৩৪৪ কোটি টকা খৰছ কৰাৰ পিছতো স্বচ্ছ সৰ্বেক্ষণ এৱাৰ্ড অলপতে ঘোষণা হ'ল। এইটো এৱাৰ্ড কেন্দ্ৰীয় চৰকাৰৰ নগৰ মন্ত্ৰালয়ে প্ৰতি বছৰে ঘোষণা কৰে। গোটেই দেশৰ ভিতৰত অসমৰ স্থান তালিকাত ২০ নং। আমি বহু পিছ পৰি আছো। আমাৰ ৰাজধানীবিলাকৰ মাজতো কম্পিটিশ্যন হয় । ৰাজধানীবিলাকৰ ভিতৰত গুৱাহাটীৰ স্থান ছাৰ ৩১ নং স্থান । কন্টিনোৱাচলী ইন্দোৰ চহৰে ৬ বছৰৰ পৰা ক্লিন চিটি হিচাপে এৱাৰ্ড পাই আছে। কিন্তু গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড গঠন হোৱাৰ পিছতো অসমে কিন্তু এৱাৰ্ড ল'ব পৰা নাই। এইটো মোৰ নিজৰ কথা নহয় আপোনালোকে চাব অসমীয়া প্ৰতিদিন কাকতৰ প্ৰথম পৃষ্ঠাত ১২ জানুৱাৰীত ক্লিনচিটি লিষ্ট ওলোৱাৰ

পিছত কি নিউজ ওলাইছিল। “ লজ্জা - স্বচ্ছতাত দেশৰ ভিতৰত ২০ নম্বৰত অসম ”। লজ্জা মানে লাজ লগা । আৰু আছাম ট্ৰিবিউন কাকতৰ তেৰ জানুৱাৰীৰ এডিট'ৰিয়েলত এই ৰিজাল্ট ওলোৱাৰ পিছত লিখিছিলে ‘ ডাৰ্টি ষ্টেট- ডাৰ্টি চিটি ’ । এই কাৰণে চৰকাৰে গুৰুত্ব দিব বুলি মই আশা কৰিছো । তাৰোপৰি ছাৰ , চৰকাৰে আটাইতকৈ বেছি নেগলেক্ট কৰিছে শক্তি খণ্ডক। আমাৰ বিদ্যুৎ উৎপাদন বঢ়াবৰ বাবে চৰকাৰে যিটো চেষ্টা কৰিছে কিন্তু চাকচেচ হোৱা নাই এতিয়ালৈকে। যিবিলাক প্ৰজেক্ট চলি আছে এইবিলাকো বহু লেহেমীয়া হৈছে ।

গতিকে ছাৰ এইটোত চৰকাৰে গুৰুত্ব দিব । অসমক প্ৰতিদিনে ২৪০০ মেগাৱাট বিদ্যুৎ লাগে । কিন্তু আমাৰ নিজৰ প্ৰডাকশ্যন মাত্ৰ ৪০০ মেগাৱাট ।নৱীকৰণযোগ্য শক্তিত এতিয়া চেন্ট্ৰেল গৰ্ভমেন্টে খুৱ জোৰ দিছে তাতো আমাৰ পাৰ্চেন্টটেঞ্জ ২৫.৩ শতাংশহে পাওঁ তাৰ পৰা আৰু যিটো চোলাৰ এনাৰ্জী তাত আমাৰ পাৰ্চেন্টটেঞ্জ খুৱ ক'ম । এতিয়ালৈ আমি অসমে মাত্ৰ ২৫০ মেগাৱাটহে আহৰণ কৰিব পাৰিছো । এইটোত চৰকাৰে গুৰুত্ব দিয়া নাই । সেই কাৰণে আজি চৰকাৰে যিটো বাজেট কৰিছে যেনেকৈ ডেভল'পমেন্ট অৰিয়েন্টেড হ'ব লাগিছিল বা ইনফ্ৰাচষ্ট্ৰাকচাৰ অৰিয়েন্টেড হ'ব লাগিছিল তেনেকৈ বাজেটটো হোৱা নাই । এই বাজেটত আপোনালোকে বিছভাগ হিতাধিকাৰীৰ ওপৰত গুৰুত্ব দিছে । অনুদানৰ ওপৰত গুৰুত্ব দিছে । এনেকুৱা যিটো কৰিছে এতিয়া নহ'ব পাৰে ভবিষ্যতে কিন্তু অসমৰ অৰ্থনীতিত এনেকুৱা বাজেট কিন্তু এটা বেয়া প্ৰভাৱ পেলাব বুলি মই ভাবো । ধন্যবাদ ছাৰ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই এটা সৰু ক্লেৰিফিকেশ্যন দিও, বাকী উত্তৰ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে দিব। যিটো হায়াৰ এডুকেশ্যন চাৰ্ভেৰ কথা ক'লে যোৱাবাৰ অসমৰ ১৩০ খন কলেজে তাত পাৰ্টিচিপেটে নকৰিলে আৰু মেঘালয় আৰু অৰুণাচলৰ লগত এই কাৰণে তুলনা নহয় এই কাৰণে যে যেতিয়া পাৰ্চেন্টটেঞ্জ উলিয়াও তেওঁলোকৰ পপুলেশ্যন ২০ লাখ আমাৰ পপুলেশ্যন ৩ কোটি ৬০ লাখ । জনসংখ্যাৰ বোজাটোৱে অসমত গোটেই ষ্টেটিকচ্‌বিলাক ইফাল সিফাল কৰি দিয়ে । কাৰণ যেতিয়া আমি পাৰ্চেন্টটেঞ্জ উলিয়াও জনসংখ্যা ভাৰচেছ ষ্টুডেন্ট । গতিকে এই বিষয়টো মই সদায় হাউচত কৈ আহিছো যে আমি চিম্পটমচত এটেক কৰি থাকিলে নহ'ব ৰোগটোক এটেক কৰিব লাগিব । অসমৰ এই ৰোগটোৱে হৈছে জনসংখ্যা । যি নহওক এইবাৰ হায়াৰ এডুকেশ্যন চাৰ্ভেত সকলোৱে খুৱ ভালকৈ পাৰ্টিচিপেট কৰিছে আৰু অহা বছৰ যিটো আমাৰ পাৰ্চেন্টটেঞ্জ ওলাব মই ভাবো -we will around the national average আমি ২০২৩-২০২৪ পামগৈ কাৰণ ১৩০ কলেজৰ ডাটা তাত আপলোডেই হোৱা নাই। এইবিলাক আগৰে পৰাই গুৰুত্ব দিয়া নাছিল। যোৱাকালি মই নিজে ৩৫০ কলেজৰ প্ৰিঞ্চিপালৰ লগত এই বিষয়টোৰ ওপৰত মিটিং কৰিছো । নোডেল অফিচাৰ এপইন্ট কৰাইছো। অহা বছৰ এই ডাটাটো কাৰেক্ট হৈ যাব। দ্বিতীয়তে ,‘স্বচ্ছ সৰ্বেক্ষণত ’ লজ্জা বুলি যিটো লিখিছে ‘ লজ্জা অসম চৰকাৰ’ বুলি লিখা নাই । জাতিটোৰ কাৰণে লজ্জা । কাৰণ আমি হাউচ টু হাউচ গাৰবেজ কালেকশ্যন যোগ নিদিওঁ। in Indore that is a public movement ৰাইজে ৰাতিপুৱাই উঠিব , পেকেটত জমা দিব , পেকেটতো লৈ যাব আৰু পেকেটত গাৰবেজ জমা দিয়ে বাবে They pay fees- hundred rupees , hundred fifty rupees আমাৰ ইয়াত জাৰৰ পেলাৱৰ বাবেও মই পইছা দিম নেকি ? এনেকুৱা ভাৱ গতিকে এনেকুৱা কাৰণত জাতীয় সচেতনতাৰ যিটো প্ৰয়োজন সেইটো নাই , গতিকে লজ্জা অসম চৰকাৰ নহয় ,

অসম চৰকাৰে যি কৰিব লাগে সেইটোতো কৰি দিলে যে কেনেকৈ আমি গাৰবেজ ডিছপোজেল কৰিব লাগে , কি কেনেকৈ কৰিব লাগে সেই কাৰণে ইলেকশ্যনৰ পিছত মইও গুৱাহাটীৰ ৱাৰ্ডে ৱাৰ্ডে ঘূৰিম যাতে ৰাইজক আমি অনুপ্ৰাণিত কৰিব পাৰো যে গাৰবেজবিলাক ডিছপোজ কৰক। অসমত এটা প্ৰপাৰ চিটিজেন মুভমেন্টৰ বহুত প্ৰয়োজন আছে বহু ক্ষেত্ৰত। সেই কাৰণে আমি চেষ্টা কৰিব লাগে অসমত কলেজৰ সমস্যা নাই এইবাৰ দহ খন নতুন কলেজ হৈছে । আমি কলেজ বনাই আছো কিন্তু এডমিশ্যনৰ বাবে ষ্টুডেন্টে পোৱা নাই । সেই কাৰণে 'নিযুত মইনা' ৰ দৰে আমি এইবাৰ আঁচনি দিছো যাতে ষ্টুডেন্ট আহিব পাৰে । যিবিলাক সমস্যাৰ কথা কোৱা হৈছে এইবিলাক সমস্যাৰ ওপৰত আমি ৰেচপঞ্জ কৰিছো আৰু বাজেটখনেই তাৰ উত্তৰ । ' নিযুত মইনা ' হিতাধিকাৰী সৃষ্টিক কাৰণে কৰা হোৱা নাই। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই কোৱাটোৱেই তাৰ উত্তৰ যাতে উচ্চ শিক্ষাত আমাৰ ছাত্ৰ-ছাত্ৰী বেছিকৈ যায়। সেইকাৰণে আমি 'নিজোত মইনা' কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ভূৰন পেগু ডাঙৰীয়াই কওঁক।

**শ্ৰী ভূৰন পেগু, (জোনাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানী বাইদেউৱে যোৱাকালি যি বাজেট দাখিল কৰিলে, তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো আৰু লগতে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱে সন্মুখৰ পৰা নেতৃত্ব দি এখন নতুন অসম গঢ়াৰ বাবে যি পৰিকল্পনা লৈছে, তাৰ বাবে তেখেতকো ধন্যবাদ জনাইছো। যিখিনি কথা বিৰোধীয়ে উত্থাপন কৰিছে আৰু ডিবেট হৈছে, মই ক'ব বিচাৰিছো যে অসমত সমস্যা নোহোৱা নহয়। অসমত সমস্যা বহুত আছে। ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰ পিছতো বহু সমস্যাৰ কথা এতিয়াও আলোচনা কৰি আছো। কিন্তু ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰৰ ৬৫ বছৰ কোনে ৰাজত্ব কৰিলে আৰু ৬৫ বছৰে নোৱাৰা কাম, যিখিনি সমস্যাৰ সৃষ্টি কৰি থৈ গ'ল, সমাধান নকৰাকৈ থৈ গ'ল, সেইখিনি আমি সমাধান কৰিবলৈ চেষ্টা কৰিছো। এটা সময় আছিল, যিফালে আলোচনা কৰো, সেইফালেই সমস্যা আছিল। সমাধানৰ কোনো ৰাস্তা নাছিল। ৰাস্তা, চাউল, ৰেচন কাৰ্ড, ঘৰ, মাটিৰ পট্টা, মাটিৰ চাৰ্ভে, মেডিকেল কলেজ আদি লাগে বুলি ক'লে আন্দোলন হয়। আমাৰ জেনেৰেচনটো বিশেষকৈ চকুত কি ভাঁহি থাকে-টাইয়াৰ জ্বলোৱা, হাজাৰ হাজাৰ মানুহ পথলৈ ওলাই অহা, অফিচে অফিচে ধৰ্ণা, ঘেৰাও কাৰ্য্যসূচী, বানপানী, মথাউৰি, গড়াখহনীয়া ৰোধ কৰাৰ বাবে আন্দোলন কৰা, গঁড় হত্যা হৈছে তাৰ বিৰুদ্ধে আন্দোলন কৰা। বনাঞ্চল সুৰক্ষিত কৰাৰ বাবে আন্দোলন কৰা। বহু বছৰলৈ আমি আন্দোলন প্ৰতিবাদ আদিৰ পৰিৱেশৰ মাজত জীয়াই আছিলো। যোৱা ৯ বছৰ ধৰি অসমত যিখিনি পৰিৱৰ্তন হৈছে আৰু বিশেষকৈ যোৱা ২ বছৰ যদি আমি চাওঁ, সেই আন্দোলনৰ পৰিৱেশৰ পৰা আমি ওলাই আহি সমস্যাবোৰ সমাধান কৰাৰ পথলৈ আমি আহিছো। এতিয়া ৰেচন কাৰ্ডৰ বাবে আন্দোলন কৰিব নালাগে। বছৰি ৪ লাখ টকাতকৈ যিসকলৰ কম আয়, সকলোৱে ৰেচনকাৰ্ড পাব। মহিলা আত্ম সহায়ক গোটৰ ক্ষেত্ৰত এটা সময়ত কংগ্ৰেছৰ দিনত দেখিছিলো যে নিৰ্বাচনৰ সময়ত মহিলা আত্মসহায়ক গোটসমূহক চাৰি-পাঁচ হাজাৰ টকাকৈ দিয়ে আৰু তেওঁলোকে ঘূৰি যোৱাৰ সময়ত তিনি শ চাৰি শ টকাক লৈ কাজিয়া কৰে। এতিয়া এনেকুৱা পৰিস্থিতি ক'তো নাপায়। এতিয়া পঁচিশ হাজাৰ , পঞ্চাশ হাজাৰ আৰু লাখ পতি বাইদেউৰ কথা আলোচনা হয়। গোট হিচাবে নহয়। প্ৰত্যেক গৰাকী মহিলাই পঁচিশ হাজাৰ টকাকৈ পাব আৰু তাৰে চাৰে বাৰ হাজাৰ টকা তেওঁলোকে বেংকত সুঁত দিয়াৰ পিছত আমি দিম। সপোনতো ভাবিব নোৱাৰা এটা পৰিৱেশ আহিছে। প্ৰত্যেক মাহৰ দহ তাৰিখে অৰুণোদয়ৰ পইচা একাউন্টত

সোমায়। ইয়াৰ দ্বাৰা গাওঁত থকা বহু মহিলাৰ সহায় হৈছে। আগতে অৰুণোদয় নাই পোৱা বুলি এটা প্ৰতিবাদ হৈছিল। এতিয়া এটা বিশ্বনাথ চাৰিআলি আৰু চৰাইদেউত এটা পাইলট প্ৰজেক্ট হ'ব, য'ত ৰেচনকাৰ্ড থকা সকলো মহিলাকে অৰুণোদয় দিয়াৰ কথা কোৱা হৈছে। ভৰত নৰহ ডাঙৰীয়াই কৈছে যে দুখীয়া মানুহ আছে নেকি? চাউল যে লৈ আছে। ৬৫ বছৰে আপোনালোকে ভাল কাম কৰা হ'লে আমি এইখিনি দিবলগীয়া নহ'লহেঁতেন। ৬৫ বছৰে কোনোবা এখন চৰকাৰে যদি ভাল কাম কৰিলেহেঁতেন আজি ৭৫ বছৰ পিছত আমি এইবোৰ কথা চিন্তা কৰিবলগীয়া নহ'লহেঁতেন। আপোনালোকে মানুহখিনিক তাচ্ছিল্য কৰি আছে। আপোনালোকে পৃথিৱীৰ উন্নত ৰাষ্ট্ৰৰ ইউৰোপ, জাপান, আমেৰিকা আদিৰ বাজেটসমূহ চাওঁক। আমি এখন উন্নয়ণকামী ৰাজ্য। আমি আমাৰ টেক্সৰ টকা, জনগণৰ খাদ্য সুৰক্ষাৰ বাবে খৰচ কৰো। যাতে খাদ্যৰ অভাৱত কাৰো একো নহয়। আমি স্বাস্থ্য, শিক্ষা আদিৰ সুৰক্ষা দিয়াৰ বাবে চেষ্টা কৰি আছো। আমি ঘৰ দিয়াৰ বাবে চেষ্টা কৰি আছো। স্বাস্থ্যৰ যত্নৰ বাবে ৫ লাখ টকালৈ বিনামূলীয়া কৰাৰ চেষ্টা কৰি আছো। আমি মানুহক কম্বল, আঁঠুৱা, লুঙি, টুপি আদি বিলোৱা নাই। আমি জনগণক মাছ খাবলৈ দিয়া নাই, মাছ ধৰিবলৈ শিকাইছো। আমি তেওঁলোকক নিজে কৰিবলৈ শিকাই আছো। আজি সকলো দিশতে যদি চায়, ৰেচন কাৰ্ডৰ কাৰণে ক'তো হুলস্থূল কৰিব নালাগে, সকলো জনগণেই পাব। স্বাস্থ্যৰ ক্ষেত্ৰত আয়ুষ্মান ভাৰতত ৫ লাখ টকাকৈ বিনামূলীয়া চিকিৎসা পাব। ঘৰৰ ক্ষেত্ৰত আমাৰ সমস্যা আছিল। wating list ত আমাৰ নাম নথকাৰ বাবে, Socio-economic চেনচাচত নাম নথকাৰ বাবে ঘৰ পোৱা নাছিল। সেই সমস্যাটো এতিয়া সমাধান হৈছে। স্কুলবোৰৰ খুব বেয়া অৱস্থা বুলি আমি কৈছিলো। এতিয়া ৩০০ তকৈ অধিক স্কুলত ৮ কোটিতকৈয়ো অধিক টকা দিব। ডাঙৰ ডাঙৰ ব্যক্তিগত বিদ্যালয়তকৈ উন্নত ষ্টেট অব দ্যা আৰ্ট স্কুল হ'ব। অংগনবাড়ী কেন্দ্ৰসমূহ এটা সময়ত চৰাইৰ বাস আছিল। সুন্দৰ সুন্দৰ অংগনবাড়ী কেন্দ্ৰ বনোৱাৰ বাবে পঁচিশ লাখ টকাকৈ দহ হাজাৰ অংগনবাড়ী কেন্দ্ৰক দিয়া হ'ব। বানপানী নিয়ন্ত্ৰণৰ কথা সদায় কওঁ। এতিয়া কেৱল মথাউৰি নিৰ্মাণত বানপানীক আৱদ্ধ নাৰাখি যিখিনি জলাশয় আছে, যিখিনি ডাঙৰ ডাঙৰ বিল আছে, সেইখিনি সংৰক্ষণ কৰাৰ বাবে প্ৰচেষ্টা চলাই আছে। সেইটো বিজ্ঞানসন্মত ভাৱে নতুনধৰণে চোৱা হৈছে। এতিয়া অসমখন নিৰ্মাণৰ সময়, আন্দোলনৰ সময় নহয়। ছাত্ৰ-ছাত্ৰীক স্কুলৰ পৰা লৈ আহি আন্দোলন কৰাৰ সময় নহয়। এতিয়া ছাত্ৰ-ছাত্ৰীসকলক ভালকৈ পঢ়ুৱাৰ চৰকাৰে দিবলগীয়া এক লাখ চাকৰিৰ বাবে প্ৰতিযোগিতা কৰাৰ সময়। নিবনুৱা সকলৰ বাবে কি আছে বুলি সুধিছে। কোনখন চৰকাৰে ভাৰত স্বাধীন হোৱাৰ পিচত অসমৰ ইতিহাসত এক লাখ চাকৰি দুবছৰৰ ভিতৰত দি পাইছিল। ৰেকৰ্ড দেখাওঁক। অহা ছয় মাহ, এবছৰৰ ভিতৰত এক লাখ ত্ৰিশ হাজাৰ চাকৰি হ'ব। এইখন চৰকাৰৰ পাঁচ বছৰ হোৱাই নাই। দুই আঢ়ৈ বছৰ হৈছে। এতিয়া অসম খন নতুনকৈ গঢ়াৰ সময়। সাত-আঠ বছৰত ৰাস্তা দুগুণ হৈ গৈছে। পঁচিশ কিলোমিটাৰৰ পৰা পঞ্চাশ কিলোমিটাৰ হৈছে। মেডিকেল কলেজ সমূহ আপোনালোকে নিজেই দেখিছে। এইবোৰ হোৱা পিছতো মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি-মই যেতিয়া বাহিৰলৈ ফুৰিবলৈ যাওঁ, কোনোবা এখন দেশত যেতিয়া আমি এয়াৰপোৰ্ট বা বিভিন্ন ঠাইসমূহ দেখো, আমি আমাৰ ৰাজ্য বা আমাৰ দেশ এনেকুৱা কিয় নহয় বুলি কওঁ। মানুহে ভেটিকানচিটি কি যায়? তাত ৱৰ্ল্ড ক্লাচ আন্তঃগাঁথনি আছে। আমাৰ কিয় নাই বুলি কয়। আমাক সৰুৰে পৰা শিকোৱা হৈছিল দিল্লীলৈ গ'লে আগ্ৰালৈ গৈ তাজমহলত ফটো উঠি আহিব লাগে। বাহিৰৰ ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰী আহিলে তেওঁলোকৰ পত্নীক লৈ তাত ফটো উঠাটো এটা পৰম্পৰাৰ নিচিনা আছিল। কিন্তু বুৰঞ্জীয়ে কি কয়? তাজমহল কি হয়? কোনোবা এজন ৰজাৰ ৰাণী ঢুকালে

তাৰ এটা প্ৰতীক।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি শেষ কৰক।

**শ্ৰী ভূৰন পেগু (জোনাই)ঃ** তাজমহল কি বস্তু? কোনোবা এজন ৰজাৰ ৰাণী ঢুকালে ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** Please conclude.

**শ্ৰী ভূৰন পেগু (জোনাই)ঃ** চাৰ দুই মিনিট। তাৰ এটা প্ৰতীক। তাত ভাৰতীয় সভ্যতা, সংস্কৃতি, আমাৰ শিপাৰ কি পৰিচয় আছিল? ভাৰতীয় সভ্যতাৰ প্ৰতীক, আমাৰ স্বাভিমান, আমাৰ বিশ্বাস, আমাৰ ভগৱান ৰামক প্ৰতিষ্ঠা কৰি ৫০০ বছৰৰ পুৰণি ইতিহাস rewrite কৰাৰ বাবে মই আমাৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাইছো। এতিয়া ভাৰতবৰ্ষলৈ বিশ্বৰ কোনোবা যদি আহে তেন্তে অযোধ্যালৈ আহিব। অযোধ্যা গোটেই চহৰখনেই সলনি হৈ গৈছে। ৰে'ল ষ্টেশ্যন, এয়াৰপৰ্টৰ পৰা নমাৰ লগে লগে এটা বেলেগ পৰিৱেশ। যিকোনো দেশৰ মানুহ ভাৰতলৈ আহি অযোধ্যাৰ ৰাম মন্দিৰক ফটো তোলাটো এতিয়া souvenir হিচাপে প্ৰতিষ্ঠা হ'ব। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ অসমখন কেনেকৈ পিছুৱাই থাকিব। আমাৰ ভক্তিৰ স্থান মা কামাখ্যাত লাখ লাখ বাহিৰৰ মানুহ আহে। ৭৫ বছৰে এই স্থানক Tourist destination বা আমাৰ স্বাভিমানৰ প্ৰতীক হিচাপে গঢ় দিয়াৰ বাবে একো ব্যৱস্থা লোৱা নাছিল। কিন্তু এইবাৰ বাজেটত ৪৯৮ কোটি টকা ধাৰ্য কৰি ইয়াক পুনৰ নিৰ্মাণ তথা ইয়াৰ corridor টোক সুন্দৰ ভাৱে নিৰ্মাণ কৰি world class infrastructure provide কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। উপাধ্যক্ষ মহোদয়, এয়াৰপৰ্টৰ পৰা গুৱাহাটীলৈ আহোতে দীপৰ বিল পাওঁ। দীপৰ বিলক লৈ আমাৰ সতীৰ্থ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কিমান যুঁজিলে আৰু আমিও অলপ শিক্ষিত, সভ্য মানুহ হিচাপে কেতিয়াবা ভাৱো যে আমাৰ ইমান ডাঙৰ water body গুৱাহাটীত আছে, আমি ইয়াক কিদৰে world class systemত উন্নয়ন কৰা যায়। এই ক্ষেত্ৰত আমি ভৰাৰ বাহিৰে একো কৰিব নোৱাৰো। আমি বেলেগ ঠাইত দেখো পুখুৰী, বিলৰ পাৰত cycle track, walking zone থাকে, এটি সুন্দৰ tourist spot। এই দীপৰ বিলকো সুন্দৰভাৱে গঢ়ি তুলিবলৈ ১০০ কোটি টকা দিছে। তাত ৩২ কিঃমিঃ cycle track, walking zone, green area হ'ব। আমাৰ এয়াৰপৰ্টৰ পৰা নমাৰ লগে লগে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যটকে দেখি ক'ব- বাঃ কি সুন্দৰ ঠাই! তাৰ পিছত তেওঁলোক কামাখ্যালৈ যাব। ইয়াৰ পৰা তেওঁলোকে এটা সুন্দৰ স্মৃতি ঘূৰাই লৈ যাব। উপাধ্যক্ষ মহোদয়, আমাৰ AIIMS হৈছে, ২৫-২৬ খন আৰু মেডিকেল কলেজ হৈছে। কিন্তু, GMCHক উন্নত কৰাৰ বাবে ৩৫০০ কোটি টকা দি modern medical facilityৰ সৈতে এক world class infrastructure provide কৰাৰ বাবে চেষ্টা কৰা হৈছে। মই হায়াৰ ছেকেণ্ডাৰীৰ পৰা কটন কলেজত পঢ়ি থকা সময়ত নেহৰু ষ্টেডিয়ামত খেলো, দৌৰো। তেতিয়া মই ভাৱিছিলো যে এই ষ্টেডিয়ামখন এনেকৈয়ে থাকিব নেকি? কিন্তু, এইবাৰ ইয়াতো ৩৫০ কোটি টকা দি তাক world class football stadium গঢ় দিয়াৰ বাবে চেষ্টা কৰিছে। ইয়াৰোপৰি, চন্দ্ৰপুৰতো world class stadium গঢ়াৰ বাবে পুঁজি ধাৰ্য কৰিছে। ইয়াৰ পিছত যেতিয়া বাহিৰা মানুহ আমাৰ ইয়াত আহিব তেতিয়া তেওঁলোকে ক'ব আমাৰ sports facility, medical facility একদম ওপৰত। আগতে শ্বহীদ কনকলতাক লৈ কিমান চৰ্চা হৈছিল, কিন্তু গহপুৰত আজিলৈকে ..... interruptions....

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ দুই মিনিট শেষ হৈছে। Please conclude.

**শ্ৰী ভূৰন পেগু (জোনাই)ঃ** আৰু মাত্ৰ ৩০ ছেকেণ্ড ল'ম। ৫৫০ কোটি টকা দি এখন World class University হ'ব। এইবোৰ development নহয় যদি, কি হয়? আমাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ গোটেই পৃথিৱীৰ পৰ্য্যটক আহে। কংগ্ৰেছ চৰকাৰৰ দিনত কি হ'ল? উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ চৰকাৰৰ দিনত কাজিৰঙাক লৈ আলোচনা হয় যে আজি কেইটা গঁড় মাৰিলে । আনহাতে বেদখলকাৰীয়ে কাজিৰঙা দখল কৰি শেষেই কৰিলেহেঁতেন। এতিয়া তাত ৮৮৬ কোটি টকা খৰচ কৰি Kaziranga Natural History Museum পতাৰ কাৰণে প্ৰচেষ্টা চলোৱা হৈছে। আমাৰ গুৱাহাটী চিৰিয়াখানাত ৩১১ কোটি টকা খৰচ কৰি নতুন এটা পৰিৱেশ দিয়াৰ চেষ্টা কৰা হৈছে। এইটো হ'ল নতুন অসমৰ প্ৰতীক। সেই কাৰণে মই বিৰোধীক আহ্বান জনাইছো যে আপোনালোকে অন্ততঃ এইখিনি কথা সমৰ্থন কৰক আৰু এতিয়া টায়াৰ জ্বলোৱা সংস্কৃতিটো বন্ধ কৰক, আন্দোলনটো বন্ধ কৰক। এটা সময়ত কৃষকৰ নামত কিবা এটা সংগঠন চলিছিল, এতিয়া সেই সংগঠনৰ প্ৰতিবাদ নাইকিয়া হ'ল কিয়নো আমি এতিয়া মিছ্‌ন বসুন্ধৰাত মাটিৰ পট্টা দিয়েই আছো। কৃষকে এতিয়া MSP ত ২২০০ টকাত ধান কিনি আছে। বেপাৰীয়ে এতিয়া ২৫০০ টকা পাই আছে। গতিকে মই ভাৱো এতিয়া আন্দোলনৰ পৰিৱেশৰ পৰা ওলাই আহি এই অসমখনক নিৰ্মাণ, সমাধান আৰু নতুন অসম গঢ়াৰ কাৰণে এই বাজেটখনক সমৰ্থন কৰাৰ বাবে মই আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়াই ইয়াত কালি যিটো বাজেট উপস্থাপন কৰিলে, সেইখন যদিও অন্তঃসাৰ শূন্য, নিৰাশাব্যঞ্জক আৰু অযোধ্যামুখী বাজেট, মই তেখেতক বাজেট এখন দিয়াৰ বাবে ধন্যবাদ কৰিলো। এই বাজেটখনৰ যিটো spirit আমি দেখা পালো সেই spiritত আৰু এতিয়াও শাসকীয় দলৰ সদস্যসকলক গুণ গান গাই থকা দেখিলো অযোধ্যাৰ। আমাৰ বাজেট। অযোধ্যাখন কিমান ধুনীয়া হ'ল, কিমান সুন্দৰ হ'ল! গতিকে অযোধ্যামুখী বাজেট দিয়াৰ বাবে মই বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিলো আৰু শাসকীয় দলৰ spirit টোক মই সন্মান জনালো। যিয়েই নহওঁক আমি ভাৱিছিলো আমাৰ বাজেটত গুৱাহাটী, বৰদোৱা, বৰপেটা বা অসমৰ যি সংস্কৃতি আছে তাৰ বৰ্ণনা থাকিব, এই বাজেটখন যে অযোধ্যা কেন্দ্ৰিক হ'ব সেই কথাটো শাসকীয় দলৰ বক্তব্যৰ পৰা জানিব পাৰিলো। গতিকে, উপাধ্যক্ষ মহোদয়, দুদিন পিছত এনেকুৱা অৱস্থা আহি আছে যে আমি উত্তৰ প্ৰদেশৰ বাজেটখনক আমি অলপ কমাই কমাই ধৰিম। যোগী আদিত্যনাথে যদি এনেকৈ ধৰিছে বা ধৰা নাই, আমি কিয়নো ধৰিম। এই যে অন্ধ অনুকৰণটো, দুদিন পিছত এনেকুৱা নহ'লে হ'ল যে আমাৰ অসমখনক উত্তৰ প্ৰদেশত চামিল কৰি নিদিলে হ'ল। উত্তৰ প্ৰদেশৰ বাজেটত আমি নাথাকিলে হ'ল। এই বাজেটখন অতি নিৰাশাব্যঞ্জক বাজেট। মই যোৱা পাঁচ বছৰৰ বাজেট compare কৰি চাই দেখিছো যে যোৱা পাঁচ বছৰৰ পূৰ্বেও থকা কিছুমান কথা আমাৰ এই বাজেটত বিত্ত মন্ত্ৰী মহোদয়াই আনিছে। মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলনৰ বাবে বাজেটত ধন ধাৰ্য কৰা হৈছে। মানে মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন চৰকাৰী ধনেৰে কৰিব। মুখ্যমন্ত্ৰীৰ বক্তৃতাবিলাক সদায় বিজেপি দলৰ এটা নিৰ্বাচনী প্ৰচাৰ। গতিকে বাজেটৰ টকাৰে মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন প্ৰকাশ কৰি অসমৰ মানুহৰ আগত প্ৰচাৰ কৰিব আৰু এনেদৰে বিজেপিৰ এটা নিৰ্বাচনী প্ৰচাৰ হ'ব। এই বাজেটত চাওঁক- ৫ হাজাৰ হেক্টৰ ভূমি বেদখলমুক্ত কৰাৰ প্ৰতিশ্ৰুতি আছে, সেইটো আমি ভাল পাইছো। কিন্তু কিমান হাজাৰ হেক্টৰ ভূমি নদীৰ গৰাখহনীয়াত গ'ল আৰু নতুনকৈ গৈ আছে সেইখিনি পুনৰুদ্ধাৰ কৰাৰ এটাও শব্দ নাই এইখন বাজেটত। এই বেদখলখিনি

কিয় হৈ আছে? আজি নদীৰ গৰাখহনীয়াত যে হাজাৰ হাজাৰ হেক্টৰ মাটি নদীত বিলীন হৈ আছে, তাৰ ফলত সেই মানুহখিনি গৈ ক'ৰবাত বহে আৰু তাত বেদখল হয়। মানুহখিনিক উচ্ছেদ কৰিব লাগে কিন্তু বিকল্প সংস্থাপনৰ এটা শব্দও এই বাজেটখনত নাই।

(Hon’ble Chairman Shri Bhuban Pegu in the Chair)

সভাপতি মহোদয়, মই আচৰিত হ'লো যে আজি যিসকল মানুহ গৰাখহনীয়াত আক্ৰাত হৈ বেদখল হ'ল, তেওঁলোক মানুহ, তেওঁলোকৰ ল'ৰা-ছোৱালী আছে, তেওঁলোকৰ জীয়াই থকাৰ অধিকাৰ আছে, তেওঁলোকৰ মূৰত এটা ছাঁ বা এখন ছাল থকাৰ বাবে অধিকাৰ আছে। অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজনীয়তা তেওঁলোকৰো আছে। কিন্তু, বিত্ত মন্ত্ৰীৰ অকণমানো সহানুভূতি...

(Hon'ble Member Shri Bhuban Pegu in the chair)

নোপজিল যে এই মানুহখিনিৰ কাৰণে কিবা এটা চিন্তা কৰো। আজি নিৰুপায় হৈ তেওঁলোকে তাত বহিছিল কিন্তু তেওঁলোকক তাত বেদখলমুক্ত কৰাৰ কাৰণে উচ্ছেদ কৰা হৈছে।

সভাপতি মহোদয়, আজি এইখন বাজেটত শিক্ষাখণ্ডত আমি একো প্ৰতিশ্ৰুতি নাপালো।২৮৫ গৰাকী tutor য়ে তেওঁলোকৰ সকলোখিনি criteria fulfill কৰি আবেদন কৰিছে যে তেওঁলোকে শিক্ষকৰ মৰ্য্যাদা পাব লাগে। কিন্তু বছৰ বছৰ ধৰি তেওঁলোকে verification ৰ নামত পাৰ কৰিবলগা হৈছে। হয়তো retirement লৈকে এনেকৈয়ে পাৰ কৰিবলগীয়া হ'ব। এইখন বাজেটত বিজ্ঞান শিক্ষক, বঞ্চিত হিন্দী, আৰবী শিক্ষক তেওঁলোকৰ যে পদ আদিলৈকে পূৰণ কৰা নাই তাৰ ওপৰত এটাও শব্দ ইয়াত উল্লেখ কৰা নাই। নিৰাশাজনক এখন বাজেট।

সভাপতি মহোদয়, গাওঁবুঢ়া সকলে তেওঁলোকৰ দৰমহা ১০,০০০ ৰ পৰা ২৭,৫০০ কৰাৰ কাৰণে কিমান দিন দাবী কৰি আছে। এই বাজেটত কিন্তু তাৰ প্ৰতিশ্ৰুতি দিয়া হোৱা নাই। মণ্ডল interview ত যিসকল নিৰ্বাচিত হৈ আছিল, আজিলৈকে তাৰ নিযুক্তি দিয়া নাই। মাত্ৰ ১ লাখ বা ১ লাখ ৩০ হাজাৰৰ গুনগান গায়। কিন্তু দুবছৰ পাৰ হৈ যোৱাৰ পাছতো selected candidate বিলাক আজিলৈকে list বনোৱা নাই। এই কথাটো বাজেটত উল্লেখ নাই।

বিত্ত মন্ত্ৰী গৰাকীয়ে বুৰ যোৱা শ্ৰেণীৰ লোকসকলৰ EWS যিটো system উঠাই দিলে, সেইটো আমি বাৰে বাৰে দাবী কৰি আছিলো আৰু আমি ভাৱিছিলো যে economically weaker section ৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থাটো পুনৰ থাকিব, কিন্তু এই কথাটো উল্লেখ কৰা নাই। কাৰণ এই চৰকাৰে যদি সবকা সাথ সবকা বিকাশ বুলি কয়, কিন্তু যিসকল পুঁজিপতি শ্ৰেণীৰ লোক আছে তেওঁলোকে সদায়, এটা শ্ৰেণীৰ লোক সদায় economically weak হৈ থকাটো বিচাৰে কাৰণ তেতিয়া তেওঁলোকে সস্তীয়া শ্ৰমিক পাব আৰু তেওঁলোকক খটুৱাই তেওঁলোকে আৰু বেছি ধনী হ'ব পাৰিব। গতিকে তেওঁলোকৰ হেঁচাত চৰকাৰে যে EWS যিটো reservation টো উঠাই ল'লে আৰু আমি দাবী কৰাৰ পাছতো বাজেটত সন্নিবিষ্ট নকৰিলে, কাৰণ পুঁজিপতি সকলে বেয়া পাব। চৰকাৰে তেওঁলোকৰ স্বাৰ্থত কাম কৰি আছে।

মাননীয় সভাপতি মহোদয়,জনজাতি পৰিক্ৰমাৰ কাৰণে ৬৪৬.০৮ কোটি টকা দিছে আমি ভাল পাইছো। আৰু বেছি পইচা দিব লাগিছিল। চাহ জনজাতি সকলৰ কাৰণে ৩০৫.৪৫ কোটি টকা দিছে। আমি ভাল পাইছো। কিন্তু সংখ্যালঘু কল্যাণৰ কাৰণে ৯১.৬৭ কোটি টকা দিছে। সংখ্যালঘুত কেবল মুছলমান নহ য়, বৌদ্ধিষ্ট, শিখ, জৈন, খ্ৰীষ্ট্ৰান এই সকলোবিলাক ধৰ্মৰ লোক সংখ্যালঘু। অসমত ডেৰ কোটিতকৈও অধিক সংখ্যালঘু লোক আছে আৰু বাজেটত মাত্ৰ ৯১.৬৭ কোটি টকা ধৰা হৈছে। পূৰ্বতে তৰুণ গগৈ চৰকাৰৰ দিনতো আমি দেখিছিলো যে ১৩কোটি, ১৯

কোটি, ২১ কোটি এনেকৈ ধৰা হৈছিল। এতিয়া এই পৰিৱৰ্তনকামী চৰকাৰ আহিল, তাৰ পিছতো যদি ডেৰ কোটিতকৈও অধিক সংখ্যালঘু লোকৰ কাৰণে মাত্ৰ ৯১.৬৭ কোটি ধৰে, তেনেহ'লে পৰিৱৰ্তনৰ নামত চৰকাৰ আহি কংগ্ৰেছে যি কৰিছিল বি জে পি ও সেই একেই কৰিব। পাৰ্থক্য কত থাকিল ? কংগ্ৰেছেও চৰ-চাপৰিৰ মাটিৰ পট্টাৰ কাৰণে বাজেটত টকা ধৰা নাছিল, বি জে পি ও নধৰে। কংগ্ৰেছ-বি জে পি একেই কিয় ? পাৰ্থক্য কত ? পৰিৱৰ্তনটো আমাৰ দেখুৱাব লাগিব। যদি কংগ্ৰেছৰ দৰেই যায় তেনেহ'লে তেওঁলোকে কোন পৰিৱৰ্তনৰ নামত আহিল, এই কথাবিলাকৰ উত্তৰ আমাক লাগিব। বিত্ত মন্ত্ৰী ডাঙৰীয়াণীৰ পৰা আমি এইটো বিচাৰিম।

মাননীয় সভাপতি মহোদয়, উদ্যোগীকৰণৰ নামত এটা মৃত উদ্যোগ জীৱিত কৰাৰ এটা শব্দ বাজেটত বিচাৰি নাপালো। নতুন উদ্যোগ স্থাপন কৰাৰ এটা প্ৰতিশ্ৰুতি আমি নাপালো। এই যে উদ্যোগবিলাক অসমত মৰি গ'ল, হাজাৰ হাজাৰ শ্ৰমিক আজি নিৱনুৱা হৈ পৰিল, হাজাৰ হাজাৰ কৰ্মচাৰী কৰ্মহীন হ'ল, বহু কৰ্মচাৰীয়ে আত্মহত্যা কৰিছিল জাগীৰোড পেপাৰ মিলৰ, এই কথাবিলাক আমি পাহৰিব পৰা নাই। এই শ্ৰমিকসকলৰ বাবে এটা শব্দ লিখিবলৈ কিয় বিত্ত মন্ত্ৰী গৰাকীৰ কলমৰ চিঞাহী নাথাকিল ? এই কথাটো বিত্ত মন্ত্ৰী ডাঙৰীয়াণীৰ পৰা জানিব বিচাৰিছো।

২০২১-২২ বৰ্ষৰ বাজেটত কোৱা হৈছিল যে এনেধৰণৰ কৃত্ৰিম শুক্ৰানু প্ৰয়োগ কৰিব যাতে ৯০ শতাংশ মাইকী গৰুৰ জন্ম হয় আৰু তেতিয়া দুগ্ধ উৎপাদন বৃদ্ধি পাব। এতিয়া ২০২৪-২৫আহিল কিন্তু আমি দেখিছো যে দমৰা পোৱালী বেছিকৈ হৈ আছে। ৯০ শতাংশ মাইকী গৰু কিয় জন্ম হোৱা নাই, এই কথাটো মই বিত্ত মন্ত্ৰী ডাঙৰীয়াণীৰ পৰা জানিব বিচাৰিছো।

২০২১-২২ বৰ্ষত কৈছিলে যে নামৰূপত এশ মেগাৱাটৰ এটা নতুন গেছভিত্তিক প্ৰজেক্ট কৰা হ'ব। কেইদিনমান আগতে মই তাত গৈছিলো, কিন্তু কতো বিচাৰি নাপালো। চাৰি বছৰ গ'ল। লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ কথা প্ৰত্যেকবাৰ বাজেটত কৈ আছে। বাহিৰৰ পৰা আমি ঋণ লৈ লৈ অসমক আত্মনিৰ্ভৰ কৰি আছো। গতিকে এই আত্মনিৰ্ভৰৰ ফৰমূলাটো আমি নতুনকৈ বিবেচনা কৰিব লাগে। বাহিৰৰ পৰা ঋণ লৈ লৈ অসমক আত্মনিৰ্ভৰ কৰা ফৰমূলাটো সলনি কৰিলে ভাল হ'ব। অসমত বেছি ৰাজহ সৃষ্টি কৰিব লাগিব আৰু কৰ ফাকিৰ সুৰুঙাবিলাক মাৰিব লাগিব।

সভাপতি মহোদয়, এটা কথা ইয়াত ক'ব বিচৰা হৈছে, শ্ৰী ৰামচন্দ্ৰক মহাপুৰুষ শংকৰদেৱে পৰমব্ৰহ্মাৰ পূৰ্ণ অৱতাৰ বুলি গণ্য কৰিছিল। এই কথাটো বাজেটত উল্লেখ কৰিছে। কিন্তু কীৰ্তনঘোষা, নামঘোষা, ভাগৱত মই গোটেই পঢ়িলো, তাত যিমান কৃষ্ণ বন্দনা আছিল তাৰে এটাও শব্দ কিন্তু এই বাজেটত উল্লেখ কৰা নাই। যদি ৰামচন্দ্ৰৰ কথাটো উল্লেখ কৰিছিল কৃষ্ণ বন্দনা যে নামঘোষা, কীৰ্তন ঘোষাত আছিল তাৰ কিয় এটাও শব্দ উল্লেখ কৰা নাই ? তাৰ কাৰণ আছে সভাপতি মহোদয়। মই কাৰণটো কৈছো। এই কাৰণটো হ'ল- বাজেটখন অযোধ্যা কেন্দ্ৰিক হৈছে। যিসকল তীৰ্থ যাত্ৰীয়ে অয়োধ্যা চাবলৈ যাব, তেওঁলোকক বাজেটৰ পৰা পইচা দিয়া হ'ব কিন্তু যিসকলে বৃন্দাবন, মথুৰা বা অন্যান্য স্থানত যাব তেওঁলোকক টকা দিয়া নহয়। ইয়াৰ কাৰণটো মই আপোনাক বুজাই দিব বিচাৰিছো। ইয়াৰ কাৰণটো হ'ল এই যে কোনোবাই কৈ থাকে ৫০০ বছৰৰ ইতিহাস ৰচনা কৰি আমি অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ কৰিলো। ৫০০ বছৰৰ ইতিহাস কি মই আপোনাক জনাই আছো। ৰামচন্দ্ৰই য'ত খেলিছিল তাত গুলেলা মন্দিৰ আছে অযোধ্যাত, য'ত পঢ়াশুনা কৰিছিল তাত বশিষ্ঠ মন্দিৰ আছে। য'ত বহি ৰাজ্য শাসন কৰিছিল তাত পুৰুষোত্তম মন্দিৰ আছে অযোধ্যাত, য'ত বহি আহাৰ গ্ৰহণ কৰিছিল তাত সীতাকা ৰচৈয়া মন্দিৰ আছে অযোধ্যাত। য'ত ভৰত আছিল তাত ভৰত মন্দিৰ আছে অযোধ্যাত, হনুমান মন্দিৰো আছে। কুশ ভৱন আছে, সুমিত্ৰা মন্দিৰো

অযোধ্যাত আছে দশৰথ ভৱনো আছে। এইবিলাক ----হুলস্থুল------

**সভাপতি ঃ** Silent.

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** এই গোটেইবিলাক মন্দিৰৰ ৪০০-৫০০ বছৰৰ পুৰণি ইতিহাস চাব। অৰ্থ্যাৎ মোগলৰ শাসনকালত তাত গুলেলা মন্দিৰ হৈছিল, বশিষ্ঠ মন্দিৰ, পুৰুষোত্তম মন্দিৰ, সীতাকা ৰচৈয়া, ভৰত মন্দিৰ, হনুমান মন্দিৰ, কুশ ভৱন আদি যিমান বিলাক মন্দিৰ হৈছিল গোটেইবিলাক মোগলৰ আমোলত হোৱা মন্দিৰ। মোগলৰ শাসনকালত যদি ইমান কেইটা ৰাম মন্দিৰ হৈছিল আজি তেওঁলোকে ক'ব বিচাৰে যে ৫০০ বছৰ আগত সেইটো ভাঙি দিয়া হৈছিল আমি সেইটো ৰাম মন্দিৰ বনাইছিলো। অযোধ্যাত এতিয়াও ৭ টা মন্দিৰ আছে। য'ত পুৰোহিত সকলে ৰামৰ জন্মভূমি বুলি কয়। ৰামচন্দ্ৰই য'ত বহি খেলিছিল, পঢ়িছিল,য'ত বহি খাইছিল তাত যিবিলাক মন্দিৰ হৈছে গোটেইকেইটা মোগলৰ শাসনকালত হৈছে। ইতিহাস চালে চাব পাৰিব। মোগলৰ শাসনত যদি তাত ইমান বিলাক মন্দিৰ হৈছিল, ৰামচন্দ্ৰৰ স্মৃতি বিজৰিত মন্দিৰ তাত বনাইছিল, এতিয়া তেওঁলোকে ক'ব বিচাৰে ৫০০ বছৰ আগৰ। অৰ্থ্যাৎ উত্তৰ প্ৰদেশৰ যিটো ৰামময় বাজেট বনাইছে, সেই অসমখনক আজি অন্ধ অনুকৰণ কৰি যোগী আদিত্য নাথৰ ৰামময় বাজেট ইয়াত বনোৱাৰ কাৰণে ইয়াত এটা sprit বিত্তমন্ত্ৰী ডাঙৰীয়াণীৰ দেখা পাইছো। যাৰকাৰণে এতিয়া কেবল ৰামমন্দিৰ দৰ্শনৰ কাৰণেহে টকা দিব বাকী তীৰ্থ ভ্ৰমন কৰিলে টকা নিদিয়ে আৰু এটা কথা চাব, যিসকলে যদি অন্যান্য কিবা ভাওনা বা অন্যান্য একাংকী নাট কৰে তাত টকা নিদিয়ে। মাত্ৰ ৰাম নৱমী। -----হুলস্থুল-----মাত্ৰ একাংকী নাটত ৫০০০ টকা বঢ়াই দিব বুলি কৈছে। কিন্তু ৰাম বিজয় অংকীয়া নাটটো বাজেটত উল্লেখ কৰিছে আৰু এইটোতহে খালী টকা দিব। এইটোত টকা দিয়াৰ কাৰণ আছে, কাৰণটো হ'ল-তেওঁলোকে অসমত এটা কথা বুজাব বিচাৰিছে যে আমাৰ চৰকাৰে অসমত ইমান দিনে কি কাম কৰিলে। শিক্ষাখণ্ডত কি সংস্কাৰ কৰিলে, কলেজ-স্কুলৰ নামত কি সংস্কাৰ কৰিলে, স্বাস্থ্যখণ্ডত কি কৰিলে এইবিলাক একো দেখুৱাব নোৱাৰিব। অহা লোকসভা নিৰ্বাচনত একমাত্ৰ ৰাম মন্দিৰ দেখুৱাই ভোট ল'ব বিচাৰিছে। একমাত্ৰ ৰাম মন্দিৰ দেখুৱাই অসমৰ পৰা ভোট সংগ্ৰহ কৰিব বিচাৰিছে। সেই কাৰমে ৰামময় বাজেট একমাত্ৰ অন্ধ অনুপম কৰিছে আমাৰ যোগী আদিত্য নাথে। ইয়াত কৃষ্ণ বন্দনাৰ একো কথা নাই আৰু ইয়াত যদি আমাৰ কৃষ্ণ বা অন্যান্য যি সকল আছে তেতিয়া কথা নাই। আজি হজ যাত্ৰাৰ পইচাটো বন্ধ কৰিছে, হজযাত্ৰাৰ যিটো subsidy দিয়া হৈছিল work for property ৰ টকাৰে।

..................(হুলস্থূল)...............

**সভাপতি (শ্ৰীভূৱন পেগু) ঃ** Silence please.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** সভাপতি মহোদয়, কালি অধ্যক্ষ মহোদয়ে আমাক লৈ মিটিং কৰি বুজাই দিছে যে সদনত কেনেকৈ থাকিব লাগে, সদনৰ নিয়ম নীতি কালি বুজাই দিছে। তাৰ পিছতো শাসকীয়া দলে যদি বুজি পোৱা নাই শাসকীয়া দলৰ কাৰণে আৰু এদিন special training দিয়ক। শাসকীয়া দলে বুজি পোৱা নাই কোনোবাই বক্তব্য ৰাখিলে সদনত কেনে ধৰণে আচৰণ কৰিব লাগে, এই আচৰণ বিলাক তেওঁলোকক অলপ সংশোধন কৰিবলৈ দিব। এতিয়া মই কৈ আছো যে হজ যাত্ৰী সকলৰ কাৰণে যিটো subsidy দিয়া হৈছিল সেইটো আছিল work

for propertyৰ পৰা, work for property ৰ যি ধন সেই ধনৰ পৰা দিয়া হৈছিল আৰু work for propertyৰ যিটো হাজাৰ হাজাৰ কোটি টকা তাৰ পৰা কিন্তু subsidy বন্ধ কৰি দিছে। বৰ্ত্তমান হজযাত্ৰীক চাবচিদি দিয়া নহয়, work for propertyৰ টকাটো এতিয়া আত্মসাৎ কৰি আছে। চৰকাৰে আত্মসাৎ কৰিছে হজযাত্ৰীৰ চাবচিদিটো বন্ধ কৰি দিছে। গতিকে এতিয়া আৰু এটা কতা চাওঁক এই যে ৰামময় বাজেট তেওঁলোকে দিলে মোৰ এই কথাটেৰে আচৰিত লাগিছে যে চৰকাৰে অসমৰ কাৰণে কি কৰিছে সেই অসমৰ কাৰণে কৰা খিনি দেখুৱাই কিয় ভোট সংগ্ৰহ কৰিব পৰা নাই, তেওঁলোকে কিয়া অযোধ্যাৰ ৰাম মন্দিৰক দেখুৱাই আজি অসমত ভোট সংগ্ৰহ কৰিব বিচাৰিছে ইয়াৰ দ্বাৰাই বুজা যায় যে চৰকাৰ ব্যৰ্থ হৈছে, অসমৰ আন্তগাঠনিৰ উন্নয়ন কৰিব পৰা নাই। অসমত তেওঁলোকে উদ্যোগিকৰণ কৰিব পৰা নাই, শিক্ষা খণ্ড, স্বাস্থ্য খণ্ড সকলো ব্যৰ্থ হৈছে। অসমক এখন বিলগ্ৰস্থ এটা পয়ালগা অৰ্থনীতি দিশলৈ ঠেলি দিছে যাৰ কাৰণে এতিয়া যোধ্য-অযোধ্য কৰি তেওঁলোকে ভোট সংগ্ৰহ কৰিব বিচাৰিছে। গতিকে সভাপতি মহোদয়, আপোনাৰ জৰিয়তে আৰু দুটামান কথা মই কব বিচাৰিছো MGNREGA ৰ যিটো টকা ২০২১-২২, ২০২২-২৩ বৰ্ষত খৰচ হয় আজি MGNREGA ৰ এই চলিত বছৰত তাৰ ৫০ শতাংশও খৰচ কৰিব পৰা নাই। MGNREGA ৰ কাম কৰিবলৈ আজি কালি কোনো পি আৰ আৰ মেম্বাৰ আগ বাঢ়ি নাহে।

**সভাপতি (শ্ৰীভূৱন পেগু) ঃ** আপোনাৰ আৰু এক মিনিট আছে।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ সভাপতি মহোদয়, মোক ২০ মিনিট দিয়া আছে। মই এটা কথা বুজাব বিচাৰিছো যে, তেওঁলোকে এটা জানিব লাগে আজি সমগ্ৰ অসমত তেওঁলোকে যিটো উগ্ৰ হিন্দুত্ববাদীৰ এটা সংকীৰ্ণ সাম্প্ৰদায়িক বাতাবৰণ সৃষ্টি কৰিব বিচাৰিছে। বাজেটৰ জৰিয়তে তাৰ আখৰা কৰিছে তাৰ প্ৰতিবাদ আমি কৰিছো আৰু আমি বিচাৰিছো যে আমাৰ অসমৰ যিটো উদাৰ সামাজিক ব্যৱস্থাক সেই উত্তৰ ভাৰতীয় সেই যিটো সাম্প্ৰদায়িক উগ্ৰতা সেইটো যাতে অন্তত আমাৰ অসমত আমাদানি নকৰে ভোটৰ স্বাৰ্থত, এইটোল আপোনাৰ জৰিয়তে আমি দাবি কৰিছো। অন্য এটা কথা কব বিচাৰিছো আজি দিগাম্বৰ আখৰাত যিবিলাক নথিপত্ৰ আছে মই যি কেইটা মন্দিৰৰ নাম কলো অযোধ্যাত তাৰ ভিতৰত ৰজা হুছেইন আলী খানে অগ্ৰবলি মন্দিৰ যিটো অযোধ্যাত আছে, অগ্ৰবলি মন্দিৰত গোটেইকেইটা ইতা কিন্তু ৰজা হুছেইন আলী খানে দিছিল আৰু প্ৰত্যেকটো ইতাত কিন্তু ৭৮৬ লিখা আছে। ৭৮৬ লিখা আছে কাৰণে অগ্ৰবলি মন্দিৰত ৰজা হুছেইন আলী খানে দিছিল। তাত হিন্দু মানুহো যায় মুছলমানো যায়। মুছলমান মানুহে দেখে যে ৭৮৬ গোটেইকেইটা ইতাত লিখা আছে সেই কাৰণে মুছলমান মানুহো তাত যায়। গতিকে সেই ৰামচন্দ্ৰৰ স্মীতিত তাত যিমান মন্দিৰ হৈছে আৰু যিমান কেইটা তাত অনুষ্ঠান হৈছে গোটেই কেইটা ৰজা হুছেইন আলী খান আৰু মোগল সম্ৰাত সকলে তেঁওলোকে হয়তো ভূমি দিছিল নহলে তেওঁলোকে ইতা দিছিল, তেওঁলোকে বনাই দিছিল ৰামচন্দ্ৰৰ স্মীতিত। গতিকে আজি তেওঁলোকে তাত মন্দিৰ নিৰ্মাণ কৰি যিটো এটা মুছলিম বিদ্ৰোহী এটা সাম্প্ৰদায়িক উগ্ৰতাৰ সৃষ্টি কৰাৰ কাৰণে চেষ্টা কৰিছে।

............................(হুলস্থুল)........................

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ সভাপতি মহোদয়, কথা বিলাক কব দিয়া নাই যাতে অসমৰ ৰাইজে শুনিব নোৱাৰে। কাৰণ তেওঁলোকে অসমৰ ৰাইজক মিছা আৰু বিকৃত তথ্যৰে যে সাম্প্ৰদায়িক কৰিব বিচাৰিছে সচাঁ কথা বিলাক কৈ দিলে অসমৰ মানুহে জানিব যে আচলতে

এইবোৰ সাম্প্ৰদায়িক এই ভুল কথা কৈ অসমত এটা মেৰু বিভাজন কৰিব বিচাৰিছে ৰাইজে গম পাই যাব সেই কাৰণে কথা বিলাক যাতে শুনিব নোৱাৰে সেই কাৰণে সদায় হূলস্থুল কৰি থাকে। সচাঁ কথা বিলাক কব নিদিয়ে এই কথা বিলাকত মাননীয় সভাপতি মহোদয় আপোনাৰ interfere বিচাৰিছোঁ। এই যে মই কৈছো ৰজা হুছৈইন আলী খানে যোগান ধৰা ইতাৰে অগ্ৰবলি মন্দিৰ কৰা হৈছিল আৰু তাত দিগম্বৰ আখৰা নথিবিলাকত গোটেই কথা বিলাক লিখা আছে, তাত যিটো জঙ্গবাদী মন্দিৰ সেইটোৰ কাৰণে ২৫২ বিঘা মাটি ঔৰাংজেৱে লিখি দিছিল যিটো প্ৰমাণ আজিও আছে, বি. পাণ্ডে যিজন এলাহাবাদৰ মুনিচিপাল্টি বোৰ্ডৰ চেয়াৰ পাৰচন আছিল তেওঁ গোটেই ভাৰতত ঘুৰি ঘুৰি ২৬৪ টা মন্দিৰৰ পৰা প্ৰমাণ উলিয়াইছিল যে ঔৰাংজেৱে সেই ২৬৪ টা মন্দিৰত ভূমি দিছিল পূজাৰী সকলক separateকৈ ভূমি দিছিল পূজাৰী সকলে যাতে চলি খাব পাৰে। গতিকে এই ঔৰাংজেৱে লিখি দিয়া প্ৰমাণ ২৬৪ টাৰ পৰা বি পাণ্ডে সংগ্ৰহ কৰিছে। এলাহাবাদ পৌৰনিগমৰ তেওঁ সভাপতি আছিল। এই কথা বিলাক আজি তেওঁলোকে প্ৰচাৰ কৰিব লাগিব। কেৱল এই কথাটো কলে নহ'ব ৫০০ বছৰ পুৰণি দাবী ৫০০ বছৰ আগত আযোধ্যাত বাবৰি মজিদ ৰাম মন্দিৰ আছিল বুলি কোনো তথ্য নাই। তুলসি দাসৰ জন্ম হৈছিল ১৫২৮ খ্ৰীঃত। আৰু তেওঁলোকে কব খোজে যে বাবৰে ১৫২৮ খ্ৰীঃত।

**সভাপতি, (শ্ৰীভূৱন পেগু )** ঃ এইটোত মাননীয় সদস্য এইটো expunge কৰিব। তথ্যটো Supreme Court ৰ verdict ৰ পিছত হৈছিল এই কাৰণে তথ্য নাই বুলি কোৱাটো expunge কৰিব। এই কথাটো expunge কৰিব। Supreme Court ৰ verdict টোৰ খুব বেয়া দিশত প্ৰতিশ্ৰুতিৰিটো হ'ব, এইটো শব্দটো আপুনি expunge কৰিব।

(হূলস্থুল)

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মই যিটো কৈছো, মোৰ কথাটোত time till কৰিলে, মোৰ টাইম বঢ়াই দিব লাগিব।

**সভাপতি, (শ্ৰীভূৱন পেগু )** ঃ এইটো expunge কৰিব। Supreme Court ৰ verdict ক সত্য নহয় বুলি কোৱাটো আপুনি expunge কৰিব। এইটো expunge কৰিব।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মই তথ্য নাই বুলি কোৱা নাই।

**সভাপতি (শ্ৰীভূৱন পেগু )** ঃ তথ্যটো সত্য নহয় বুলি কোৱাটো Supreme Court ৰ verdict ৰ, এইটো expunge কৰিব।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মই কৈছো দিগম্বৰ আখৰাত যিবোৰ নথিপত্ৰ আছে সেই নথি পত্ৰত এই যে জঙ্গবাদী মন্দিৰৰ কাৰণে আৰু সীতা ৰেচিঅ'ৰ কাৰণে তথ্য আছে বুলি কৈছো। এইবিলাক এনেই মোক দিক্‌দাৰ কৰি আছে। মই তথ্য নাই বুলি কোৱা নাই, মই সেইটো কৈছো। তাৰ পিছত।

**সভাপতি, (শ্ৰীভূৱন পেগু )** ঃ আপোনাৰ সময় শেষ হৈছে, ২০ মিনিট হৈছে।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মোক অসুবিধা কৰি যি খিনি সময় খৰচ কৰিছে সেইখিনি দিব লাগিব। সচাঁ কথা বিলাক যাতে অসমৰ ৰাইজে গম নাপাই তাৰ কাৰণে মোক অসুবিধা কৰিলে। আজি চাওঁক ইয়াত হস্ততাঁত খণ্ডত ৩৫২ কোটি টকা ধৰা হৈছে ১২ লাখ তেওঁলোকে উপকৃত হ'ব বুলি কৈছে।

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ Please conclude.

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ হস্ততাঁতৰ প্ৰডাক্ট বিলাকে মাৰ্কেট তেনেকুৰা নাপায়। মোৰ ৫ মিনিট সময় শাসকীয়া পক্ষই হুলস্থূল কৰিছে।

**মাননীয় উপাধ্যক্ষ** ঃ Please conclude. আপোনাৰ সময় শেষ হৈছে মাননীয় সদস্য। বি এ চি ত যোৱাকালি সিদ্ধান্ত লোৱা হৈছিল যে strictly দলে যিটো সময় দিব সেইটোৰ ভিতৰতে কব লাগিব।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মোৰ ৫ মিনিট সময় শাসকীয়া পক্ষই হুলস্থূল কৰিছে।

**মাননীয় উপাধ্যক্ষ** ঃ নাই কৰা। Please conclude.

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ বিৰোধীৰ চিডল টাইমটো হাল্লা কৰি কৰি পাৰ কৰিছে।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি inviting তেনেকুৰাই হ'ব। এক মিনিটত পইন্টটো কৰি শেষ কৰক।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ অসম চুক্তিৰ ৫০ লাখ টকীয়া তথ্যচিত্ৰ বনাব বুলি কোৱা হৈছে।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ** ঃ Please, Please, Please. বহক মাননীয় সদস্য বহক all of you sit down. I am on leg please sit down. আপোনাৰ সময় ইতিমধ্যে শেষ হৈছে। আপুনি বুদ্ধি কৰি সময়টো বঢ়াবলৈ বিচাৰিছে। মাননীয় সদস্য, আপুনি যিটো বক্তব্যত ৰাম মন্দিৰৰ ওপৰত কোনো তথ্য নাই বুলি কৈছে, সেই অংশটো আমাৰ কাৰ্য্যসূচীৰ পৰা expunge কৰা হ'ব। গতিকে আপোনাৰ পইন্টটো আপুনি ১ মিণিটত শেষ কৰক, কি পইন্ট ক'ব খুজিছে।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই তথ্য নাই বুলি কোৱাই নাই এইটো যে কোনে শুনিলে কেনেকৈ হ'ল,

**মাননীয় উপাধ্যক্ষ** ঃ এইটো কোনে শুনিলে নহয়, আমি শুনিছো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ ঠিক আছে। মই কৈছিলো দিগম্বৰ আক্ৰাত যিবিলাক নথি আছে, তাত জংগমবাদী মন্দিৰৰ মাটি কোনে দিছিল, সেই তথ্যটো আছে বুলি কৈছিলো. যি নহওঁক মোৰ শেষ পইন্ট এটা ক'ব লগা আছে, যে অসম চুক্তিৰ আধাৰত এখন তথ্যচিত্ৰ যি নিৰ্মাণ কৰাৰ কাৰণে ৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে, কিন্তু অসম চুক্তিৰ ৬ নং দফা কাৰ্য্যকৰী কৰাৰ কাৰণে এই চৰকাৰে যোৱা কেইদিন মানত কিমান নাটক বাজি কি কৰি আছে, এই সম্পৰ্কে এটা কথাও উল্লেখ কৰা নাই।

**মাননীয় উপাধ্যক্ষ** ঃ নাটকবাজিৰ দৰে এই শব্দবোৰ আপুনি ব্যৱহাৰ নকৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ এই তথ্যচিত্ৰত ৬ নং দফাটোৰ কথাটো কেনেকৈ আহিব এই কথাটো আমি বিত্ত মন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিচো, আৰু তাৰ লগে লগে মই সদৌ শেষত পুনৰবাৰ আমাক এখন নিৰাশা ব্যঞ্জক ৰাজ্যৰ ভৱিষ্যতৰ কাৰণে অন্ধকাৰাচন্ন আৰু অযোধ্যামুখী এখন বাজেট উপহাৰ দিয়াৰ কাৰণে বিত্ত মন্ত্ৰী মহোদয়াক পুনৰবাৰ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ এতিয়া মাননীয় সদস্য নৱ কুমাৰ দলে।

**শ্ৰী নৱ কুমাৰ দলে, (ঢকুৱাখনা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যৰ সৰ্বসাধাৰণ জনতাৰ আশা আকাংখ্যাক প্ৰতিফলিত কৰি এখন আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসমৰ প্ৰত্যাশাৰে অসম বিধান

সভাৰ পবিত্ৰ মজিয়াত ২০২৪-২৫ বৰ্ষৰ পূৰ্ণাংগ জনমুখী বাজেট উত্থাপন কৰাৰ বাবে জয় জয়তে মই নতুন অসমৰ নিৰ্মাতা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া আৰু বিত্ত বিভাগৰ মাননীয় মন্ত্ৰী অজন্তা নেওগ বাইদেউলৈ আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমাৰ দৃষ্টিত এয়া এখন সম্পুৰ্ণ জনমুখী বাজেট আৰু এই বাজেটে নিশ্চিতভাবে সমাজৰ সকলো স্তৰৰ লোককে উপকৃত কৰিবলৈ সক্ষম হ'ব। সকলোৰে কল্যাণ হওঁক। সকলোৰে বাবে শান্তি বিৰাজ কৰক। সকলোৰে পুৰ্ণতা লাভ কৰক। সকলোৰে জীৱন মংগলময় হওঁক। বৃহদাৰণ্যক উপনিষদৰ জনকল্যাণ শান্তি মন্ত্ৰ উপস্থাপনেৰে আৰম্ভ হোৱা ২০২৪-২৫ বৰ্ষৰ অসম বাজেটতত উল্লেখ থকা প্ৰস্তাৱ আৰু সিদ্ধান্ত সমূহৰ কাৰ্য্যকৰী কৰণেৰে অসমে বিকাশৰ নতুন শিখৰ স্পৰ্শ কৰিবলৈ সক্ষম হ'ব বুলি আমি গভীৰভাবে বিশ্বাসী। মাননীয় উপাধ্যক্ষ মহোদয়, অসমক দেশৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ সাৰিত স্থান দিয়াৰ সংকল্পৰে বিকাশৰ অশ্বমেধ ঘোঁৰা আগুৱাই নিয়া মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্য্যকালৰ অন্যতম সাফল্য হিচাপে সম্প্ৰতি ৰাজ্যখনৰ সৰ্বত্ৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে মৰ্য্যদাপূৰ্ণ জীৱন যাত্ৰাৰ পৰিবেশ গঢ়ি উঠিছে। সকলোৰে সৈতে সকলোৰে বিকাশ, সকলোৰে বিশ্বাস আৰু সকলোৰে প্ৰয়াস নীতিৰ ভেটিত প্ৰতিস্থা লাভ কৰা এই সূচল জীৱন যাত্ৰাৰ পৰিবেশ অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ উদ্দেশ্যে বৰ্তমানৰ চৰকাৰখনৰ কাৰ্য্যকালত বিভিন্ন বলিষ্ঠ প্ৰদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। ইয়াৰে এক অন্যতম শক্তিশালী পদক্ষেপ হিচাবে সকলোৰে বাবে গৃহ কাৰ্য্যসূচীৰ লক্ষ্য অনুসৰি বিগত বৰ্ষৰ বাজেটত মুখ্যমন্ত্ৰীৰ আৱাঁস যোজনা (গ্ৰামীন)ঘোষণা কৰা হৈছিল। এইবাৰ বাজেটত উল্লেখ কৰা অনুসৰি এই আঁচনিয়ে অসমত ১ লাক ৩০ হাজাৰ টকাকৈ আৰ্থিক সাহাৰ্য্যৰে প্ৰথম পৰ্য্যায়ত ১ লাখ ৩০ হাজাৰ টা অতিৰিক্ত আৱাস গৃহ নিৰ্মাণৰ পথ মুকলি কৰিব। উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শী চিন্তাৰ ফল মুখ্যমন্ত্ৰীৰ আৱাস যোজনা (গ্ৰামীন) ৰ পদক্ষেপক আদৰণি জনাই আজি এই পবিত্ৰ বিধান সভাৰ মজিয়াত মই বক্তব্য দাঙি ধৰিবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয় দেশৰ গ্ৰামাঞ্চলত বসবাস কৰা প্ৰতিটো দৰিদ্ৰ পৰিয়ালক একোটাকৈ আৱাস গৃহ প্ৰদানৰ লক্ষ্যৰে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ স্বপ্নৰ এক যোজনা হিচাপে ২০১৬ চনৰ পহিলা এপ্ৰিলত দেশত আৰম্ভ হৈছিল প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ। নাগৰিকৰ অন্যতম প্ৰাথমিক প্ৰয়োজন হিচাবে প্ৰত্যেকৰে একোটা নিজা আৱাস গৃহ নিৰ্মাণৰ সপোন পুৰা কৰাৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু বিগত সময়ছোৱাত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণে) দেশৰ কোটি কোটি পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। ২০২৪-২৫ বৰ্ষৰ অন্তৰৱৰ্তীকালীন কেন্দ্ৰীয় বাজেটত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত আগন্তুক ৫ বছৰত ২ কোটি অতিৰিক্ত আৱাস গৃহ নিৰ্মাণৰ কথা ঘোষণা কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণে)ৰ আৰ্হিত অতিৰিক্ত ভাবে আমাৰ ৰাজ্যৰ দৰিদ্ৰ পৰিয়ালসমূহক সকাহ দিয়া আৰু তেওঁলোকক এক মৰ্য্যদাপূৰ্ণ জীৱন উপহাৰ মহৎ উদ্দেশ্যেৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অতি দূৰদৰ্শী চিন্তাৰে মুখ্যমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) আৰম্ভ কৰিছে। এই আঁচনিৰ বাবে এইবাৰ বাজেটত ৬০০ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ অধীনত ১০ শতাংশ গৃহ চাহ জনজাতি সম্প্ৰদায়ৰ যোগ্য হিতাধিকাৰীক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। তদুপৰি পূৰ্বৰ আৰ্থ সামাজিক আৰু জনজাতিগত পিয়ল তথা অতিৰিক্ত তালিকাৰ পৰা বাদ পৰি যোৱা অতি দৰিদ্ৰ হিতাধিকাৰীসকলক ইয়াৰে ১০ শতাংশ গৃহ আৱন্টন দিয়া হ'ব। এই ঘোষণাই ইতিমধ্যে গ্ৰামাঞ্চলৰ দৰিদ্ৰ পৰিয়ালৰ মুখলৈ হাঁহি ঘূৰাই আনিবলৈ সক্ষম হৈছে। আৰু এয়া হৈছে বৰ্তমানৰ

চৰকাৰখনৰ বাবে এক ডাঙৰ আৰ্শীবাদ। মাননীয়  মুখ্যমন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰা এই শক্তিশালী পদক্ষেপে বিগত সময়ত বিভিন্ন কাৰণত প্ৰধান মন্ত্ৰী আৱাস যোজনা(গ্ৰামীণ)ৰ সুফল লাভ কৰিবলৈ সক্ষম নোহোৱা ৰাজ্যৰ চুকে কোণে থকা দৰিদ্ৰ পৰিয়ালৰ উৰুখা প্ৰজাৰৈ পোহৰ কঢ়িয়াই আনিব। সেই পোহৰত ফুটি উঠিব প্ৰাপ্তিৰ আনন্দ। মুখ্যমন্ত্ৰী আৱাস যোজনা(গ্ৰামীণ) সৰ্বতোপ্ৰকাৰে সফল হওঁক আৰু অনাগত দিনত বৃহৎ পৰিসৰেৰে উজলি উঠক, তাকেই কামনা কৰিছো। উপাধ্যক্ষ মহোদয়, এই সুযোগতে নৈপৰীয়া বানে গৰকা অঞ্চলৰ সন্তান তথা এগৰাকী  প্ৰতিনিধি হিচাপে এইবাৰ বাজেটত উল্লেখিত বানপানীৰ দিশ সলনিৰ বাবে ব্ৰহ্মপুত্ৰৰ সৈতে জলাশয়সমূহৰ সংলগ্নকৰণৰ উদ্ভাৱনমূলক পদক্ষেপৰ আমি শলাগ  লবলৈ বিচাৰিছো। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰকে ধৰি ইয়াৰ উপনৈ সমূহৰ  বাঢ়নী পানীয়ে ৰাজ্যখনৰ জনসাধাৰণক  বাৰুকৈয়ে ক্ষতিগ্ৰস্থ কৰি আহিছে। আমি ব্যক্তিগত ভাবেও ইয়াৰ ভুক্তভোগী আৰু আমাৰ  আপোন জন্মভূমি গাওঁখনেই বাঢ়নি পানীৰ কৰলত পৰি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। মথাউৰি নিৰ্মাণৰ দৰে পৰম্পৰাগত বান প্ৰতিৰোধী ব্যৱস্থাৰ পৰিবৰ্তে বিজ্ঞানসন্মত তথ্য আৰু অধ্যয়নৰ ভিত্তিত বাঢ়নী পানী অন্যফালে বোৱাই নিয়াৰ বাবে এইবাৰ বাজেটত ঘোষণা কৰা জলাশয় আৰু  বানপানী সংহত ব্যৱস্থাপনাৰ এই নতুন পদ্ধতিয়ে এক নতুন আশাৰ সঞ্চাৰ কৰিছে আৰু মই ভাবো, বান প্ৰতিৰোধৰ  ক্ষেত্ৰত হ'ব এয়া এক যুগান্তকাৰী পদক্ষেপ। এই পৰিকল্পনাক বাস্তৱত ৰূপ  দিয়াৰ বাবে এইবাৰ বাজেটত ২০০ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ কৰা হৈছে আৰু আমি অতিশয় আনন্দিত যে উত্তৰ পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ জৰিয়তে চলোৱা জৰিপত ৰাজ্যৰ ২৭১ টা জলাশয় তথা হ্ৰদ বানপানী অন্যফালে বোৱাই নিয়াৰ বাবে উপযুক্ত হিচাপে বিবেচিত হৈছে। উপাধ্যক্ষ মহোদয়, অসমলৈ উন্নয়নৰ গংগা বোৱাই আনিবলৈ সক্ষম হোৱা মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে ৰাজ্যৰ সকলো শ্ৰেণীৰ জনতাৰ সম উন্নয়নৰ বাবে  যি সমূহ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি আহিছে, সেয়া স্বাধীনোত্তৰ কালত বিৰল। এই বিৰল সাফল্যৰ বাবে আমি এই সমূহ পদক্ষেপৰ প্ৰধান ৰূপকাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন বিকাশৰ বাবে মাননীয়  মুখ্যমন্ত্ৰী ডাঙৰীয়াই অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি যি প্ৰচেষ্টা অব্যাহত ৰাখিছে সেইয়া সফল হওঁক আৰু এই যাত্ৰাত ইশ্বৰে তেখেতক অধিক শক্তি প্ৰদান কৰক, আমি তাকেই কামনা কৰিছো। মাননীয় সভাপতি মহোদয়, ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ সিদ্ধান্ত আৰু প্ৰস্তাৱ সমূহে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে সপোন বাস্তৱায়িত কৰিব। এই বাজেট সম্পূৰ্ণ জনমুখী, কল্যাণকামী আৰু মানৱ দৰদী। আমাৰ বাবে এইয়া সৌভাগ্য যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিক-দৰ্শনেৰে আমি এনে এখন সৰ্ব্ব-কল্যাণকামী বাজেট লাভ কৰিছো। অসমক সৰ্বোচ্চ শিখৰত উপনিত কৰোৱাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন সেইয়া বাজেটত এক মাইলৰ খুটি হিচাপে বিবেচিত হৈ ৰওঁক আমি ইয়াকে কামনা কৰি আটাইলৈ অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰছিদ আলম। আপোনাৰ দলে আপোনাক ৮ মিনিট সময় দিছে।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (গোৱালপাৰা পূব) ঃ** মাননীয় সভাপতি মহোদয়, বাজেটখনত কোনো নতুনত্ব দেখিবলৈ পোৱা নাই, এখন নিৰ্ব্বাচনী বাজেট হৈছে। ৬৫ বছৰ শাসন কৰাৰ কথা কোৱা হৈছে। ১৯৯৬ চনৰ পৰা ২০০০ চনলৈ অসমত অসম গণ পৰিষদ দলৰ চৰকাৰ আছিল। সেই সময়ত গোৱালপাৰা চহৰৰ ওচৰত আত্মসমৰ্পণ কাৰী আলফাৰ এটা কেম্প আছিল। জানুৱাৰী

মাহত এদিন মই ওচৰৰ restaurent এখনত চাহ খাই আছিলো। মই তেতিয়া দেখিছিলো, এজন আত্মসমৰ্পণ কাৰী কেম্পৰ পৰা আত্মসমৰ্পণ কাৰী আলফাৰ সদস্য ওলাই আহি পানী খাই আছে আৰু বহুত ঘামি আছে। মই যেতিয়া তেখেতক কি হৈছে সুধিলো, তেতিয়া তেখেতে কৈছিল যে- এই চৰকাৰ আৰু যদি ৫ বছৰ থাকে অসমত অসমীয়া যুৱতী বিয়া দিয়াৰ কাৰণে ল'ৰা পোৱা নাযাব এই সিদ্ধান্ত এই আত্মসমৰ্পণ কাৰী আলফাৰ কেম্পত হৈ আছে। এই কথা মোৰ এতিয়াও মনত আছে। সেই সময়ত অৰ্থনৈতিক অৱস্থা কেনে আছিল আমাৰ সকলোৰে মনত আছে। ২০০১ চনত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ আহিল। তেখেতে ২০১৬ চনলৈ শাসন কৰিলে। এতিয়াৰ বহুতো মন্ত্ৰী সেই চৰকাৰতো আছিল। তাৰ আগত ১৯৮৫ ৰ পৰা ১৯৯০ চনলৈ আৰু এখন চৰকাৰ আছিল। সেই চৰকাৰৰ মন্ত্ৰী এতিয়াও মন্ত্ৰী হৈ আছে। এ.জি.পি চৰকাৰ, তাৰ পিছত পাঁচ দলীয় মৰ্চাৰ চৰকাৰ ১৯৯৬ চনৰ পৰা ২০০০ চনলৈ আৰু ১৫ বছৰৰ কংগ্ৰেছী চৰকাৰৰ লগত ৰাইজে তুলনা কৰিব। মাননীয় সভাপতি মহোদয়, আপোনালোকৰে কেন্দ্ৰীয় মন্ত্ৰী মাননীয় নীতিন গাডকাৰী ডাঙৰীয়াই কৈছে ভাৰতীয় অৰ্থনীতি সংস্কাৰত প্ৰাক্তন প্ৰধান মন্ত্ৰী মনোমোহন সিং ডাঙৰীয়াৰ কথা উল্লেখ কৰিব লাগিব। আজি আমি ৰেশ্যন কাৰ্ডৰ কথা বিধান সভাত বেছিকৈ কৈ আছো। National Food Security Act ক'ৰ পৰা আহিল, কেতিয়া আহিল। UPA চৰকাৰৰ দিনতেই আহিল। তেতিয়াৰ অধ্যক্ষা আমাৰ মাননীয়া চোনিয়া গান্ধী ডাঙৰীয়ানীৰ তৎপৰতাত হৈছিল। মই আপোনালোকক ধন্যবাদ দিছো যে আৰু বঢ়াই আছে, দি আছে আৰু দিয়ক। অলপ ভালকৈ দিব যাতে কেলেংকাৰী নহয়। কাৰণ বহুত কেলেংকাৰী হৈছে। মই প্ৰশ্ন আনিছিলো কিন্তু উত্তৰটো ভালদৰে পোৱা নাই। আজিৰ মুখ্যমন্ত্ৰী যোৱা চৰকাৰৰ দিনত বিত্ত মন্ত্ৰী আছিল। সেই সময়ত বাজেটত গোৱালপাৰাত এখন মেডিকেল কলেজৰ কথা কৈছিল। এতিয়া যেতিয়া চৰকাৰ হ'ল মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ল আমি ৪ গৰাকী বিধায়কে ধন্যবাদ দিব আৰু শুভেচ্ছা জনাব আহিলো। তেতিয়া তেখেতে কৈছিল যে গোৱালপাৰাত যিখন মেডিকেল কলেজ হ'ব তাৰ আধাৰশিলা ডিচেম্বৰ মাহৰ ভিতৰত স্থাপন কৰিম। সেই সময়ত সকলো তৎপৰতাৰে মাটি এলোটমেণ্ট দিয়া হ'ল, প্ৰজেক্ট ৰিপোৰ্ট তৈয়াৰ কৰা হ'ল। গোৱালপাৰা চহৰৰ ওচৰৰ **খোৰকাকুছিত** সকলো কৰা হ'ল। তাৰপিছত আমি গম পালো যে সেইখন নহয়। আমাৰ তেতিয়া সন্দেহ হ'ল। সেই মেডিকেল কলেজ য'ত হ'ব তাত আমাৰ ধুবুৰীৰ মাননীয় MP মহোদয়ৰ এখন ডাঙৰ হস্পিতাল আছে। আমাৰ সন্দেহ, ৰাইজৰ সন্দেহ তেওঁ কিবা অবজেকশ্যন কৰাৰ বাবে সেইখন নোহোৱা হ'ল নেকি? মাননীয় সভাপতি ডাঙৰীয়া ঠিক তেনেকৈ ছয়গাওঁৰ পৰা মানকাছাৰলৈকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে এখনো বিশ্ববিদ্যালয় নাই। গতিকে মই মাননীয় সভাপতি ডাঙৰীয়াৰ জৰিয়তে মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক অনুৰোধ জনাম যে এইবাৰ বাজেটত যদিও অনা নাই আৰু এই কথাখিনি মই যোৱা বাজেটতো উল্লেখ কৰিছিলো। মোৰ এই কথাটো যাতে মনত ৰাখে। আমাৰ গোৱালপাৰা জিলাত RF-PRF ৰ ৰেভিনিউ মেপ লৈ অলপ খেলি-মেলি আছে। ইয়াত ফৰেষ্ট বিভাগ বা ৰেভিনিউ বিভাগ কোনো নহয়। গতিকে এইটো সঠিক হ'ব লাগে। ফৰেষ্টে কয় আজিৰ যিটো উপায়ুক্তৰ অফিচৰ মাটিখিনি PRF ৰ মাটি। তাত যিখন মেডিকেল আছে সেইখনো PRF ৰ মাটিত আছে, কোৰ্ট, চাৰ্কিট হাউচ, ডি আৰ ডি অফিচ, জিলা পৰিষদ অফিচ, আই এচ অফিচ, ডি ই অ' অফিচ, ডি টি অ' অফিচ আদি থকা মাটিবোৰ PRF ৰ মাটি বুলি ফৰেষ্টে দাবী কৰে। আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰাইছিলো যে PRF টো কি? এটা সময়ত এই মাটিবোৰ ৰাজহ বিভাগৰ মাটি আছিল। ফৰেষ্ট বিভাগক সেই মাটিবোৰক বনানিকৰণ কৰাৰ বাবে কোৱা

হৈছিল। কিন্তু সেইটো ফৰেষ্ট বিভাগে নকৰিলে। মুঠৰ ওপৰত এই মাটিবোৰ ৰাজহ বিভাগৰ মাটি। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো চাৰ্জে কৰি ঘূৰাই আনিব বুলি কৈছে। তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো। এই কামখিনি সোনাকালে কৰিব লাগে। যিখিনি দখল হৈ আছে তাৰ ভিতৰত গোৱালপাৰা চহৰৰ ১৬ নং ৱাৰ্ডৰ মাটিখিনি PRF ৰ মাটি বুলি কৈ আছে। অথচ ৪-৫ টলাৰ বিল্ডিং বনাই তাক ব্যৱসায়িক কেন্দ্ৰ কৰি পেলাইছে। তাত ভূমিহীন মানুহ বহুত আছে আৰু তেওঁলোকে তাত মাটি বেদখল কৰি ৰাখিছে। এতিয়া এই সকলোবোৰ চিনাক্ত কৰিব লাগে। যিখিনি খালী মাটি আছে সেইখিনি ফৰেষ্টক দি দিয়ক আৰু এই বিষয়টো ক্লিয়াৰ হ'ব লাগে। গোৱালপাৰাত যিখিনি খাচ লেণ্ড মাটি বেদখল কৰি আছে, তেওঁলোক ভূমিহীন নহ'ব পাৰে বা বি পি এল নহ'ব পাৰে। তেওঁলোকৰ পৰা উপযুক্ত চৰকাৰী প্ৰিমিয়াম লৈ এলোটমেণ্ট দি দিব লাগে। তেতিয়া বহু টকাৰ ৰাজহ আহিব। মাননীয় সভাপতি মহোদয়, বাজেটৰ পাৰ্ট ২ ত আমাৰ বহুত বিভাগৰ পৰা ৰাজহ বঢ়াৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত আবকাৰী, পৰিবহন বা ফৰেষ্টেই হওঁক, কিন্তু যিখিনি ৰাজহ বঢ়োৱা দেখুওৱা হৈছে তাতকৈ দুগুণ হ'ব। ইয়াতকৈ আৰু ৰাজহ বাঢ়িব যদিহে প্ৰাইভেট ৰেভিনিউটো কমাই দিয়ে। প্ৰাইভেট ৰেভিনিউটো আপোনালোকে বুজি লওঁক। আবকাৰী ইন্সপেক্টৰৰ পৰা আৰম্ভ কৰি আন আন বিষয়া -কৰ্মচাৰী সকলে যিখিনি প্ৰাইভেট ৰেভিনিউ লৈ আছে সেইখিনি বন্ধ কৰিব লাগে। ইয়াৰ উপৰিও  ফৰেষ্ট বিভাগৰ পৰা যিখিনি প্ৰাইভেট ৰেভিনিউ লৈ আছে, সেইখিনি বন্ধ কৰিব লাগে। টায়াৰ জ্বলাই আন্দোলন কৰা বন্ধ হৈ গৈছে তাৰ বাবে মই ধন্যবাদ দিছো। কিন্তু আজিৰ সদনত টায়াৰ জ্বলাই ৰাস্তা বন্ধ কৰি আন্দোলন কৰি অসমৰ ক্ষতি কৰা বহু মন্ত্ৰী বিধায়ক এই সদনত আছে। ধন্যবাদ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় সভাপতি মহোদয়, পূৰ্বোত্ত বক্তাই এটা বাক্য কৈছে যে ধুবুৰী MP য়ে complaint কৰাৰ বাবে গোৱালপাৰাত মেডিকেল কলেজ হোৱা নাই। এই ধৰণৰ অসত্যৰ আধাৰত কোৱা কথা আৰু তেওঁ সন্মানীয় সাংসদজন এই সদনত তেখেত নাই আৰু তেওঁৰ বিষয়ে এইধৰণৰ আপত্তিজনক মন্তব্য কোৱাৰ বাবে expunge কৰিব লাগে।

(সদনত হুলুস্থুল)

**মাননীয় সভাপতি** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী মানৱ ডেকা।

**শ্ৰী মানৱ ডেকা, (লক্ষীমপুৰ)ঃ** মাননীয় সভাপতি মহোদয়, যোৱা কালি যি বাজেট মাননীয় বিত্তমন্ত্ৰী মহোদয়াই সদনত উপস্থাপন কৰিলে, ই হ'ল পৰম্পৰা প্ৰযুক্তিক একেলগে সামৰি নতুন প্ৰজন্মৰ পৰা অৱসৰপ্ৰাপ্তজনলৈ তথা গাওঁৰ কৰ্মৰূপী মহিলাৰ পৰা দুচকুত উজ্বল সপোন তিৰবিৰাই থকা ছাত্ৰ কেইগৰাকীক সামৰি এক প্ৰগতিশীল বাজেট।

এই বাজেটখনত যদি আমি ভালকৈ অধ্যয়ন কৰো দেখা গৈছে যে মুখ্যমন্ত্ৰী মহোদয়ৰ যি সপোন যে ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমক প্ৰতিষ্ঠা কৰা। ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ভিতৰত অসমক প্ৰতিষ্ঠা কৰিব লাগিব, তেতিয়া কেৱল অৰ্থনৈতিক দিশটো সামৰি ললে নহ'ব। আজি যেনেকৈ ক্ৰীড়াৰ ক্ষেত্ৰত বুলি কলে হাৰিয়ানাক এক নম্বৰ ৰাজ্য বুলি কোৱা হয়। গতিকে সামগ্ৰিকভাৱে আমি পাঁচ নম্বৰ position ত আহিবলৈ হলে সকলোদিশ সামৰি ল'ব লাগিব। সেই কাৰণে এই বাজেটখনত দেখা পোৱা যায় যে আমাৰ অৰ্থনৈতিক দিশ, কলা-কৃষ্টি, সংস্কৃতি, পৰম্পৰা, খেল-ধেমালি গোটেইখিনি বস্তু ইয়াত সন্নিবিষ্ট হৈ আছে আৰু ই অসমক সেই পাঁচখন ৰাজ্যৰ শাৰীলৈ লৈ যোৱাত যিটো বাট, তাক মুকলি কৰিব।

মাননীয় সভাপতি মহোদয়, সন্মানীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই মোক দুই

এটা কথা যোৱা কালিৰ talks reference ত বা আজিও কৈছে। তেখেতে ইয়াতে কৈছে যে Sustainable Development ৰ কথা, UN ৰ reference আনি কৈছে ২০৩০ চনলৈকে Sustainable Development ৰ ওপৰত কৈছে। মাননীয় সভাপতি মহোদয়, আপুনি যদি বাজেটখনত চাই, ইয়াত দেখিব electric vehicle ৰ ওপৰত ২ শতাংশ ৰেহাই দিয়া হৈছে। প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই ১ কোটি ঘৰত Solar panel লগোৱাৰ ব্যৱস্থা কৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে আৰু একখোপ আগুৱাই গৈ ইয়াত solar ৰ কাম প্ৰত্যেকটো নতুন permission লোৱা ঘৰত হ'ব লাগিব। তাতকৈ কিবা ডাঙৰ Sustainable Development ৰ কথা হ'ব পাৰে জানো, যিবিলাক কথা তেওঁলোকে চিন্তা কৰা নাছিল।

আজি তেওঁলোকক যেতিয়া GSDP ৰ কথা কয়, তেতিয়া ranking ৰ কথা কয় যে আগতেও আমি ১৭ ত আছিলো, এতিয়াও তাতে আছো। কিন্তু volume ৰ কথাটো নকয়। হয় আপোনালোকে ১৭  নম্বৰত আছিলে, আপোনালোকে ৭০ ৰ পৰা stand কৰিছিল, আমি ৯৮ ৰ পৰা ১৭ নম্বৰত stand কৰিছো। কাৰণ GSDP আপোনালোকৰ দিনত আছিল ডেৰ লাখ কোটি টকা আৰু আমাৰ প্ৰায় ৬ লাখ কোটি টকালৈ গৈ আছে।

মাননীয় সভাপতি মহোদয়,  এইখন মোডী ডাঙৰীয়াৰ ভাৰতবৰ্ষ। ইয়াত অসমে আগবাঢ়িব বুলি বাকী ৰাজ্যই ৰখি দিব নেকি, পিছ পৰি যাব নেকি। বাকী ৰাজ্যৰ economic growth নহ'ব নেকি। কিন্তু আজি national average ত কৈ বেছি GDP growth হৈছে, সেই কথাৰ কাৰণে ধন্যবাদ নিদিয়ে, তেতিয়া কয় rank ৰ কথা, rank ৰ কথা ইয়াত নাহে। কাৰণ ভাৰতবৰ্ষত মোডী ডাঙৰীয়াৰ নেতৃত্বত  প্ৰত্যেকখন ৰাজ্যই আগবাঢ়ি গৈ আছে আৰু competition এইখন ৰাজ্যৰ লগতে সেইখন ৰাজ্যৰ হৈছে। সেই কাৰণে আমি volume টো চাব লাগিব।

সন্মানীয় সদস্য গৰাকীয়ে Infrastructure ৰ কথা কৈছে, মই তেখেতক অনুৰোধ কৰিছো তেখেতে যাতে পুৰণি কথাবিলাক  ফহিয়াই চাই। ২০১৬ চনত কংগ্ৰেছৰ শেষৰ বাজেটৰ চাইজ আছিল ৪০ হাজাৰ কোটি টকা Revenue Capital মিলাই। আজিৰ দিনত Capital investment আমাৰ ৩৫ হাজাৰ কোটি টকা, এই বাজেটখনত কোৱা হৈছে। আজি তেখেতৰ original গাওঁৰ ৰাস্তাটো, তেখেতে বিধায়ক এৰা দিনলৈকে পকী কৰিব পৰা নাছিল। কিন্তু আজি আমি গুনখুটিত অসম মালাৰ দলং বনাই আছো আৰু ৪০ কিলোমিটাৰ তেওঁৰ ঘৰৰ আগৰ পকী ৰাস্তাটো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বনাই দিয়া ৰাস্তা আৰু তেখেতে কয় যে এই চৰকাৰে capital investment কৰা নাই। এতিয়া তেওঁৰ কৰ্মস্থলীত ৬ শ কোটি টকাৰ চেলেক ধুনাগুৰিত দলং হৈ আছে বুঢ়ীদিহিং নদীৰ ওপৰত। তেখেত যদি infrastructure development দেখা নাই, তেতিয়া আমাৰ কব লগীয়া নাই। কিন্তু তেখেতসকলৰ চৰকাৰৰ দিনত গোগামুখৰ পৰা ঢকুৱাখানা ৰাস্তা বনোৱাতে ১৫ বছৰ লাগিছিল। আজিৰ অসম মালাৰ জৰিয়তে গোটেই ৰাস্তা যিধৰণে গাঁৱৰ সৰু সৰু গলি, মোৰ সমষ্টি লক্ষীমপুৰত যিটো ৰাস্তা গুৰু বাট যোৱা ৰাস্তাবিলাকৰ tender হৈছে আৰু অসম মালাত কৰি আছে যাৰ কাৰণে ১৫ কিলোমিটাৰ short হৈ যাব ৰঙানদীৰ পৰা লক্ষীমপুৰ সমষ্টিৰ ৰাস্তা।

আজি তেখেতে কৈছে Milk production ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাই। তেখেতে এতিয়া লাখপতি বাইদেউ সকলৰ সমালোচনা কৰিছে। তেখেতক ক'ব খুজিছো এইটো সূতা দিয়াৰ আঁচনি নহয় যে আগদিনা তালিকা বনাব আৰু ৰাতিপুৱাই লুকাই চোৰকৈ পথাৰত সূতা বিলাব।

এই আঁচনিৰ form খন আপুনি পঢ়ি চোৱা নাই। প্ৰত্যেক গৰাকী লাখপতি মহিলাই, তাত এটা plan বনাই দিব লাগিব, তাত কণী উৎপাদন হ'ব পাৰে, গাখীৰ উৎপাদন হ'ব পাৰে আৰু সেইখিনি আমাৰ চোৱা চিতা হ'ব। তাৰ কাৰণে বিভাগৰ এটা মেকানিজিম বনোৱা হৈছে।

ঠিক তেনেকৈ আপোনালোকে পাঁচ হাজাৰ টকাত কল্পতৰুত মোবাইল কিনিব দিছিল, সেই আঁচনিও যুৱকসকলৰ কাৰণে নহয়। যুৱকসকলৰ কাৰণে আমাৰ আঁচনি হ'ল যে ২ লাখ টকা দিয়া হ'ব, তেওঁলোকে আমাক plan দিব লাগিব, তাৰ ওপৰত তেওঁলোকৰ প্ৰশিক্ষণ হ'ব, skill হ'ব, বিভিন্ন প্ৰতিষ্ঠানৰ লগত MoU হৈছে, তাৰ ওপৰত ভিত্তি কৰি সেই আঁচনিখিনি delivery কৰা হ'ব। তাৰ কাৰণে তেখেতে নিশ্চিত থাকক তেখেতৰ সমষ্টিৰো হাজাৰ লৰাই লাভৱান হ'ব, কেৱল তেখেতে অলপ গাইড কৰি দিলে হ'ল।

মাননীয় সভাপতি মহোদয়, তেখেতে start up ৰ কথা কৈছে যে ১৮ কোটি টকা দিয়া হৈছে। কিন্তু skill ত কিমান টকা দিয়া হৈছে, নৰেশ্বৰত যে global investment summit আছে, সেই কথাটো তেখেতে পাহৰি যায়। মই কৈছো যে নৰেন্দ্ৰৰ মাহত অসমত হ'বলগীয়া যিখন global investment summit, সেইটো অসমৰ কাৰণে game changer হ'ব, কাৰণ আজিৰ দিনৰ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু তেখেতৰ কৰ্ম দক্ষতাৰ ভাৰতবৰ্ষৰ সমগ্ৰ industrialist বা পৃথিৱীৰ আজি অসমত চকু আহিছে। ইতিমধ্যে micro chip ৰ কথা কিছু আভাসো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দি থৈছে।

সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই আমাক আঙুলিয়াই কিছুমান কথা কৈছে। তেখেতে কলে erosion ত ক্ষতি হোৱা মানুহবিলাকে গৈ মাটিত বহে। তাৰ পিছত তেওঁলোকক eviction কৰে। মাননীয় সভাপতি মহোদয়, অসমৰ flood affected area ত কোন কেইটা জনগোষ্ঠী, মিচিং, অনুসূচিত জনজাতি আৰু সন্মানীয় মিঞা সকল। আপুনি মোক কওঁকচোন, অসমৰ কোন ঠাইত মিচিং মানুহে গৈ মাটি দখল কৰিছে। কোন ঠাইত অনুসূচিত জনজাতিৰ মানুহে মাটি দখল কৰিছে। তেওঁলোকে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত নহয়। কেৱল সন্মানীয় মিঞাসকলে মাটি দখল কৰিবৰ কাৰণে বাহানা লয় যে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। আজি ৰাম মন্দিৰক লৈ তেখেতৰ বুকু বিষাই গৈছে। কিছুমান উদাহৰণ দিছে যে অযোধ্যাত অমুক ইটা অমুক মোগল ৰজাই, অমুক মাটি অমুক মোগল ৰজাই দিছে। আপুনি যদি ইমানে বাবৰৰ আদৰ্শ লৈছে, আপোনাৰ ঘৰৰ ওচৰত থকা বৰদোৱাৰ মাটি সন্মানীয় মিঞা সকলে কিয় দখল কৰিছে, বৰপেটাৰ মাটিখিনি সন্মানীয় মিঞা সকলে কিয় দখল কৰিছে। আপোনালোকৰ স্বাৰ্থ যেতিয়া আহে, তেতিয়া ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত আপোনালোকে উদাহৰণ দিব যায়, secular হৈ যায়। কিন্তু আজি অসমৰ সত্ৰৰ মাটি কোনে দখল কৰিছে, সেই সন্মানীয় মিঞা সকলে দখল কৰিছে নে নাই। ১০০ শতাংশ মাটি আপোনালোকে দখল কৰিছে, আপোনালোকে দখলকাৰী মানসিকতা বাদ দি আপেনালোকে ৰামক সমালোচনা কৰা বাদ দিয়ক। আপোনালোকে কয় ৰামক লৈ আমি ৰাজনীতি কৰিছো। ১ শ শতাংশ আমি ৰামক লৈ ৰাজনীতি কৰিছো, আমি ৰামক লৈ ৰাজনীতি কৰিম। ৰাম আমাৰ কাৰণে ভগৱান নহয়, ৰাম আমাৰ কাৰণে পুৰুষোত্তম পুৰুষৰ উত্তম, সামাজিক ন্যায়। আমি ৰাম ৰাজ্য কৰিব বিচাৰিছো যে কোনো আমি হিন্দু ৰাষ্ট্ৰ কৰিব বিচৰা নাই। ৰামে যেনেকৈ ভাৰতবৰ্ষক শাসন কৰিছিল, আমি তেনেকৈ ভাৰতবৰ্ষক শাসন কৰিব বিচাৰিছে মোদী ডাঙৰীয়াই, ড° হিমন্ত বিশ্ব ডাঙৰীয়াই আৰু সেই কাৰণে আপোনালোকে ৰাম ৰাজ্য আশা কৰাটো উচিত। অসমৰ ২৫ হাজাৰ লোকে গৈ ৰামমন্দিৰ চোৱাটো আপোনালোকৰ বুকুৰ বিষ হৈ যায়। আমি কোনোদিনে হজ কৰিবলৈ যোৱাত

বাধা দিয়া নাই।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** চাৰ, এইটো ভূল massage দিছে। আমি বাধা কৰা নাই।

**শ্ৰীমানৱ ডেকা, (লক্ষীমপুৰ)** ঃ আপোনালোক বুলি কৈছো। আপোনাৰ নাম কোৱা নাই।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** এই কথাটো উঠাই দিব লাগে। বাধা কৰা নাই।

**মাননীয় সভাপতি (শ্ৰী ভূৱন পেগু)** ঃ আপোনাৰ নিজৰ কথাখিনি পিছত ক'ব। আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীমানৱ ডেকা, (লক্ষীমপুৰ)** ঃ মাননীয় সভাপতি মহোদয়, তেনেকুৱা এখন জনমুখী বাজেট যিখন অসমত ৫ খন শ্ৰেষ্ঠ ৰাজ্যত প্ৰতিষ্ঠা কৰাত বাটকটীয়া হ'ব তেনে এখন বাজেট দিয়াৰ কাৰণে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানিক ধন্যবাদ জনাইছো।

**মাননীয় সভাপতি (শ্ৰী ভূৱন পেগু)** ঃ সন্মানীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা। আপোনাৰ সময় ১৮ মিনিট।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ মাননীয়া বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানিয়ে ২০২৪-২৫ চনৰ যিখন বাজেট, অসম বিধান ,সভাত উত্থাপন কৰিলে মই ভাৱো যে এই বাজেটখন এখন জনমূখী বাজেট, এখন সৰ্বাংগ সুন্দৰ বাজেট আৰু এই বাজেটে অসমৰ জনসাধাৰণৰ আশা আকাংশা পুৰন কৰাৰ নিশ্চয় সক্ষম হ'ব আৰু এই বাজেটত মই দেখিছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মাই ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত অসমখনো এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়াৰ যিটো পৰিকল্পনা গঢ় দিয়াৰ যিটো সপোন, এই সপোন বাস্তৱত সফল ৰূপ দিয়াৰ ক্ষেত্ৰত এই বাজেটে নিশ্চয় যথেষ্ট সহায় কৰিব আৰু বাজেটখনত অসমৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত এক অভূতপূৰ্ব ইংগিত এই বাজেটখনত পোৱা গৈছে। এই বাজেটখনে অসমখনক বিকশিত কৰাৰ ক্ষেত্ৰত আৰু লগতে অসমৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰাৰ ক্ষেত্ৰত যথেষ্টখিনি আঁচনি এই বাজেটখনত উল্লে্খ কৰা হৈছে। গতিকে মই ভাৱো যে ইয়াতকৈ সৰ্বাংগ সুন্দৰ বাজেট বিগত দিনত কেতিয়াও বিধান সভাত উত্থাপন কৰা হোৱা নাছিল, কোনো নজিৰ নাই আৰু এই বাজেটখনত বিশেষভাৱে দেখা গৈছে যে এই বাজেটে মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়া নাই, তেখেতে উল্লেখ কৰিছে যে এইখন হৈছে হিতাধিকাৰী বাজেট। কিন্তু আমি এটা কথা ক'ব লাগিব আমাৰ অসমৰ যি দুখীয়া মানুহ আছে আৰু অসমৰ পৰা দৰিদ্ৰতা নিৰমূল কৰিবৰ কাৰণে যদি তেখেতে এইটো হিতাধিকাৰী বাজেট বুলি ভাবিছে, তেনেহ'লে কিন্তু এইটো ভূল কৰা হৈছে। কাৰণ যিখিনি দুখীয়া মানুহ আছে, এই দুখীয়া মানুহখিনি আমি সদায় দুখীয়া হিচাপে অসমত ৰাখি থম নেকি? আমি এই দৰিদ্ৰ মানুহখিনিক সকাহ দিয়াৰ উদ্দেশ্যৰে দৰিদ্ৰতা নিৰ্মূল কৰাৰ কাৰণে এনে ধৰণৰ আঁচনি ২০২১ চনৰ পৰাই গ্ৰহণ কৰিছে। এইখন নিৰ্বাচনমুখী বাজেট নহয়। কাৰণ বহুখিনি আঁচনি আমি দেখিছো যে ২০২০-২১ চনৰ পৰা এইটো continue হৈ আছে। গতিকে এইটো continue কৰিবৰ বাবে এইখন বাজেটত আমি অন্তৰ্ভূক্ত কৰিবই লাগিব। গতিকে এই বাজেটত অন্তৰ্ভূক্ত কৰা মানে, আঁচনি লোৱা মানে এইখন নিৰ্বাচনমুখী বাজেট হ'ব নোৱাৰে। আমি দেখিছো যে covid ৰ সময়ত আৰু covid ৰ পিছত আমাৰ বহু দেশত অৰ্থনৈতিক অৱস্থাতো ভাঙি পৰিছিল। কিন্তু আমাৰ ভাৰতবৰ্ষৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বিচক্ষণতাৰ বাবে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডo হিমন্ত বিশ্ব শৰ্মাৰ বিচক্ষণতাৰ বাবে ।আমাৰ অৰ্থনৈতিক ভেটিটো কিন্তু ভাঙি যোৱা নাছিল। অৰ্থনৈতিক ভেটিটো বাৰতবৰ্ষ তথা অসমত stable আছিল আৰু stable হৈ থকাৰ বাবে আজি অসমৰ অৰ্থনৈতিক দিশটো সৱল

হৈ আছে।আৰু এই দিশটো সৰল কৰাৰ কাৰণে এই বাজেটত বহুখিনি কথা উল্লেখ কৰা আছে। আমাৰ অসমত অৰ্থনৈতিক দিশটো যে সৰল আছে এই বাজেটে তাৰ ইংগিত দিছে। মই এটা কথা ক'ব বিচাৰিছো যে আমি যদি চাও যে অসমৰ মুঠ ৰাজ্যিক যিটো ঘৰুৱা উৎপাদন আমাৰ চলিত মুল্য GSDP ২০১৬-১৭ চনত আছিল, ২.৫৪ লাখ কোটি টকা। এতিয়া আমি যদি তাৰ জনমুৰি আয় per capita income যদি চাও তেতিয়া সেই সময়ত আছিল ৬৪ হাজাৰ ৩৩০ টকা। আমি যদি ২০২২-২৩ চন চাও, তেতিয়াহ'লে ৪ লাখ ৯২ হাজাৰ কোটি টকা মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মুল্যত আছিল আৰু ২০২২-২৩ চনত ১ লাখ ২০ হাজাৰ ৩৩৪ টকা, ২০২৩-২৪ চনত ৫ লাখ ৭০ হাজাৰ কোটি টকা। মুঠ ৰাজ্যিক GSDP আৰু per capita income আছিল ১ লাখ ৩৫ হাজাৰ ৭ শ ৮৭ টকা আৰু ২০২৪-২৫ চনত ইয়াৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মুল্যত ৬ লাখ ৪২ হাজাৰ কোটি টকা। এইটোকে প্ৰমাণ কৰিছে যে আমাৰ যিটো অৰ্থনৈতিক দিশ, মানুহৰ যিটো পাৰ কেপিটা ইনকাম আৰু যিটো অসমৰ জিডিপি সেইটো পূৰ্ব্বৰ ২০১৬-১৭ চনৰ তুলনাত বৃদ্ধি হৈছে আৰু যিটো আমাৰ ৰাজ্যিক ঘৰুৱা উৎপাদন আছিল তাতকৈ এতিয়া ১৫০ শতাংশ বৃদ্ধি হৈছে । এতিয়া অসমত অৰ্থনৈতিক বিকাশৰ গতি যদি চাওঁ তেতিয়াহ'লে ৰাষ্ট্ৰীয় বিকাশতকৈও দ্ৰুততাৰে বিকাশ লাভ কৰিছে । আমাৰ ৰাজ্যৰ বাবে এই বিকাশ চমকপ্ৰদ। আমি যদি চাওঁ অসমৰ অৰ্থনৈতিক বিকাশ ৰাষ্ট্ৰীয় পৰ্য্যায়ত ১৬.১ আছিলে আৰু এইটো ২০২২-২৩ চনত ১৯.৯ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে । বৃদ্ধি হৈছে, ঠিক তেনেকৈ ৰাজ্যখনৰ বাজেটৰ যিটো ব্যয় ২০১৫- ১৬ চনত বিত্তীয়বৰ্ষত আছিলে ৪৯৩১ কোটি টকা আৰু ২০২২-২৩ চনৰ বিত্তীয় বৰ্ষত ১৬৩৩৮ কোটি টকা হ'লগৈ । গতিকে ব্যয়টো যথেষ্ট বৃদ্ধি পাইছে । আমাৰ ভৰত নৰহ ডাঙৰীয়াই অৰ্থনৈতিক উন্নতিৰ দিশত যিটো কথা কৈছে আমি দেখিছো যে, আমাৰ অসমৰ অৰ্থনৈতিক দিশটো বৰ্ত্তমানে যথেষ্ট উন্নতি হৈছে। এতিয়া এটা প্ৰশ্ন আহি আছে যে, চৰকাৰে লোন লৈছে - ধাৰত পোত গৈ আছে। কিন্তু ভাৰতবৰ্ষত এনেকুৱা এখন ৰাজ্য নাই, য'ত সেই ৰাজ্য চৰকাৰে লোন লোৱা নাই । যদিহে এখন ৰাজ্যৰ উন্নয়ণ হ'ব লাগে ঋণ ল'বই লাগিব । কাৰণ আমাৰ ভাৰতবৰ্ষখন এখন কল্যাণকামী ৰাষ্ট্ৰ । এই ৰাষ্ট্ৰৰ জনসাধাৰণক সুবিধা দিব লাগিলে ঋণ ল'বই লাগিব। কিন্তু সেই ঋণ লওঁতে এফ আৰ বি এমৰ যিটো নিয়ম, চাব লাগিব যে চৰকাৰে এই নিয়ম ভঙ্গ কৰিছেনেকি ? এনেই লোন নিদিয়ে। ৰিজাৰ্ভ বেংকৰ কোনো এনে ইনষ্ট্ৰাকশ্যন নাই যে কোৱাৰ লগে লগে ঋণ দিব। গতিকে আমাৰ ৰাজ্যৰ জি এচ ডিপিৰ ওপৰত নিৰ্ভৰ কৰি যিটো ৩২ শতাংশ সীমা আছে তাৰ তলত হ'ব লাগিব। মই জনাত ২০১৪-১৫ চনত তাৰ আগৰ বিগত চৰকাৰৰ লোন আছিল, সেই লোন কিন্তু পৰিশোধ কৰা হৈছে আৰু যিটো ইন্টাৰেষ্ট দিব লগীয়া হৈছিল সেইটো দিব পৰাৰ ক্ষমতা আমাৰ আছেনে নাই সেইটোও চাব । নিশ্চয় আমাৰ এই ক্ষমতাটো আছে। নতুন অসম হিচাপে গঢ় দিব লাগিলে বিকশিত অসম হিচাপে গঢ় দিব লাগিলে আমি লোন ল'বই লাগিব । গতিকে এই চৰকাৰখনে লোন লোৱাটো একো পাপ কাম কৰা নাই। আমাৰ কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যথেষ্টখিনি পুঁজি লাভ কৰিবৰ বাবে আমি সক্ষম হৈছো । আমি দেখা পাইছো যে আমাৰ বিগত চাৰি বচৰত মূলধনী বিনিয়োগ আঁচনিৰ বাবে ৰাজ্যখনলৈ আগবঢ়োৱা বিশেষ সাহাৰ্য্য পঞ্চাশ বছৰৰ সূদবিহীন ঋণৰ দ্বাৰা অসম চৰকাৰ যথেষ্ট উপকৃত হৈছে । এতিয়া - এচ এ এচ ই আই- হ'ল এটা বিশেষ সাহাৰ্য্য পুঁজি। এই চাৰি বছৰে অসমলৈ এই আঁচনিৰ জৰিয়তে দহ গুন বেছিকৈ পুঁজি মোকলাই দিছে । আমি যদি ২০২০-২১ চনটো চাওঁ আমি তেনেহ'লে দেখিম যে সেই সময়তো ৪৫০ কোটি টকা লাভ কৰিবলৈ সক্ষম হৈছো, ঠিক তেনেকৈ ২০২৩-২৪ ত

৪৬৫৬ কোটি টকা, ২০২২-২৩ চনত ৪৩০০ আৰু ২০২১-২২ ত ৬০০ কোটি টকা ।মুঠ ১০,৬০০ কোটি টকা পোৱা গৈছিল । তাৰোপৰি এই চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্রহণ কৰিছে । এই আঁচনিসমূহৰ জৰিয়তে ৰাজ্যখনৰ দৰিদ্রতা নির্মূল কৰাৰ উদ্দেশ্যেৰে কিছুমান ব্যৱস্থা হাতত লৈছে । এই আঁচনিসমূহৰ ভিতৰত ‘ অৰুণোদয় ’ আঁচনিৰ কথা কওঁ। এই অৰুণোদয় আঁচনি হৈছে এক বৃহত্তম আঁচনি । এই আঁচনি কেৱল অসমতেই নহয় সমগ্র ভাৰতবর্ষৰ কেইবাখনো ৰাজ্যই গ্রহণ কৰিছে। কাৰণ এই আঁচনিৰ দ্বাৰা আজি আমাৰ যিখিনি দুখীয়া পৰিয়াল আছে সেইসকলে ১২৫০ টকাকৈ পাবৰ কাৰণে সক্ষম হৈছে । ১২৫০ টকাৰ পৰা ২৫০ টকা তেওঁলোকে ঘৰৰ বিজুলীৰ যিটো বিল আহে সেইটো পৰিশোধ কৰিব পাৰে। গতিকে এইটো এটা সুন্দৰ আঁচনি । আপোনালোকে ক’ব বিচাৰে নেকি যে, এইটো এটা হিতাধিকাৰী আঁচনি। আমি যদি এই আঁচনিটো দিব লগা হয় তেনেহ’লে হিতাধিকাৰীক বাছনি কৰিবই লাগিব। ৰাজ্য চৰকাৰে এক লাখ নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত গ্রহণ কৰিছে । ইতিমধ্যে চৰকাৰে প্রতিশ্রুতি দিয়ামতে এক লাখ নিযুক্তি হৈছে আৰু ৩৫ হাজাৰ নতুন নিযুক্তি দিব । মই ধন্যবাদ দিছো । এনে নহয় যে চৰকাৰে আন্তগাঁথনিৰ ক্ষেত্রত একো ব্যৱস্থা লোৱা নাই । আজি প্রায় পোন্ধৰ বছৰে দীপৰ বিল সম্পর্কে মই অসম বিধান সভাত সদায়ে এই বিষয় লৈ প্রশ্ন উত্থাপন কৰি আহিছো । আজি আমাৰ মাননীয় মুখ্যমন্ত্রী আৰু মাননীয় বিত্ত ডাঙৰীয়ানীয়ে দীপৰ বিলৰ সৌন্দর্য্য বর্দ্ধন, দীপৰ বিল প্রদূষণমুক্তকৰণ আৰু পৃথিৱীৰ ভিতৰতে এখন সুন্দৰ আকর্ষিত পর্য্যটনস্থলী হিচাপে ৰূপান্তৰ কৰাৰ বাবে এশ কোটি টকা আৱন্টণ দিছে । তাৰ বাবে সমষ্টিৰ বিধায়ক হিচাপে মই মাননীয় মুখ্যমন্ত্রী আৰু মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো ।

আজি সেই দীপৰ বিলত আমাৰ ভূৱন পেগু ডাঙৰীয়াই তেখেত এতিয়া সভাপতি হৈ আছে। তেখেতে ইতিমধ্যে উল্লেখ কৰিছে আন্তঃৰাষ্ট্রীয় এয়াৰপোর্টৰ ওচৰত এই দীপৰ বিল জলাশয়টো আছে। এই জলশয়টোত বিশেষভাৱে চাইকেল ট্রেক, ৱাকিং ট্রেক, ৰাফটিং, নৌকা বিহাৰ আদি বিভিন্ন আঁচনি লৈ আজি পৃথিৱীৰ ভিতৰত এটা সুন্দৰ পর্য্যটনৰ আকর্ষণ স্থলী হিচাপে কৰাৰ কাৰণে যি ব্যৱস্থা লৈছে, তাৰ বাবে মই পুনৰবাৰ মাননীয় মুখ্যমন্ত্রী মহোদয় আৰু বিত্তমন্ত্রী ডাঙৰীয়ানীক ধন্যবাধ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**সভাপতি ঃ** এতিয়া আমাৰ সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই ক’ব। আপোনাক আঠ মিনিট সময় দিয়া হৈছে।

**শ্রী পদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয়া বিত্তমন্ত্রী ডাঙৰীয়ানীয়ে কালি ইয়াত এখন সুন্দৰ বাজেট উত্থাপন কৰিছে। যি বাজেটৰ জৰিয়তে আমাৰ চৰকাৰৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই চিন্তাৰ প্রতিফলন হৈছে। এই বাজেটৰ জৰিয়তে ৰাজ্যখনৰ সকলো শ্রেণীৰ জনসাধাৰণৰ সকলো মানুহৰ বিকাশৰ কাৰণে আঁচনিৰ প্রতিফলন হৈছে। বিভিন্ন দিশত বক্তব্য ৰাখিছে। মই সকলোবোৰ দিশ ছুই নাযাওঁ। এই বাজেটখনৰ জৰিয়তে এটা প্রতিফলন হৈছে যে বর্তমান অসমত এটা শান্তিৰ পৰিৱেশ আহিছে, কোনো সংঘাত নাই, কোনো সাম্প্রদায়িক উচটনি বা সংঘর্ষ বা উগ্রপন্থীৰ কোনো কার্য্য-কলাপ নাই। ইয়াত আমাৰ ঐতিহ্য, পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্রত বা আমাৰ ৰাজ্যখনত যি ক্ষুদ্র ক্ষুদ্র জাতি-জনগোষ্ঠী আছে তেওঁলোকৰো যি গৌৰৱ, ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্রত এই বাজেটত সুন্দৰকৈ প্রতিফলন হৈছে। আমি যদি চাওঁ যি গৰাকী জগত গুৰুৱে আমাৰ ৰাজ্যখনৰ জনসাধাৰণক কেনেধৰণে একত্রিত কৰি পাহাৰ-ভৈয়াম সকলো জনসাধৰণৰ মাজত একতাৰ এনাজৰীডাল টনকীয়াল কৰি কেনেধৰণে বৰ অসমখন গঢ়ি শক্তিশালী সমন্বয়ৰ

ভেটি গঢ়িছিল, সেই বিষয়ে এই বাজেটত উল্লেখ কৰিছে। এই বাজেটত বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা, মাজুলী তথা মাধৱদেৱৰ জন্মস্থান নাৰায়ণপুৰৰ কথা উল্লেখ কৰিছে। এইখিনি সংৰক্ষণৰ কাৰণে যিখিনি চিন্তা আৰু পৰিকল্পানা এই বাজেটত উল্লেখ কৰিছে, ই সঁচাকৈয়ে আদৰণীয়। এই চিন্তা আগতে এনেধৰণে কৰা হোৱা নাছিল। কাৰণ এটা পৰিকল্পিতভাৱে আমাৰ ঐতিহ্য, সাংস্কৃতিক যি সমূহ সমল আছে, সেই সমূহ নোহোৱা কৰিবৰ বাবে কোনোবাই ষড়যন্ত্ৰ কৰিছিল বা কৰি আছে। এই ঠাইসমূহ সংৰক্ষণ কৰিবৰ বাবে যি এখন আইন আনিবৰ বাবে ব্যৱস্থা কৰিছে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে যেনেকৈ তেওঁৰ মুখ্যমন্ত্ৰীত্বৰ কালত জনজাতি সকলৰ ভাবুকিৰ সৃষ্টি হ'ব বুলি ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহ সৃষ্টি কৰি জনজাতিসকলক নিৰাপত্তা দিয়াৰ বাবে কাম কৰিছিল, ঠিক তেনেকৈ আমাৰ বুৰঞ্জী প্ৰসিদ্ধ আমাৰ ঐতিহ্য, আমাৰ সাংস্কৃতিক গুৰুত্ব ৰক্ষা কৰিবৰ বাবে এইখন চৰকাৰে আইন প্ৰণয়ণ কৰিবৰ বাবে বাজেটত প্ৰতিফলন হৈছে আৰু প্ৰতিশ্ৰুতি বা সিদ্ধান্ত গ্ৰহণ কৰিছে, এইটো সঁচাকৈ আদৰণীয়। আমাৰ ঐতিহ্য, আমাৰ সাংস্কৃতিক গুৰুত্ববোৰ যদি নোহোৱা হৈ যায়, আমি আমাৰ জাতিটো হয়তো শেষ হৈ যাব লাগিব। আমাৰ খিলঞ্জীয়া মানুহখিনি এই ভাৰতীয় জনতা পাৰ্টী চৰকাৰৰ দিনত সকলোৱে সুৰক্ষিত যেন অনুভৱ কৰিছে। সকলোৱে এই চৰকাৰখনৰ প্ৰতি আস্থা-বিশ্বাস প্ৰকাশ কৰিছে আৰু সকলোৱে সহযোগিতা আগবঢ়োৱাৰ সুন্দৰ পৰিৱেশ সৃষ্টি হৈছে। ইয়াত আন্দোলন নোহোৱা হৈছে। শান্তিৰ, প্ৰগতিৰ এই অসমখন আগবাঢ়ি যোৱাৰ সুন্দৰ এক পৰিকল্পনা এই বাজেটত প্ৰতিফলন হৈছে। এই অৱস্থা যদি চলি থাকে আমাৰ যুৱক-যুৱতী সকল বৰ্হিংৰাজ্যলৈ গৈ যি হাবাথুৰি খাব লাগে, এতিয়া যি এক পৰিৱেশ হৈছে যে অসমৰ মাটিতে উৎপাদন কৰিবৰ বাবে কৃষি বিপ্লৱৰ জৰিয়তে কৃষি কৰিব পাৰে, এই কথাবোৰত গুৰুত্ব দি এই বাজেটত পৰিকল্পনা হাতত লৈছে। মহিলা সৱলীকৰণৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আত্ম নিৰ্ভৰশীল ভাৰতৰ নিচিনাকৈ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আত্ম নিৰ্ভৰশীল অসমৰ যি এক পৰিকল্পনা হাতত লৈছে, সেইটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰি নিবনুৱা সকলক সংস্থাপিত কৰি স্ব-নিৰ্ভৰশীল হ'বৰ বাবে আমি সক্ষম হ'ব পাৰিম। সেই কাৰণে আমাৰ চৰকাৰখনৰ এই বাজেট খনৰ প্ৰতি সুন্দৰ সমৰ্থন আগবঢ়াই বিৰোধী দলৰ সদস্য সকলে এই কথাত গঠনমূলক দৃষ্টিভঙ্গীৰে ইতিবাচক সহাৰি জনোৱাৰ প্ৰয়োজন আছে। আমাৰ খিলঞ্জীয়া মানুহ সকলৰ এটা সময়ত এনেকুৱা পৰিৱেশ আছিল যে ২০১৪ চনৰ আগৰ সময় খিনিত খিলঞ্জীয়া মানুহসকল ইয়াত সুৰক্ষিত নহ'ব নেকি? আমি দেখিছো যে কেনেধৰণে পৰিকল্পিতভাৱে আমাৰ যিবোৰ বুৰঞ্জী প্ৰসিদ্ধ সত্ৰ, নামঘৰ আদি আছে, তালৈ ভাবুকি আহিছিল। মই বেছি দূৰলৈ নাযাওঁ। চিপাঝাৰত থকা গৰু খুঁটি য'ত ধলপুৰ শিৱমন্দিৰ আছে, য'ত মহাভাৰতৰ কিছু চিহ্ন সেই মন্দিৰত আমি দেখা পাইছো। সেই মন্দিৰ হয়তো নাথাকিলহেঁতেন। ২০২১ চনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শপত লৈয়ে ৰাইজৰ আবেদনত তালৈ গৈছিল আৰু সেই মন্দিৰত আশে-পাশে থকা অৱস্থাবোৰ দেখিছিল। সেই মন্দিৰৰ পূজাৰীৰ কি অৱস্থা হৈছিল আৰু তেওঁৰ পত্নী আৰু ল'ৰাক কোনে লৈ গৈছিল? তেনেধৰণৰ অৱস্থা অসমৰ বিভিন্ন প্ৰান্তত হৈছিল আৰু পৰিকল্পিতভাৱে এইবোৰ ধ্বংস কৰিব লৈছিল। তাৰ পিচত পদক্ষেপ লৈ গৰু খুঁটিৰ প্ৰকল্পৰ কথা ঘোষণা কৰিলে আৰু মোক, মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়া, পৰমানন্দ ৰাজবংশী ডাঙৰীয়া আৰু সাংসদ দিলীপ শইকীয়াদেৱক ইয়াৰ দায়িত্ব দিলে। তাত যিটো প্ৰকল্প হ'ল, সেই প্ৰকল্পই যেন সেই ধলপুৰ শিৱ মন্দিৰক সুৰক্ষিত কৰিছে। আমি যদি অসম

আন্দোলনৰ সময়ৰ সেই ইতিহাস চাওঁ, একেদিনাই সেই অঞ্চলত ওঠৰ জনকৈ লোক শ্বহীদ হৈছিল। সেই খিলঞ্জীয়া মানুহখিনিক নিৰাপত্তা নোহোৱা হৈছিল। তেওঁলোকে ভাৱিছিল যে তেওঁলোকৰ কাৰণে কোনো চৰকাৰে চিন্তা নকৰিব নেকি? কিন্তু সেই খিলঞ্জীয়া মানুহখিনিৰ স্বাৰ্থত তাত যি গৰু খুঁটি প্ৰকল্প আৰম্ভ হ'ল, তাক আমি গৌৰৱেৰে ক'ব পাৰো। বিভিন্ন জনে সমালোচনা কৰিছে। তাক আমি আদৰণি জনাইছো। কিন্তু এটা কথা নিশ্চিত যে খিলঞ্জীয়া লোকৰ প্ৰভুত্ব তাত থাকিব আৰু ঐতিহ্য মণ্ডিত ধলপুৰ মন্দিৰ তাত সুন্দৰভাৱে সুৰক্ষিত হৈ থাকিব আৰু ইয়াত পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে যিখিনি ব্যৱস্থা লৈছে, ইয়াক তাৰ জনসাধাৰণে আদৰণি জনাইছে। মই গৌৰৱেৰে কওঁ যে তাত আমি তিনি শ পঞ্চাশ জন থলুৱা যুৱক-যুৱতীক সংস্থাপন দিছো। যিটো ঠাইত দিনত যাবলৈ ভয় কৰিছিল, আজি তাত ডেৰ শ জনৰ ওপৰৰ ল'ৰা তাত থাকি কৃষি কৰ্ম কৰি তেওঁলোকে উৎপাদনমুখী যাত্ৰা শক্তিশালী কৰিবলৈ সংগঠিত ৰূপত কৃষি বিপ্লৱ কৰি আছে। দুই-এগৰাকী বিধায়কে সমালোচনা কৰিছে যে তেওঁলোকক দিলে বেছি উপাৰ্জন বা অন্য কিছু কৰিলেহেঁতেন। তাত কি উপাৰ্জন হৈছে? তাত কেনেধৰণে কাম কৰিছিল মই এই গোটেই দিশটো চাইছো। এক বিঘা মাকৈ খেতিত যদি ষাঠি কিলোলৈ ৰাসায়নিক সাৰ দিওঁ আমি মানুহখিনিক বেমাৰী কৰিম নেকি? আমি উৎপাদনলৈ চাই অতি মাত্ৰাত সাৰ দি সেই মাটি ধ্বংস কৰিম নেকি? আমি সেই সাৰ কমাই এতিয়া তেৰ কিলোলৈ ব্যৱহাৰ কৰিছো আৰু তাত উৎ পাদন কৰি সেই ল'ৰাসকলক স্ব-নিৰ্ভৰশীল হ'বৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। সেয়েহে এই সম্পৰ্কত যি নীতিবাচক কথা প্ৰচাৰ কৰে আপোনালোকে তালৈ গৈ চাবলৈ অনুৰোধ কৰিছো যে তাত আচল অৰ্থত কৃষি বিপ্লৱ কেনেকৈ হৈছে? থলুৱা যুৱক-যুৱতীয়ে পৰিকল্পিত ভাৱে কাম কৰি কেনেধৰণে কৃষি সামগ্ৰী উৎপাদন কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰোপৰি মই আস্থা আৰু বিশ্বাসৰ অসমৰ কথা কৈছো। অসম চৰকাৰৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত যি সাংস্কৃতিক মহাসংগ্ৰাম হৈছিল, তাত মই নিজেই গৈ চাইছো, আমাৰ যিবোৰ খিলঞ্জীয়া জনগোষ্ঠী আছে, তেওঁলোকে কেনেধৰণে তেওঁলোকৰ সাংস্কৃতিৰ গৌৰৱ, নৃত্য-গীত প্ৰদৰ্শন কৰি নিজৰ ঐতিহ্য ৰক্ষা কৰাৰ এটা পৰিৱেশ এইখন চৰকাৰৰ দিনত পাইছে। এই চৰকাৰৰ দিনতে ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতিৰ সাংস্কৃতিক গুৰুত্ব সকলো ৰক্ষা কৰি আমাৰ মাজত আস্থা আৰু বিশ্বাস বৃদ্ধি কৰিছে। আনকি সংখ্যালঘূ লোকেও আজিৰ দিনত আমাৰ চৰকাৰৰ প্ৰতি আস্থা, বিশ্বাস প্ৰকাশ কৰিছে। আপোনালোকে গৰুখুঁটিত খবৰ ল'ব। তাৰ পৰা কোনো উচ্ছেদ, গুলী বাৰুদ নোহোৱাকৈ বুজা-বুজিৰ মাজেৰে ৩২০০ পৰিয়ালৰ দলগাওঁ সমষ্টিৰ মাগুৰমৰা চাপৰিত স্থানান্তৰৰ কাম-কাজ চলি আছে। ইতিমধ্যে ১২০০ৰো অধিক পৰিয়াল দলগাঁৱলৈ গৈছে। ইয়াৰ বাবে দলগাওঁ সমষ্টিৰ বিধায়ক তথা AAMSU য়ে সহযোগ কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। গতিকে এতিয়া কোনেও উচটাই লাভ নাই। তেওঁলোকেও এতিয়া বুজি পাইছে যে বৰ্তমানৰ চৰকাৰখনে সকলো মানুহৰ উন্নয়নৰ সমস্যা সমাধান কৰাৰ বাবে, তেওঁলোকক তেওঁলোকৰ অধিকাৰ দিবৰ বাবে কাম কৰি আছে। এই সংখ্যালঘূ লোকক এতিয়া যদি কোনোবাই উচটায়, সেইটো তেওঁলোকে একে আষাৰে নস্যাৎ কৰি বৰ্তমান চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাব। তেওঁলোকক যি পঠিওৱাৰ ব্যৱস্থা কৰা হৈছে, দলগাওঁ সমষ্টিত মাটি দিয়া আৰু ট্ৰেক্টৰ দিয়াৰ যি ব্যৱস্থা কৰা হৈছে তাতো কিন্তু তেওঁলোকে সহযোগ কৰিছে। সেই কাৰণে মই কওঁ আমাৰ মাজত আস্থা, বিশ্বাস বাঢ়িছে। শান্তি-প্ৰগতিৰ এক পৰিৱেশ হৈছে। চৰকাৰক সকলোৱে সহযোগ আগবঢ়াই এখন সমৃদ্ধিশালী অসম গঢ়াৰ ক্ষেত্ৰত আমি একেলগে কাম কৰোঁ

আহক। এই বাজেটখনক মই পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো।

**माननीय সভাপতিঃ** এতিয়া আমাৰ সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ। আপোনাৰ সময় ৩ঃ৩০ মিনিট।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাননীয় সভাপতি মহোদয়, বাজেটখনক হিতাধিকাৰীৰ বাজেট বুলি কোৱাত Treasury Bench ৰ বৰ আপত্তি হৈছে। দুই-এজনে কৈছে হিতাধিকাৰী দৰিদ্ৰতা শেষ কৰাৰ যেন একমাত্ৰ পথ, তেওঁলোকে এই ধৰণেও বিবেচনা কৰিছে বাবে এই কথাষাৰত বৰ আপত্তি কৰিছে। কিন্তু, অৰ্থনীতিবিদ সকলে স্পষ্ট ভাৱে কৈছে যে হিতাধিকাৰীৰ নিশ্চিতভাৱে প্ৰয়োজন আছে। কিন্তু, দৰিদ্ৰতা নিৰ্মূল কৰাৰ বাবে হিতাধিকাৰীয়েই একমাত্ৰ পথ বা এই ব্যৱস্থাটো অতি মাত্ৰা পৰ্যায়লৈকে লৈ গ'লে অৰ্থনীতিৰ কেনেকৈ ক্ষতি হ'ব এই সম্পৰ্কে সকিয়নী বাণী বহু পৰিমাণে আহিছে। অন্তঃত সেই বাণীৰ প্ৰতি Treasury Bench ৰ সদস্যসকলে দৃষ্টি নিক্ষেপ কৰা উচিত। হিতাধিকাৰীয়ো ছানি ধৰিলে ৰাজ্যৰ অৰ্থনীতি যে আগবাঢ়ি যাব এই কথাটো মই বিশ্বাস নকৰো আৰু নিশ্চিতভাৱে তেওঁলোকে বহু অৰ্থনীতিবিদৰ ব্যাখ্যা শুনিলে তেওঁলোকেও বিশ্বাস নকৰিব। আমাৰ বাজেটখনত capital expenditure ৩৩,৭৯৮.৭৬ কোটি টকা ধাৰ্য কৰিছে। এটা কথা আমাৰ ভৰত নৰহ ডাঙৰীয়াইও উল্লেখ কৰিছে যে Capital expenditure ধাৰ্য কৰিলে বিত্তীয় বৰ্ষটোৰ ভিতৰতে এই capital expenditure কিমান খৰচ কৰিছো ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। এইবাৰ ৩৩,৭৯৮.৭৬ কোটি টকা ধাৰ্য কৰা হৈছে। পূৰ্বৰ বৰ্ষত ২৮,৪১৮ কোটি টকা capital expenditure আছিল। সেইটো কি পৰিমাণত খৰচ হ'ল আৰু বৰ্তমান ধাৰ্য হোৱা ৩৩,৭৯৮.৭৬ কোটি টকাৰ যাতে খৰচ নিশ্চিত কৰা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ নকৰিলে আমাৰ ৰাজ্যখন আশা কৰা ধৰণে আগবাঢ়ি নাযাব। আমাৰ অৰ্থনীতিৰ বিষয়বোৰৰ ক্ষেত্ৰত ভাৰতবৰ্ষত আজিও কৃষি আৰু উদ্যোগৰ বিষয়টো বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হয়। আমি কৃষি আৰু উদ্যোগত যদি সাফল্য লাভ নকৰো তেন্তে নিশ্চিতভাৱে আমাৰ অসুবিধা আছে। এই বিষয়ত মই পিছলৈকে যাম। ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ আয় মাত্ৰ ৩৪ হাজাৰ কোটি টকা দেখুওৱা হৈছে। এই আয় কেনেকৈ বৃদ্ধি কৰিব পাৰি এই সম্পৰ্কত নিশ্চিতভাৱে অলপ চিন্তা ভাৱনা কৰাৰ দৰকাৰ। বিত্ত মন্ত্ৰীৰ তথ্যৰ পৰা আমি এটা তথ্য পাইছো যে ২০২২-২৩ বৰ্ষত আবকাৰী বিভাগত আয় হৈছিল ২,৫২৭ কোটি, ২০২৩-২৪ বৰ্ষত জানুৱাৰীলৈকে আয় হৈছিল ২,৪৫৯ কোটি টকা, মাৰ্চলৈকে নিশ্চয় অলপ বাঢ়িব। এই ক্ষেত্ৰত এটা কথা মই বিশেষভাৱে বিত্ত মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে বন বিভাগত আমাৰ আয় কিমান হৈছে। ২০২১-২২ বৰ্ষত বন বিভাগত ৩৯১.৯৮ কোটি টকা, ২০২২-২৩ বৰ্ষত ৪৫১.৫০ কোটি টকা আৰু ২০২৩-২৪ বৰ্ষৰ জানুৱাৰীলৈকে ৩৩০ কোটি টকাৰ আয় হৈছে। অসমখন বনাঞ্চলেৰে ভৰ্তি। মই বাৰ বাৰ এই কথাটো উল্লেখ কৰিছো। শিল, বালি, গছ-গছনি, নদী এই অপূৰ্ব সম্পদ আমাৰ বন বিভাগত আছে। কিন্তু আমাৰ আয় হৈছে মাত্ৰ ৩৩০ কোটি টকা। এই বন বিভাগক মই পূৰ্বতে কৈছিলো নদীৰ ওপৰত এটা *** চলি থাকে আৰু এটা অশুভ শক্তিয়ে এই ....interruptions.... এই যে আয় তাৰ মাত্ৰ ৩৩০ কোটি এই বনাঞ্চলৰ বিশাল ভাণ্ডাৰৰ পৰা আয় হৈছে ....interruptions....**

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)ঃ** চাৰ, এই ** শব্দটো উঠাই ল'ব লাগে। তাৰ সলনি চমৎকাৰ দিব লাগে।

**মাননীয় উপাধ্যক্ষঃ** Expunge কৰা হ'ল।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** চাৰ মই উঠাই লৈছো। চমৎকাৰ দিয়ে, কিবা দিয়ে দি থাকিব। কিন্তু কথাটো হৈছে যে মাত্ৰ ৩৩০ কোটি টকা। আনহাতে আমাৰ আবকাৰী বিভাগৰ পৰা যিটো আয় কৰিছো, সেইটো সাংঘাতিক। মই সাংঘাতিক বুলিয়েই কৈছো ২৪৫৯ কোটি টকা। আমি ৰাজ্যৰ মানুহক মদ খুৱাই মাতাল কৰি যদি আয় কৰোঁ তেতিয়া হ'লে আমাৰ আয় কেনেকৈ বাঢ়িব আৰু ৰাজ্যখন ধ্বংসৰ মুখৰ পৰা কেনেকৈ বচাব পৰা যাব সেই কথাটো চিন্তনীয়। মই অলপ সময় ল'ম উপাধ্যক্ষ মহোদয়। কৃষি খণ্ডত মাত্ৰ ২৫০০ কোটি টকা ধাৰ্য কৰিছে আৰু জলসিঞ্চনত ১১৬২ কোটি টকা ধাৰ্য কৰিছে। এই দুটা সংলগ্ন হৈ যায়। আমি কৃষকৰ উৎপাদন দুগুণ বৃদ্ধি কৰাৰ কথা কৈছিলো। কিন্তু ধানৰ উৎপাদনটো কমিছে। এই কথাটোত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিব লাগে যে ধানৰ উৎপাদন কিয় কমিছে। এতিয়ালৈকে আমি কাগজে-কলমে মাত্ৰ ৬% জলসিঞ্চন কৰিছো। এতিয়া কিছু উদ্যোগ হৈছে যদিও আমি সমগ্ৰ মাটিত ৩ টা ফচল কৰিব পৰাকৈ জলসিঞ্চন কৰিব পৰা নাই। এইবাৰ সৰিয়হৰ খেতি ১.৭৭ হেক্টৰ মাটিত কৰিছিল। কিন্তু খেতিয়কে দাম পোৱা নাই। MSP ৰ কথাটো আছে। ধানৰ ক্ষেত্ৰত আমি MSP দিছো বুলি বৰ গৰ্ব কৰিছো যদিও মোৰ এটাই বক্তব্য আছে যে MSP ৰ ক্ষেত্ৰত যদি কেন্দ্ৰীয় আইন এখন নহয়, তেন্তে MSPক যথাযথভাৱে লাঘূ কৰাটো সম্ভৱ নহয়। কেন্দ্ৰীয় আইনখন এতিয়ালৈকে আমাৰ হৈ উঠা নাই। উপাধ্যক্ষ মহোদয় মই আৰু অলপ সময় ল'ম। আমাৰ double engine ৰ চৰকাৰখনৰ এইটো নিশ্চিতভাৱে এটা ব্যৰ্থতা। আমাৰ বানপানীৰ ক্ষেত্ৰত যিটো কথা কৈছে যে- জলাশয় সৃষ্টি কৰিব, এই জলধাৰাৰ ক্ষমতা অতিৰিক্ত 220 lakh cubic meter লৈ বৃদ্ধি কৰিব, বানপানীৰ পৰা পথ সলনি কৰি নদীৰ জলৰাশি ২০ ৰ পৰা ৮০% হ্ৰাস কৰাৰ যিটো প্ৰস্তাৱ ....interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ সময় শেষ হৈছে। Please conclude কৰক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ**এই প্ৰস্তাৱটো মই ভাল বুলি ভাৱিছো কিন্তু মাত্ৰ ২০০ কোটি টকাৰে বানপানীৰ দৰে এই ভয়ংকৰ সমস্যাটো আপোনালোকে মোকাবিলা কৰিব পাৰিব নেকি? অন্য হিতাধিকাৰীৰ আমি বিভিন্নভাৱে আঁচনিৰ টকা বঢ়াইছো। কিন্তু, যিটো বানপানীয়ে জ্বলাকলা কৰে ......interruptions....... এইটো দিগন্ত কলিতাৰ কথা হ'ব পাৰে। কিন্তু অসমৰ মানুহৰ নহয় ......interruptions.....

**মাননীয় উপাধ্যক্ষঃ** Please address the Chair.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাত্ৰ ২০০ কোটি টকাৰে বানপানীৰ দৰে সমস্যা নিশ্চয় সমাধান কৰিব নোৱাৰে। চাৰ, মই শেষ পইণ্টটো কৈছো- ৫০০০ মডেল AWC নিৰ্মাণৰ প্ৰস্তাৱক আদৰণি জনাইছো কিন্তু কৰ্মী, সহায়িকাৰ মাননি বৃদ্ধি কৰাৰ কথাটো বিবেচনা কৰিব, নহ'লে এইসকল মানুহৰ ক্ৰন্দনে আমাকো কন্দুৱাব। তেওঁলোকে ৰাজপথ মুখৰিত কৰি আছে। এই ৰাজপথৰ পৰা তেওঁলোকক যাতে অংগনবাড়ী কেন্দ্ৰলৈ নিব পৰা যায় । তেওঁলোকৰ মাননি বৃদ্ধি কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া তৰংগ গগৈ ডাঙৰীয়া।

**শ্ৰী তৰংগ গগৈ (নাহৰকটীয়া)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, সঁচাকৈ মই প্ৰথমবাৰৰ বিধায়ক হিচাপে নিজকে গৌৰৱ অনুভৱ কৰিছো যে এই অমৃত কালত, ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এই চৰকাৰৰ কাৰ্যকালৰ বিধায়ক হিচাপে আজি ইয়াত থিয় দিছোহি। কালি অজন্তা নেওগ ডাঙৰীয়ানীয়ে বাজেট উত্থাপন কৰিলে। আজি

বিভিন্ন বক্তব্যও শুনিছো। বিৰোধীয়ে বাৰে বাৰে এটা কথা কৈ আছে যে আমি হিতাধিকাৰী সৃষ্টি কৰিছো। মই বাজেটৰ এটা আঁচনিৰ বিষয়ে ক'ব বিচাৰো-'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'। এই আঁচনিখনৰ যোগেদি ৩৯,৬৯,৭৪৩ মহিলাক আমি ১০ হাজাৰ টকাকৈ দিবলৈ লৈছো। বহুতে ক'ব পাৰে যে ১০ হাজাৰ টকা হিতাধিকাৰী হিচাপে দিছো। কাৰণ এটা সময় আছিল। আমিও এটা বেলেগ দলত আছিলো। বিভিন্ন সময়ত ঘুৰি ফুৰো। মোৰ এতিয়াও এখন সভাৰ কথা মনত পৰে। আমি তিতাবৰলৈ গৈছিলো ২০১৪ চন মানত। তাত দেখিলো বহুত মহিলাৰ ভিৰ, ঠেলা হেচা আৰু মহিলাৰ মাজত কাজিয়াও হৈছিল। বাতৰিও হৈছিল যে বহুত মানুহে তাত দুখ পাইছিল। কি মিটিং আছিল, এমুঠি সুতা দিয়াৰ মিটিং। গতিকে সেই সময়ত হিতাধিকাৰী আছিল। কিন্তু চৰকাৰে দিছিল মাথো এমুঠি সুতা। কিয় দিছিল, যাতে আমি অহাবাৰ ভোট পাব পাৰো। এমুঠি সুতাৰে কেতিয়াও এগৰাকী মহিলা বা এটা সমাজ স্বাৱলম্বী হ'ব নোৱাৰে। আমাৰ চৰকাৰে ১০,০০০ কৈ টকা দিছে। এটা গোটৰ প্ৰত্যেক গৰাকী মহিলাকে যদি আপোনালোকে ভালদৰে চায়, লাখপতি বাইদেউ কৰিবলৈ দিছো। ১০,০০০ টকা দিয়াৰ পাছত এটা গোটক ২৫,০০০ টকাৰ লোন ব্যৱস্থা কৰি দিয়া হ'ব। আৰু তাৰ পাছত ১২.৫ হাজাৰ টকা আমি তেখেত সকলক ঘূৰাই দিম। অৰ্থাৎ ৩৫,০০০ টকা। ৩৫,০০০ টকাকৈ যদি এগৰাকী মহিলাই পায়, তেনেহ'লে সেই গোটটোৱে ৩,৫০,০০০ টকাকৈ পাব। মহিলা সকলে যদি ভালকৈ ব্যৱসায় কৰে তেনেহ'লে হিতাধিকাৰী নহয়, rural অৰ্থনীতি স্বাৱলম্বী কৰিব বিচাৰিছো। Animal Husbandary ত আমাৰ যি ৰেকৰ্ড আছে, সেই ৰেকৰ্ড মতে আমি আজি প্ৰতিদিনে অসমত ৬৩,০০০০০ কণী ব্যৱহাৰ কৰো কিন্তু অসমে উৎপাদন কৰি আছে মাথো ৫,৬০,০০০। অৰ্থ্যাৎ ৫৮,০০০০০ কণী এতিয়াও আমি বাহিৰৰ পৰা আনি আছো। যদি এই সকল মহিলাই ভালকৈ লেয়াৰ মুৰ্গী ফাৰ্ম কৰে আৰু কণীৰ ব্যৱসায়টো ভালদৰে কৰে মই ভাৱো আগন্তুক সময়ত অসমে নিজৰ ভৰিত থিয় দিব পাৰিব।

আমাৰ চৰকাৰে বিগত দিনত যিধৰণে ফিচাৰীত কাম কৰিছিল, আগতে আমি শুনিছিলো যে অন্ধ্ৰ প্ৰদেশৰ পৰা মাছ আহে, কিন্তু ৰেকৰ্ডৰ মতে এতিয়া অকল ২০,০০০ মেট্ৰিকটনহে মাছ বাহিৰৰ পৰা আহি আছে। মাছৰ চাহিদা আমি প্ৰায় পূৰাব পাৰিছো। ঠিক তেনেধৰণে গাখীৰৰ কথা যদি আমি কওঁ ২,৭১২ মিলিয়ন লিটাৰ গাখীৰ আমাক লাগে। আমি produce কৰি আছো ১,০৭০ মিলিয়ন লিটাৰ। অৰ্থাৎ এই সকল মহিলাই যদি ভালকৈ কাম কৰে মই ভাৱো আগন্তুক সময়ত যি হিতাধিকাৰী সৃষ্টি নহওক আমাৰ rural economy বা আমি এক লাখ চাকৰি দিয়াৰ পাছতো বহুত পৰিয়াল এতিয়াও চাকৰি নোপোৱাকৈ আছে। কিন্তু এই আঁচনিৰ যোগেদি প্ৰত্যেক ঘৰ পৰিয়াল, প্ৰত্যেক ঘৰ মহিলাৰ প্ৰায় ৪০,০০০০০ মহিলাৰ ৪০,০০০০০ লাখ টা ঘৰ স্বাৱলম্বী হ'ব পাৰিব। এই স্বাৱলম্বীৰ লগতে আমাৰ economy growth লৈ আহিব। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাওঁ যে আজিৰ পৰা কিছুদিনমান আগতে এই form বিতৰণ কৰা হৈছিল আৰু বিধায়কসকলে পৰাপক্ষত প্ৰত্যেক পঞ্চায়তলৈ গৈছিল। মোৰ নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত প্ৰায় ৮ টা পঞ্চায়তৰ মহিলাসকল খুৱ সুখী। তেওঁলোকে কৈছে আমি আগতেও এনেকুৱা ধৰণৰ সুতা পাইছিলো আৰু ৫০০ টকা পাইছিলো। এতিয়া ৫০০০ টকা পাইছো। এই পইচাৰ যোগেদি আমি নিজকে স্বাৱলম্বী কৰিব পাৰিম। কিন্তু যেতিয়া next day ৰাতিপুৱা সময়ত ঘৰত বহি আছিলো তেতিয়া এদল মহিলা মোৰ ওচৰলৈ আহিছিল আৰু তেখেত সকলে খুৱ দুখ প্ৰকাশ

কৰিছিলে যে আমি কি ভুল কৰিছিলো যে আমি আঁচনিখনৰ পৰা বাদ পৰি গ'লো। মই কথা কৈছো আৰবান এৰিয়াৰ প্ৰায় আঢ়ৈ লাখ মহিলাৰ যিসকলে সেই সময়ত টকা পোৱা নাছিল। মই বিত্ত মন্ত্ৰী জাঙৰীয়াণীক ধন্যবাদ জনাওঁ আজি তেখেতে এই বাজেটত আৰবান এৰিয়াৰ মহিলা সকলৰ কাৰণে উদ্যোমী আঁচনি এটা ঘোষণা কৰিলে। এই আঁচনিৰ যোগেদি আৰবান এৰিয়াৰ মহিলা সকলেও এতিয়া স্বাৱলম্বী হৈ কাম কৰিব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, বিধায়কৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক দায়িত্ব দিছিল as a Chairman, Assam State Youth Commission আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে যোৱাকালি ঘোষণা কৰিলে কেনেকৈ Sports and Youth Welfare Department ৰ যোগেদি অসমৰ ভৱিষ্যৎ প্ৰজন্ম বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ কোচিং আৰম্ভ কৰিছো। বিভিন্ন সময়ত আমি বাতৰি দেখা পাওঁ যে বিভিন্ন প্ৰতিষ্ঠানে মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ কোচিং আৰম্ভ কৰিছে কিন্তু চৰকাৰে একো কৰা নাই। মই সদনৰ জৰিয়তে সমগ্ৰ অসম বাসীক জনাব বিচাৰিছো যে যোৱাবছৰৰ পৰা Assam State Youth Commission ৰ যোগেদি আমি মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ কোচিং আৰম্ভ কৰিছো। ইতিমধ্যে ডিব্ৰুগড়ত আমি tender কৰি এলেন কোচিং চেন্টাৰক তাৰ দায়িত্ব দিছিলো আৰু তাত এতিয়া ৫৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে। ৪১৭ জনে মেডিকেল আৰু ১৪৮ জনে ইঞ্জিনিয়াৰিঙৰ কোচিং লৈ আছে। দ্বিতীয়তে, আমাৰ তেজপুৰত CRSL institute ক আমি দিছিলো। তাত ১০৬ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। মেডিকেলৰ আছে ৬৪ আৰু ইঞ্জিনিয়াৰিঙৰ ছাত্ৰ-ছাত্ৰী আছে ৪২ গৰাকী। এই দুয়োটা institute ত ডিব্ৰুগড়ত চৰকাৰে প্ৰায় খৰছ কৰিছে ৬.২১ কোটি টকা আৰু তেজপুৰত ১.১১ কোটি টকা। তাৰমানে চৰকাৰে ইতিমধ্যে ৭.২৩ কোটি টকা এই কোচিঙৰ বাবে ব্যৱহাৰ কৰিছে। গতিকে মই এই সদনত জনাব বিচাৰিছো যে ভৱিষ্যৎ প্ৰজন্মৰ যিসমূহ দুখীয়া ছাত্ৰ-ছাত্ৰী আছে, যিসকলে দামী কোচিং চেন্টাৰত যাব নোৱাৰে কাৰণ সেই চেন্টাৰ সমূহৰ ফিজ প্ৰায় ১.৫-২ লাখ হয় লগতে আমি এশ শতাংশ scholarship ও দিছো। যিসকল ছাত্ৰ-ছাত্ৰী পঢ়াত ভাল, যিসকল মেধাবী কিন্তু টকাৰ বাবে মেডিকেল বা ইঞ্জিনিয়াৰিঙৰ কোচিং ল'ব নোৱাৰে তেখেতসকলক আমি এই সুবিধা দিছিলো। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাওঁ যে এই দুখনৰ লগতে অসমত আৰু পাঁচটা এনেকুৱা চেন্টাৰ আমি গঢ়িবলৈ গৈ আছো। সেই কেইটা হৈছে লক্ষিমপুৰ, নলবাৰী,বঙ্গাইগাওঁ, যোৰহাট আৰু কাছাৰ। মই ভাৱো যেতিয়া অসমত এই গোটেই কেইটা চেন্টাৰ হ'ব আমাৰ গোটেই অসমত প্ৰায় ১৫০০ ছাত্ৰ-ছাত্ৰীক মেডিকেল বা ইঞ্জিনিয়াৰিঙৰ কোচিং দিব পাৰিম। তেখেত সকলে যাতে নিজৰ ভৰিত থিয় দিব পাৰে আৰু ভালদৰে পৰীক্ষা দি ডাক্টৰ, ইঞ্জিনিয়াৰ হ'ব পাৰে। মই সদনক জনাব বিচাৰিছো যে আজি result declare কৰিছে। ডিব্ৰুগড় চেন্টাৰৰ পৰা ৫৩ ছাত্ৰ-ছাত্ৰীয়ে JEE appear কৰিছিল আৰু তাৰে ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে exam clear কৰিছে। এই এবছৰতেই ৫০ শতাংশতকৈ বেছি আমি achieve কৰিছো আৰু এই সকলে এতিয়া IIT ৰ entrance দিব। মই বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক ধন্যবাদ জনাওঁ এইধৰণে আমাক পুঁজি দিয়াৰ কাৰণে। ইতিমধ্যে টেণ্ডাৰ কৰা গৈছে আৰু first phase ত আমি তিনিটা টেণ্ডাৰ কৰিছিলো- নলবাৰী, যোৰহাট আৰু কাছাৰত আৰু আশা কৰো আগন্তুক দিনত এনেধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে সুবিধা পাব।

অধ্যক্ষ ডাঙৰীয়া, Sports and Youth Welfare ৰ এটা আঁচনি খেল মহাৰণ। আমি সকলোৱে গম পাওঁ যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ যি ইচ্ছা আছিল অসমত খেল

মহাৰণ হ'ব লাগে যাতে আমাৰ গাৱঁত লুকাই থকা প্ৰতি ভা আদি উলিয়াই আনিবলৈ যাতে সকলোৱে সুবিধা পায়। সেই খেল মহাৰণৰ জৰিয়তে প্ৰায় ২৭,২৬,১৮৭ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে আৰু তাৰ লগতে ১,২৮,০০০ excellent player select কৰিছে। এই যিসকল ১,২৮,০০০ excellent player আমি select কৰি আনিছো, ভৰিষ্যৎ সময়ত আমি তেখেতসকলক ভাল খেলুৱৈ হিচাপে গঢ়ি তুলিব পাৰিম।

মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাওঁ যে যোৱাবছৰৰ পৰা আমি যেতিয়া আৰম্ভ কৰিছিলো Sportsman ক চাকৰি দিয়া, Gujarat National Games ৰ পৰা ১০ জনে চাকৰি পাইছিল আৰু এই যি National Games গোৱাত হৈ গ'ল তাৰ পৰা আমি অসমৰ ৬৭ জনক চাকৰি দিবলৈ সক্ষম হৈছো। চাকৰি দিলে আমাৰ খেলুৱৈ সকলে উৎসাহ পায় আৰু উৎসাহ পালে ভাল খেল দেখুৱায় আৰু অসমৰ খেলুৱৈ সকলে সাহস পায়। মই সেইকাৰণে ভাৰো যে বিৰোধীয়ে কৈছে যে এই বাজেটত একো নাই। কিন্তু এই বাজেটত খেলৰ পৰা আৰম্ভ কৰি হিতাধিকাৰী সৃষ্টি কৰাই নহয় rural economy ক স্বাৱলম্বী কৰিবৰ কাৰণে আঁচনি আনিছে। মই ভাৰো এই বাজেটৰ সঠিকভাৱে ৰূপায়ণ হ'ব আৰু অসমখন আগুৱাই যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা, (গহপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বাজেট বক্তব্যৰ ওপৰত আমাৰ সন্মানীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে যোৱাকালি যি বাজেট অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে আগন্তুক দিনত এই এবছৰৰ কাৰণে যি বাজেট বক্তব্য ৰাখিছিল সেই বক্তব্যৰ ওপৰত মই তেখেতক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। যিখন বাজেটৰ জৰিয়তে আগন্তুক দিনত অসমৰ সৰ্বস্তৰত জনসাধাৰণক স্পৰ্শ কৰিব পৰাকৈ অৰ্থনৈতিকভাৱে বিকশিত কৰিব পৰাকৈ এইখন বাজেট প্ৰস্তুত কৰা হৈছে। আজি এই বাজেটৰ ওপৰত মই অলপমান ক'বলৈ ওলাইছো। আমাৰ বিৰোধীৰ সন্মানীয় সদস্য সকলে বিৰোধীতা কৰিছে। তেখেতসকলে সমালোচনা কৰিব লাগে কাৰণে কৰিছে। কিন্তু আজি মই এই বাজেটৰ ওপৰত যোৱা ২০১৭-১৮ বৰ্ষত তেতিয়াৰ বিত্ত মন্ত্ৰী বৰ্তমানৰ সন্মানীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এখন অভিলাসী আঁচনি, অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ ধাৰণাটো উদ্ভাৱন কৰিছে আৰু সেই আধাৰতে আজি অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ এটা topic ৰ ওপৰত মই ক'বলৈ বিচাৰিছো। এই আঁচনিখনৰ জৰিয়তে অসমৰ মহিলাসকলৰ উন্নয়নৰ কাৰণে, মহিলা সকলক আগবঢ়াই নিবৰ কাৰণে এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। আমাৰ সন্মানীয় বিৰোধী সদস্য সকলে অনুভৱ কৰে যি সময়ত তেওঁলোকে বিধান সভাৰ নিজৰ নিজৰ সমষ্টি বিলাকলৈ যায় নিশ্চয় মহিলা সকলে তেওঁলোকক প্ৰশ্ন সোধে বা তেওঁলোকক কয় যে আমি অৰুণোদয় পোৱা নাই, অৰুণোদয় আঁচনিখন যথেষ্ট অপ্ৰিয় হলেও তেখেত সকলে এই কথাষাৰ মৌন ভাৱে সমৰ্থন কৰে। যিহেতু আমাৰ চৰকাৰে এই আঁচনিখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সেই সময়ত বিত্তমন্ত্ৰী হৈ থাকোতে এই আঁচনিখন প্ৰয়োগ কৰিছিল। এই আঁচনিখনত এটা কথা আমি লক্ষ্য কৰো যে অৰুণোদয় আঁচনিখনৰ প্ৰয়োজনীয়তা কিয় আছে, আমাৰ জীৱনলৈ কাৰ কেতিয়া বিপদ আহে এই কথাটো আমি সকলোৱে গম নাপাওঁ, ভগবানৰ বাহিৰে আমি কোনেও গম নাপাওঁ। যি দিনাখন এগৰাকী মহিলাই স্বামীহাৰা হ'ব তেওঁ কনমাণি শিশুটিক যেতিয়া স্কুললৈ পঠিয়াব লাগে সেই সময়ত হয়তো তেওঁৰ হাতত দি পঠিয়াবলৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ সেই

মহিলা গৰাকীৰ কিছু পইচাৰ অসুবিধা হয় বা টিফিন বক্সটো কিনি দিবৰ কাৰণেও ধন তেওঁৰ হাতত নাথাকিবও পাৰে। হঠাৎ তেওঁৰ জীৱনলৈ অমানিশা নামি আহে আৰু সেই কথাখিনি চিন্তা কৰি আমাৰ চৰকাৰে ২০১৭-১৮ চনতে তেতিয়াৰ পৰা implement কৰা এই আঁচনিখনে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আজি সুদূৰ প্ৰসাৰি হ'বলৈ গৈ আছে। এইবাৰ এই আঁচনিখনৰ জৰিয়তে প্ৰায় আঢ়ৈ লাখ মহিলাক সামৰি লোৱা হ'ব। মাহৰ ১০ তাৰিখটো অসমৰ প্ৰতিগৰাকী মহিলাই খুব আগ্ৰহেৰে আশাৰে বাট  চাই থাকে যে আমাৰ মোবাইলত মেচেজ আহিব। ১২৫০ টকা আমাৰ একাউন্টত সোমাব। যাৰ জৰিয়তে হয়তো তেওঁৰ পঢ়ি থকা শিশুটোক  বিদ্যালয়লৈ যাবৰ কাৰণে কিছু টকা দিব পাৰিব বা চিকিৎসা কৰিবৰ কাৰণে ঔষধ কিনিবৰ কাৰণে বা খাদ্য-সামগ্ৰী কিনিবৰ কাৰণে এই ব্যৱস্থাখিনি বহন কৰিবৰ কাৰণে ১২৫০ টকা পায়। এই আঁচনিখন এই কাৰণে বহুল ভাৱে প্ৰচাৰ হ'ব লাগে আমি বিচাৰো এই আঁচনিখনে মহিলা সকলে যেতিয়ালৈকে নাপাব এখন সমাজত মহিলা সকলৰ উত্তৰণ নহব, অৰ্থনৈতিক ভাৱে স্বাবলম্বী হোৱাৰ সুবিধা নাপাব তেতিয়ালৈকে সমাজ খন কেতিয়াও গতিশীলতাত নাহে। মাননীয় মুখমন্ত্ৰীৰ নেতৃত্বত আজি অসমত ইয়াৰ এটা বৃহৎ আমোল পৰিবৰ্তন আহিছে। আজি মহিলা সকলৰ কাৰণে ইতিমধ্যে আমাৰ সন্মানীয় Ruling দলৰ বিধায়কে বিভিন্ন ধৰণে আমাৰ বাজেট খনৰ ওপৰত বক্তব্য ৰাখিছে। আজি অৰুণোদয় আঁচনি খনৰ লগত আজি আমাৰ Pilot Project হিচাপে অসমৰ দুখন জিলাত সামৰি লোৱা হৈছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই, বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে চিন্তা কৰিছে যে অসমত এটা Pilot Project কৰা হওঁক দুখন জিলাক লৈ, এই দুখন জিলা বাচি লোৱাৰ পিছত যদি আমাৰ ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি বহুটো Ration Card বিতৰণৰ কাৰ্যসূচী ইতিমধ্যে সমাপন ঘটাইছে অসমত। প্ৰায় ৩৯ লাখ মহিলাই এই সুবিধা পাইছে। ৰেচন  কাৰ্ড পাবলৈ সক্ষম হৈছে আৰু ৰেচন কাৰ্ড Holderক এই দুখন বিশ্বনাথ জিলা আৰু চৰাইদেউ জিলাত যাতে অৰুণোদয়ে সামৰি লব  পাৰে যদি এই Pilot Project মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি আশাৰে আগবঢ়াব বিচাৰিছে যদি সম্ভৱ হয় পৰৱৰ্তী পৰ্যায়ত বিভিন্ন সমষ্টিলৈ এই আঁচনিখন প্ৰসাৰিত হ'ব। যেতিয়া ৰেচন কাৰ্ড হোল্ডাৰ সকলৰ বছৰি ৪ লাখৰ তলত আয় থকা প্ৰতি গৰাকী ব্যক্তিক আজি ৰেচন কাৰ্ডত সামৰি লোৱা হৈছে। গতিকে অসমত এই হিতাধিকাৰী সকলে যেতিয়া অৰুণোদয় আঁচনিখন পাব নিশ্চয় অসমীয়া মহিলা সমাজত নিজৰ ঘৰখন চলাবলৈ মহিলা গৰাকীয়ে যথেষ্ট সুবিধা পাব। এতিয়া ১২৫০ টকা, পৰৱৰ্তী সময় নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰিব, বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে চিন্তা কৰিব, অসমৰ অৱস্থা যিহেতুকে অৰ্থনৈতিক ভাৱে বিকশিত হৈছে দিনে দিনে অসম অৰ্থনৈতিক ভাৱে আগবাঢ়িছে অসম বিকশিত হৈছে। এই বিকশিত অসমত হয়তো যিমান খিনি আমাৰ দৰিদ্ৰসীমা ৰেখাৰ তলৰ মহিলা থাকিব সেই সকলক অৰুণোদয় আঁচনিয়ে সামৰি ল'ব পৰা হ'ব। লগে লগে ৰেচন কাৰ্ড হোল্ডাৰ সকলক লগত এইবাৰ প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা যি বীমা আছে সেই বীমা আজি ৰাস্তাত আমাৰ দুখীয়া এগৰাকীয়ে যেতিয়া গৈ থাকে যেতিয়া এক্সিডেন্টৰ সন্মুখীন হয় সেই ব্যক্তি গৰাকীয়ে হয়তো আমি সকলোৱে জানো কেতিয়াবা বিধায়কৰ ওচৰত যায় কেতিয়াবা ধনী ব্যক্তিৰ ওচৰত গৈ তেখেত সকলে ধাৰ বিচাৰি চিকিৎসাৰ কাৰণে আগবাঢ়িব লগীয়া অৱস্থাত পৰে। এই বস্তুটো উপসম কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, বিত্তমন্ত্ৰী ডাঙৰিয়ানীয়ে চিন্তা কৰি প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ আঁচনি দুখন আজি সন্নিবিষ্ট কৰিব বিচাৰিছে এই পাইলট প্ৰজেক্টত। যেতিয়া পৰৱৰ্তী পৰ্যায়ত গোটেই অসমত এই ব্যৱস্থাটো হ'ব হয়তো সেই

গৰাকী দূৰ্ভগীয়া ব্যক্তিয়ে ৰোড এক্সিডেন্ট হ'লে যাতে চিকিৎসা কৰিবৰ কাৰণে তেখেতে লোকৰ ওচৰত হাত পাতিব নালাগে অন্ততঃ চিকিৎসা এই বীমা যোজনাৰ অধীনত যিখিনি নিয়মাৱলী আছে তেওঁ সেইটো সুবিধা পাব। এই ব্যৱস্থাটোৰ যোগেদি আজি অৰুণোদয় আঁচনিয়ে অসমত এক আলোড়নৰ সৃষ্টি কৰিছে। ই হিতাধিকাৰী সৃষ্টি কৰা নাই, আমাৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে কয় যে হিতাধিকাৰী সৃষ্টিৰ কাৰণে এই অৰুণোদয় কৈছে। সন্মানীয় শাসকীয় দলৰ বিধায়ক সকলেকৈছে যে এই বাজেট খনত হিতাধিকাৰী সৃষ্টি কৰিবৰ কাৰণে আচলতে চেষ্টা কৰা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ সম্পূৰ্ণ পৰিচালনাৰে আজি যি খন বাজেট তৈয়াৰ কৰা হৈছে এই বাজেট খনে অসমৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। যি সৰ্বস্তৰৰ সকলো স্তৰৰ ব্যক্তিক স্পৰ্শ কৰাৰ কাৰণে চেষ্টা কৰিছে আজি সমাজ খনক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাবৰ কাৰণে, ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়াইলৈ যাবৰ কাৰণে, সাংস্কৃতিক দিশত আগবঢ়াই লৈ যাবৰ কাৰণে আৰু বিভিন্ন সমাজ খনক আগবঢ়াই নিয়াৰ যি সমাজক গতিশীলতা প্ৰদান কৰিবৰ কাৰণে যি খিনি স্তম্ভৰ প্ৰয়োজন সেই গোটেইখিনি স্তম্ভক আজি এই বাজেট খনে সামৰি ল'ব বিচাৰিছে। মই বিশেষ ভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ দিব বিচাৰিছো যে স্বাধীনতাৰ ৭৫ বছৰত অমৃত কাল আমি পালো। কিন্তু স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ কাৰণে বিশেষ ব্যৱস্থা অসমৰ কোনো চৰকাৰে কৰা নাছিল। কিন্তু আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰ খনে আজি উত্তৰ পাৰে এক উচ্চস্তৰীয় শিক্ষানুষ্ঠান নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। কনকলতা বৰুৱা বিশ্ববিদ্যালয় নিৰ্মাণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। যাৰ জৰিয়তে কনকলতা বৰুৱাক সন্মান জনোৱাই নহয় উত্তৰ পাৰৰ ৰাইজক আজি শিক্ষাৰ ক্ষেত্ৰত এক উচ্চস্তৰীয় শিক্ষানুস্থান দিয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীক বিশেষ ভাৱে ধন্যবাদ জনাইছো। লগতে আজি সাংস্কৃতিক দিশত বিশেষ ভাৱে আগবঢ়া সকলো ব্যক্তিৰ নামত ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদৰ কাৰণে যি সংগীত সন্ধিয়াৰ ব্যৱস্থা কৰিছে সাংস্কৃতিক দিশত এক আলোড়ণৰ সৃষ্টি কৰিব। সেয়েহে আমাৰ উঠি অহা প্ৰজন্মৰ কাৰণে এক milestone হ'ব। আজি এইখন বাজেটত reflect কৰা দেখা পাইছো। লগে লগে আজি কনকলতা বৰুৱাৰ বাসগৃহত heritage পইন্টলৈ ৰূপান্তৰিত কৰিবৰ কাৰণে আজিৰ বাজেট খনত যি ব্যৱস্থা গ্ৰহণ কৰিছে গহপুৰ সমষ্টিৰ জনপ্ৰতিনিধি হিচাপে গহপুৰ সমষ্টিৰ ৰাইজৰ হৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীক বিশেষ ভাৱে ধন্যবাদ জনাই আপোনাক ধন্যবাদ জনাই, দুষাৰ কবলৈ দিয়াৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ বাজেটৰ ওপৰত ধন্যবাদ সূচক বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আব্দুৰ ৰহিম আহমেদ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ treasury benchৰ আপত্তি থাকিলেও বাজেটখন যে সম্পূৰ্ণৰূপে হিতাধিকাৰীমূখী বাজেট সেই কথাটো আমি কব লাগিব। উন্নয়নৰ যদি একমাত্ৰ মাপকাঠি হিতাধীকাৰী সৃষ্টি কৰাই হয় তেনেহলে মই ভাৱো এইটো আজিৰ দিনত আটাইতকৈ ভূল ধাৰণা লৈ চলি আছো। আমি আটাইয়ে জানো যে আমাৰ দেশ তথা ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য। ইয়াতে ৭০ শতাংশতকৈ বেছি মানুহ কৃষি ক্ষেত্ৰত আমি নিয়োজিত হৈ আছো। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে কৃষি খণ্ডত মাত্ৰ ২৫০০ কোটি টকা আৰু জলসিঞ্চনত ১১২৬ কোটি টকা ধাৰ্য কৰিছে। ইয়াতে আমাৰ কৃষিক্ষেত্ৰত কেইটামান সঁজুলি আমি পৰম্পৰাগত ভাৱে

চাই আছো যে ২০০ খন পাৰাৰ টিলাৰ ৭০ খন টেক্টৰ ২০০ টা ৰিটাৰদ্ৰটআৰ পেডি translator. আজি যিখন ৰাজ্যত ৭০ শতাংশতকৈ বেছি মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল আমি কৃষি খণ্ডক যদি বৈজ্ঞানিকভাৱে দৃষ্টি নিদিওঁ আমি হাৰিয়ানা পঞ্জাৱৰ দৰে আজি আমাৰ যথেষ্ট সম্ভৱনা থকাৰ পিছতো আমাক যিখিনি ধান চাউল লাগে সেইখিনি বহিঃৰাজ্যৰ পৰা আমদানি কৰিব লগীয়া হয়। আমাৰ নিজৰ খাদ্য সমগ্ৰীখিনি আমি উৎপাদন কৰিবলৈ সক্ষম নহওঁ। আমি আমেৰিকা, ইংলেণ্ডত ৩ শতাংশ মানুহে কেৱল কৃষি ক্ষেত্ৰত জড়িত থাকে। তেওঁলোকৰ সম্পূৰ্ণ প্ৰয়োজনীয় খাদ্য সামগ্ৰীখিনি উৎপাদন কৰাৰ পাছতো বাকীখিনি তেওঁলোকে ৰপ্তানি কৰিবলৈ সক্ষম হয়. কিন্তু আমি আমাৰ কৃষি ক্ষেত্ৰত উল্লেখযোগ্য সম্ভাৱনা থকাৰ পাছতো আমাৰ চৰকাৰে সু দৃষ্টি নিদিয়াৰ কাৰণে আমি এটা ভাল ব্যৱস্থা কৰিব নোৱাৰাৰ কাৰণে শিক্ষিত নিবনুৱা সকল কৃষি ক্ষেত্ৰত তেওঁলোকে আত্ম নিয়োগ কৰাৰ কাৰণে অ পাৰগতা দেখুৱাই আছে বা অনিহা দেখুৱাই আছে। গতিকে মই ভাবো এইটো চৰকাৰৰ এটা ব্যৰ্থতা। ২য়তে বাজেটত নিবনুৱাক সংস্থাপন কৰিবলৈ উদ্যোগীকৰণৰ কোনো ব্যৱস্থাৰ কথা বিশদ ভাবে নাই। উদ্যোগ নিৰ্মাণৰ কোনো ব্যৱস্থা আমি চৰকাৰৰ হাতত দেখিবলৈ পোৱা নাই। ইয়াতে বাৰে বাৰে কোৱা হয়, যে আমাৰ যিখিনি লোন লোৱাৰ ক্ষমতা আছে, অৰ্থাৎ জি দি পি ৰ ৩২ শতাংশৰ তলত যিটো লোন ল'ব লাগে সেই ক্ৰাইটেৰিয়াটো মানি লৈ আমাৰ চৰকাৰে লোন লৈ আছে। যোৱা মাৰ্চলৈকে আমাৰ প্ৰায় ১ লাখ ৯ হাজাৰ কোটি টকা লোন ইতিমধ্যে এইখন চৰকাৰে লৈছে। বৰ্তমান কিজানি ডেৰ লাখ কোটি টকা হ'বই। ১ লাখ ৪৩ হাজাৰ কোটি টকাৰ বাজেট আৰু কোৱা হয় যে আমাৰ চৰকাৰৰ সময়তো লোন আছিল। হয় আছিল, আমি অস্বীকাৰ কৰা নাই। কিন্তু আমাৰ লোন কিমান আছিল, আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ চলি থকাৰ সময়ত ৭২ হাজাৰ কোটি টকাৰ বাজেটৰ সময়ত আমাৰ মাত্ৰ ৩৫ হাজাৰ কোটি টকাৰ লোণ আছিল। বৰ্তমান বাজেট আৰু লোনৰ পৰিমান সমান। গতিকে আমাৰ তেতিয়া আধাখিনি আছিল লোণৰ ওপৰত নিৰ্ভৰশীল। গতিকে এই ধৰণে লোন লৈ থাকিলে এটা সময়ত আমাৰ অৰ্থনৈতিক ব্যৱস্থাটো সম্পূৰ্ণৰূপে ভাঙি পৰিব বুলি আমি ক'ব খোজো। উপাধ্যক্ষ ডাঙৰীয়া আজি শিক্ষা খণ্ডত যথেষ্টখিনি কৰিব লগা আছিল বুলি মই ভাবো, আমাৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ৩২২ খন বিদ্যালয় বাচনি কৰিছে। তাত ২৩৬৯ কোটি টকা ধাৰ্য্য কৰিছে। আপোনালোকে জানে যে স্কুল সমূহ একত্ৰীকৰণ কৰাৰ পিছত আৰু বহু দীৰ্ঘদিনীয়া স্কুলৰ বিল্ডিং থকাৰ কাৰণে আমাৰ প্ৰায় বিলাক বিদ্যালয়তে এতিয়া আন্তঃগাঁথনিৰ যথেষ্ট অভাৱ। ইয়াতে কিছু অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণৰ কথা উল্লেখ কৰিছে। কিন্তু এইখিনি পৰ্য্যাপ্ত নহয়। যেতিয়ালৈকে স্কুলৰ নতুন বিল্ডিং পৰ্য্যাপ্ত কৰা ন'হব, তেতিয়ালৈকে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ পৰিবেশ নাপায়। আজি উদাহৰণ স্বৰূপে বৰপেটা সদৰ সমষ্টিৰ কথা মই যদি কওঁ, মই দাঠি ক'ব পাৰো আমাৰ প্ৰাথমিক বিদ্যালয়ৰ ৫০ শতাংশতকৈ অধিকৰ অৱস্থা অতি পয়ালগা বা জুৰুলা। গতিকে এইবিলাকত কেৱল অতিৰিক্ত শ্ৰেণী কোঠা দিলেই শিক্ষাৰ ক্ষেত্ৰত সাংঘাতিক ধৰণে পৰিবৰ্তন হ'ব বুলি আমি ক'ব নোৱাৰো। গতিকে এইক্ষেত্ৰত চৰকাৰে দৃষ্টিগোচৰ দিয়া আমাৰ পৰিলক্ষিত ন'হল। ইতিমধ্যে কোৱা হৈছিল শাসক পক্ষৰ পৰা মীন বিভাগৰ পৰা আমি বহিঃ ৰাজ্যৰ পৰা মাছ আমদানি কৰো। ইয়াতে চাওঁক মীন বিভাগত মাত্ৰ ১৬৪ কোটি টকা ধাৰ্য্য কৰিছে। আজি আমাৰ অঞ্চলবোৰত আপোনালোকে যদি চায় দেখিবলৈ পাব প্ৰত্যেক ১০ ঘৰ মানুহৰ ভিতৰত অতি কমেও ৩,৪ ঘৰ মানুহে মীন পালন কৰে। আজি যদি তেওঁলোকক আৰ্থিকভাবে অলপ সকাহ দিয়াৰ কাৰণে চৰকাৰে যদি বিশেষ আঁচনি নলয় বানপানীৰ সময়ত তেওঁলোকৰ পুখুৰী পানীত ডুবি গোটেই মাছ গুচি যায়। চৰকাৰে

এই বিলাকৰ ইঞ্জোৰেঞ্চৰ কথা মাজে মাজে দোহাৰে। কিন্তু সেই পইচা বিলাক মোকলাই অনাৰ কাৰণে যথেষ্ট কষ্টসাধ্য আৰু মইতো ক'ব পাৰো ১০ শতাংশ মানুহে এই সাহাৰ্য্য নাপায়। গতিকে আজি মীন বিভাগত চৰকাৰে গুৰুত্ব দিব লাগিছিল আৰু সেই কথাটোত গুৰুত্ব দিয়া আমাৰ পৰিলক্ষিত ন'হল। আজি ভূমিহীন মানুহক ভূমি প্ৰদান কৰাৰ কথা, আজি গড়াখহনীয়াৰ কৱলত পৰি যি সকলে ঘৰ বাৰী হেৰুৱাই তেওঁলোকক গড়াখহনীয়াপিড়ীত মানুহখিনিক নতুনকৈ সংস্থাপন কৰাৰ কথা চৰকাৰে বাৰে বাৰে , আমিও দাবী উত্থাপন কৰো চৰকাৰে বাৰে বাৰে এইবিলাক প্ৰতিশ্ৰুতি দিয়ে কিন্তু বাজেটত এইবিলাক কোনো ধৰণৰ কাম কৰাৰ ইংগিত কিন্তু ইয়াত ফুটি নুঠিল। আজি গৰুখুটিত উচ্ছেদৰ কথা কৈছে, মই এতিয়াও দাঠি ক'ব পাৰো যে গৰুখুটীৰ প্ৰকল্পৰ মাজত যিকেইটা পৰিয়াল আছিল, সেই কেইটাৰ আংশিক মানুহকহে পুনৰ সংস্থাপন দিয়া হ'ল। কিন্তু গৰুখুটীৰ বাহিৰত এতিয়াও যথেষ্টসংখ্যক মানুহ এতিয়াও ৰৈ আছে তেওঁলোকক কিন্তু পুনৰ সংস্থাপন দিয়া নাই, মৰিগাঁও, নগাঁও যিমান ঠাইত উচ্ছেদ হৈছে। গতিকে ভূমিহীন মানুহ ক'ৰবাত নহয় ক'ৰবাত থাকিবই। কাৰণ মানুহটো পানীত থাকিব নোৱাৰে, মানুহ আকাশত থাকিব নোৱাৰে। মানুহ কোনোবা ভূমিতেই থাকিব। সকলো মাটিয়েই চৰকাৰৰ কাৰণ আমাৰ নিজৰ ম্যাদি পট্টাৰ মাটি বিক্ৰী কৰিবলৈ যাওঁতেওঁ আমি চৰকাৰৰ অনুমতি ল'ব লাগে। গতিকে মই ভাবো এটা দায়িত্বশীল চৰকাৰৰ প্ৰথম দায়িত্ব হৈছে অন্ন, বস্ত্ৰ, বাসস্থানৰ ব্যৱস্থা কৰি দিয়া. আৰু এই বাসস্থানৰ কাৰণে ভূমিৰ ব্যৱস্থা চৰকাৰে মই ভাবো কৰি দিব লাগিছিল। এই কামটো চৰকাৰে এই বাজেটত উল্লেখ নকৰিলে। মই আৰু এটা কথা কম যে আজি নিবনুৱাৰ কথা কৈছে, আজি নিবনুৱাৰ সংস্থাপনৰ কথা কৈছে, ১ লাখ চাকৰিৰ কথা কৈছে, ভাল পাইছো ২৫ লাখৰ ওপৰত নিবনুৱা। আজি আপোনালোকে কৰ্ম সংস্থাপন ঠিক কৰাৰ আগতে যিবিলাক ভেঞ্চাৰ স্কুলত শিক্ষক আছিল তেওঁলোকক lumpsumএটা মাননি তেওঁলোকক দিয়া হয়। তেওঁলোকক পূৰ্ণপৰ্য্যায়ৰ দৰমহাৰ ব্যৱস্থা কৰিব লাগিছিল। এই ভেঞ্চাৰ স্কুলৰ আধা শিক্ষক লোৱা হ'ল বাকীখিনিক বাদ দিয়া হ'ল, সেইখিনিক মানবীয় দৃষ্টিত তেওঁলোকৰ চাকৰি নিয়মীয়া কৰিব লাগিছিল। কিন্তু এই বিলাক কথা আজিৰ চৰকাৰে বিবেচনা কৰা বাজেটত কিন্তু পৰিলক্ষিত ন'হল। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ এতিয়া মাননীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট এই সদনত উত্থাপন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত সেই বাজেটখন এখন সমৃদ্ধিশালী আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ এটা লক্ষ্য কৰা হৈছে বুলি মই ক'ব খোজো, যে অসমখন ভাৰতৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত এখন গঢ়াৰ যি লক্ষ্য আগত ৰাখি ড° হিমন্ত বিশ্ব শৰ্ম্মাৰ নেতৃত্বাধীন এই আমাৰ অসম চৰকাৰে যিখিনি কাম কৰি আছে আৰু ভৱিষ্যতে যিখিনি কৰিবলৈ সিদ্ধান্ত লৈছে, লক্ষ্য স্থিৰ কৰিছে, সেই গোটেইখিনি এই বাজেটত ফুটি উঠিছে বুলি মই ক'ব খোজো। যি আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা হিতাধিকাৰী নিৰ্মাণ কৰা এটা বাজেট বুলি কৈছে। কিন্তু এই বাজেটত আমি দেখিছো, যে আমাৰ মুখ্যমন্ত্ৰীৰ নিযুত মইনা, ১০ লাখ ছাত্ৰীক নাম ভৰ্তিৰ উদগনি যুগোৱা এটা আঁচনি লোৱা হৈছে। যিহেতু আমাৰ শিক্ষা বিভাগ হ'ল আমাৰ human resource development কৰাৰ কাৰণে বা গঢ়াৰ কাৰণে যি এটা বিভাগ আৰু ইয়াত বিশেষকৈ দেখা গৈছে, যে আমাৰ ছাত্ৰী সকল, মই বি টি আৰ অঞ্চলৰ চিৰাং জিলাৰ চিদলী সমষ্টিৰ পৰা নিৰ্বাচিত হৈছো, । আপোনালোকে গম পাইছে যে যোৱা ২০২১ চনত মোৰ সমষ্টিৰ খুংগ্ৰীং অঞ্চলত আৰু তাৰ দাঁতিকাষৰীয়া অঞ্চলত পৰা human traffick-

ing হৈছিল। ৪৩ জন সৰু সৰু ল'ৰা ছোৱালীবোৰক আকৌ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত উদ্ধাৰ কৰি অনা হৈছিল, আৰু তাত দেখা গৈছে যে সেই অঞ্চল বিশেষকৈ আদিবাসী সকল আমাৰ চাওঁতাল সম্প্ৰদায়ৰ লোক সকল, বহুত দুখীয়া। আনকি তেওঁলোকৰ ঘৰ আছে বুলি ক'বই নোৱাৰি। কিন্তু আজি দেখা গৈছে যে অসম চৰকাৰৰ যিখিনি আঁচনি বা ভাৰত চৰকাৰৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত যিখিনি আঁচনি আছে, অৱশ্যে আমাৰ বি.টি. আৰ অঞ্চলত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ উন্নয়ণৰ বাবে পঞ্চায়ত নাই। আমাৰ তাত পঞ্চায়তৰ সলনি VCDC আছে। একোখন VCDC ত এই পৰ্য্যন্ত আমি দেখিবলৈ পাইছো যে ৬০০, ৭০০ বা ১০০০ টাকৈ PMAY ৰ ঘৰ নিৰ্মাণ কৰি থকা হৈছে। ফলত ইয়াৰ দ্বাৰা সেই অঞ্চলৰ আদিবাসী লোক সকলৰ এই PMAY আঁচনিৰ জৰিয়তে ঘৰ পাবলৈ সক্ষম হৈছে। তেখেত সকলক যেনেদৰে এটা দুষ্ট চক্ৰই ট্ৰেফিকিং কৰিছিল, সেই ট্ৰেফিকিঙৰ পৰা তেওঁলোক হাত সাৰিব পাৰিব। ট্ৰেফিকিং এইকাৰণেই হৈছিল যে তেখেত সকলৰ অৱস্থা একেবাৰে পুতৌলগা আৰু আৰ্থিক ভাৱেও তেওঁলোক অতি নিচলা। তেওঁলোকৰ আৰ্থিক অৱস্থা উন্নত নোহোৱাৰ কাৰণে মহিলা সকল স্কুললৈ যোৱা নাছিল। কিন্তু আজি দেখা গৈছে যে তাত অৰুণোদয় আঁচনি গৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যিটো 'মুখ্যমন্ত্ৰী নিযুত মইনা' আঁচনিৰ দ্বাৰা ১০ লাখ ছাত্ৰীক নামভৰ্ত্তিত সহায় কৰা হ'ব। সেইমতে ১০ হাজাৰ টকা হায়াৰ চেকেণ্ডাৰীত পঢ়া, ড্ৰিগ্ৰীত পঢ়া সকলক ১২,৫০০ টকাকৈ আৰু পোষ্ট-গ্ৰেজুৱেট সকলক ১৫,০০০ টকাকৈ দিয়া হ'ব। গতিকে এইবোৰ আঁচনিয়ে নিশ্চয়কৈ দুখীয়া জনগোষ্ঠীৰ লোক সকলক বিশেষকৈ মহিলা সকলক উপকৃত কৰিব। এইখন বাজেটত যিহেতু ২৪০ কোটি টকা ধাৰ্য্য কৰিছে, যাৰ ফলত এই বাজেটখনে এক আলোড়ন আনিব আৰু বিশেষকৈ দ্ৰপ আউটৰ ক্ষেত্ৰত মহিলা সকলক বেছিকৈ দেখা যায়। সেয়েহে আমাৰ অঞ্চলবোৰত এই দ্ৰপ আউটৰ সংখ্যা নিশ্চয় কম হ'ব। ইয়াৰ উপৰিও আমি এই বাজেটত দেখিছো যে লোক নিৰ্মাণ বিভাগত ৫০ কিলোমিটাৰ ৰাস্তা নিৰ্মাণৰ কাম অতিক্ৰম কৰিছে। সেয়েহে আমি দেখিছো যে প্ৰতিদিনে ১২ কিলোমটাৰকৈ ৰাস্তা নিৰ্মাণ কৰি থকা হৈছে। যদি আমাৰ অসমখন উন্নত কৰিব লাগে তেতিয়াহ'লে আমাৰ বিভাগবোৰে ভালদৰে কাম কৰিব লাগিব। আজি এই চৰকাৰে যে কেৱল হিতাধিকাৰী সৃষ্টি কৰা বাজেট আনিছে বুলি কৈছে, এইটো নিশ্চয় শুদ্ধ নহয়। কাৰণ হায়াৰ চেকেণ্ডাৰীত যদি ১০ হাজাৰ টকা, ডিগ্ৰী পঢ়া সকলক ১২,৫০০ টকা আৰু পোষ্ট-গ্ৰেজুৱেট পঢ়া ছাত্ৰী সকলক যদি ১৫,০০০ টকাকৈ দিয়া হয়, ই নিশ্চয় হিতাধিকাৰী সৃষ্টি কৰা নহয়। এইটো আমাৰ গোটেই অসমতে মহিলা সকলক বা ছাত্ৰী সকলক সন্মান জনোৱা এটা কাৰ্য্য হ'ব। সেইকাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ আৰু আমাৰ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (বিধায়ক কৰিমগঞ্জ )ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী অজন্তা নেওগ মহাশয়া ২০২৪-২৫ বাজেট গতকাল উত্থাপন করলেন। অধ্যক্ষ মহোদয়, দুইদল হিসাবে সমালোচনা করার জন্য নয়। যে সমালোচনা করার জন্য সমালোচনা করব। এই বাজেটে আসামের ৩ কোটি ৩০ লক্ষ মানুষ উপকৃত হবে কি হবে না। আর বাজেট মানেই শুধু আয় ব্যয়ের হিসাব নয়। আমাদের আত্ম সামাজিক উন্নয়ন, মানুষের অধিকার অর্থাৎ একটি বাজেট একটি রাজ্যের রূপরেখা তৈরি করে,যে এই রাজ্যটি কিভাবে চলবে। অধ্যক্ষ মহোদয়, আমি আমার বক্তব্য শুরু করার আগে বলছি—"ইয়ে লোকতন্ত্র হে, রাজতন্ত্র নহী চাহিয়ে । আলোচনা কি ভি সম্মান হোনা

চাহিয়ে ।জনতা কি মুদ্দা কি বাত হোনা চাহিয়ে স্রিফ সত্যা কা। গুনগান নহী। বুনিয়াদি জরুরত পুরি হোনে চাহিয়ে, সাবাল পুছে তক ঘর ঘর কই নাগরিক পাবন্দিনি উসকা জবাব চাহিয়ে।”সেটাই অধ্যক্ষ মহোদয় গনতন্ত্র ।অধ্যক্ষ মহোদয়, অনেকেই এখানে বক্তব্য দিলেন। আজকের দিনে বক্তব্য দিতে দিতে এমন একটি পরিবেশ সৃষ্টি করলেন গোপীনাথ বরদলৈ, মহেন্দ্র মোহন চৌধুরি,বিমলা প্রসাদ চালিহা, শরৎ সিংহ। অর্থাৎ গোপীনাথ বরদলৈ, মাননীয় মুখ্যমন্ত্রীর যখন সেই ক্ষমতা আসে সেই সময় একটি দিয়াশলাই ফেক্টরি এই আসামে ছিল না। এই অবস্থায় দায়িত্ব দেওয়া হয়েছিল। আর তখনের অর্থনীতির যে কি অবস্থা ছিল সেটা আমাদের সবার জানা। আপনারা যে এসেম্বলিতে বসে কথাবার্তা বলছেন, ২০০৯ এ সেই এসেম্বলি তৈরি করা হয়েছিল তরুণ গগৈ সরকারের দিনে। সেটাই হচ্ছে বাস্তব সত্য। তাই অধ্যক্ষ মহোদয়, আজকের দিনে এখানে অনেকেই বলেছেন ইন্ডিভিজুয়েল বেনিফিটের কথা ।অরুনোদয়ের কথা বলছেন যে ইন্ডিভিজুয়েল স্কিম দেওয়া হয়েছে ।আমি বলব আপনারা আরো বেশি দিন অরুণোদয় ১২৫০ টাকা না, আপনারা ২০০০ টাকা দিন তাতে আমাদের কোন আপত্তি নেই। আপনারা মহিলাদের টাকা দিন, ইন্ডিভিজুয়েল স্কিম আরো বেশি দিন সেটার অর্থ এটা হতে পারে না যে কাছাড় পেপার মিল নগাও পেপার মিল বন্ধ হয়ে যাবে। সেটার অর্থ হতে পারে না যে আপনারা ইন্ডাস্ট্রিয়েল ডেভেলপমেন্ট বন্ধ করে দেবেন। আপনারা ইন্ডিভিজুয়েল বেনিফিট দিন কিন্তু ইনডোস্ট্রিয়েল ডেভেলপেন্টর কথা ভাবতে হবে। যুবক যুবতিরা কাজ করে যাতে ১২৫০টাকা,২০০০ টাকা ইনকাম করতে পারে সেটাই হবে বাস্তব সত্য। কিন্তু আজকের দিনে ইন্ডাস্ট্রিয়াল ডেভেলপমেন্টের জন্য কোন কথা এই বাজেটে দেখতে পাইনি। হয়তো বা আপনারা বলবেন যে আমি সমালোচনা করছি। কিন্তু আপনাদের উদ্দেশ্য ৫টি রাজ্যের মধ্যে ১টি রাজ্য করবেন। সেই উদ্দেশ্যে উপনীত হতে হয় যদি তাহলে ইন্ডাস্ট্রিয়াল ডেভেলপমেন্ট চাই। অধ্যক্ষ মহোদয়,এখানে ঋণের কথা বলা হয়েছে,আপনারা বেশি করে ঋণ নিন আমাদের কোন আপত্তি নেই বলবেন যে জিডিপির উপর ঋণ নেওয়া হয়। কিন্ত কেন্দ্রীয় সরকার যেভাবে ঋণ মুকুব করেছে আসাম সরকারের ঋণও যাতে সেইভাবে মুকুব হয় কেন্দ্রীয় সরকার থেকে। তাই ঋণ নিতে কোন অসুবিধা নেই, কিন্তু সেই ঋণ যাতে মুকুব হয়। কারণ ঋণ তো দিতে হবে। সেটা নয় যে ঋণ নিলাম আর দিতে হবে না। যেহেতু আপনাদের ডবল ইঞ্জিনের সরকার আপনারা কেন্দ্রীয় সরকারকে বলুন সেই ঋণকে মুকুব করার জন্য।

উপাধ্যক্ষ মহোদয়, এখানে খেল মহারণ,সঙ্গীত মহারণের কথা বলা হয়েছে । আপনারা আরও বড় বড় ইভেন্ট করছেন, ভালো কথা। আপনারা অনুষ্ঠান করুন ১০০ কোটি, ২০০ কোটি টাকা খরচ করুন তাতে আমাদের কোন আপত্তি নেই। আসামের যুবক-যুবতীদের জন্য করছেন কোন আপত্তি নেই ।কিন্তু সেটা লক্ষ্য রাখতে হবে আজকে যেগুলো স্কুল আছে সেই স্কুলে কিন্তু মিউজিক টিচার নেই। উপাধ্যক্ষ মহোদয়, সকালে আমি খেয়ে এসেছি । রাত্রি বেলা গিয়ে আবার ঘরে খেতে হবে। শুধু সঙ্গীত মহারণ করলাম, একদিন করলাম তার মানে কি আমাদের সঙ্গীত অনেকটা এগিয়ে গেল। সেটা হতে পারেনা। আমরা যাতে স্কুলগুলোতে যাতে মিউজিক টিচার দিতে পারি সেই দিকে আমাদের সরকার যাতে চিন্তা ধারা করে। উপাধ্যক্ষ মহোদয়, আজ স্কুলে পি.টি টিচার নেই। সেই টিচার দিয়ে যাতে প্রত্যেকটি দিন খেল মহারণ হয়, প্রতেকটি দিন যাতে সঙ্গীত মহারণ হয়। প্রত্যেক দিন যাতে যুবক যুবতীরা খেলাধূলা এবং সঙ্গীত চর্চায় এগিয়ে যেতে পারে তখনই আসামের উন্নতি হবে। উপাধ্যক্ষ মহোদয়, শিক্ষার মাধ্যমে একটি সমাজ গঠন হয়।

আজ আমাদের আসামের বর্তমান অবস্থা, বর্তমান উন্নতি কতটুকু সেটা নির্ভর করবে আমাদের অঞ্চলের মানুষ কতটুক শিক্ষিত। শিক্ষার যে বর্তমান পরিবেশ সেই পরিবেশ মোটেই ভালো নয়। ভরত নরহ মহাশয় বলেছিলেন যে অল ইন্ডিয়া সার্ভে অফ হায়ার এডুক্যাশন। সেই হায়ার এডুক্যাশন যদিও আমাদের মুখ্যমন্ত্রী বলেগিয়েছেন। হায়ার এডুক্যাশনে ২৮ টি স্টেট এবং ৮টি ইউনিয়ন টেরিটরি নিয়ে। এই ৩৬ টির মধ্যে বিহার হচ্ছে ১৬.৯, আর আমরা হচ্ছি ১৭। অর্থাৎ আমরা ৩৫ নং আর বিহার ৩৬ নং। কেরালা ৪৬.৬ শতাংশ হায়ার এডুক্যাশনের বর্তমান পরিবেশ। অর্থাৎ আমাদের হায়ার এডুক্যাশনের বাতাবরণ সৃষ্টি করতে হবে। উপাধ্যক্ষ মহোদয়, NISO থেকে DLED করা হয়েছিল অনেক টেট্ শিক্ষক নিযুক্তি দেওয়া হয়েছিলসেই সার্টিফিকেট দিয়ে। কিন্তু বর্তমানে যে বিজ্ঞাপন করা হল সেখানে বলা হল NISO সার্টিফিকেট দিয়ে আবেদন করা যাবে না। তাহলে MHRD deptt, NCERT **তে** NISO **কে কেন** approve **করা হল**। সেই NISO ডিগ্রী দিয়ে কিছু মানুষ চাকুরি করতে পারছে আবার কিছু মানুষ পারছে না। উপাধ্যক্ষ মহোদয়, সেই পরিবেশ যদি করা হয় তাহলে আমি মনে করি আসামের উন্নতি হবে না। শুধু যদি আপনারা মনে করেন যে বাজেটের সাইজ বড় হল আর আসামের উন্নতি হয়ে গেল। বাজেটের সাইজ বড় হলে আসামের উন্নতি হয়না অধ্যক্ষ মহোদয়। আসামের উন্নতি হতে হয় যদি, যেভাবে আয় ব্যয়ের হিসাব হবে সমহারে মানুষ তার অধিকার, তার ন্যায্য পাওনা সেই শিক্ষার মাধ্যমে শিক্ষিত হয়ে তারা যাতে অধিকারটুকু পায় সেদিকে আমাদের লক্ষ্য রাখতে হবে। আজকের প্রশ্নে আমি পেলাম কর্পাস ফান্ড **২১**টি সংগঠনকে দেওয়া হল। কিন্তু বরাকের ভাষা সংস্কৃতি উন্নয়নের জন্য বরাকের কোন সংগঠন বা বঙভাষী কোন সংগঠনকে কর্পাস ফান্ড দেওয়া হল না । উপাধ্যক্ষ মহোদয়, দুঃখের সঙে বলতে হচ্ছে যে প্রত্যেককে ফান্ড দেওয়া হয় এবং বর্ধিত হারে দেওয়া হচ্ছে। বরাক উপত্যকা বঙ সাহিত্য সংস্কৃতি সম্মেলন **২০১৯-২০** এ **৪** লক্ষ টাকা দেওয়া হয়েছিল, **২০২০-২১** এ **৩** লক্ষ টাকা,**২০২১-২২**এ **২** লক্ষ টাকা, **২০২২-২৩** এ **৬৫** হাজার টাকা। যদি এই অবস্থা হয় তাহলে আমি মনে করি বাস্তব সর্তে আপনারা যে সবকা সাথ সবকা বিকাশ, সর্বে ভবন্তু সুখিনা, আপনাদের সুশাসন এই কথাগুলো বলে থাকেন সেটা বাস্তবায়িত হবে না। তাই সত্যিকারের অর্থে যদি এই বাজেটকে জলমুখি করতে হয় তাহলে উন্নতির সাথে সাথে মানুষের প্রাপ্য যেগুলো অধিকার আছে সেগুলো সুরক্ষিত করুন। নমস্কার, ধন্যবাদ। জয়হিন্দ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী দৰ্চিং ৰাংহাং।

**শ্ৰী দৰ্চিং ৰাংহাং, (ডিফু)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সন্মানীয়া বিত্তমন্ত্ৰী ডাঙৰীয়নিৰ প্ৰচেষ্টাত আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যি বাজেট প্ৰস্তুত কৰিছে। এইটো এটা জনমুখী বাজেট আৰু ইয়াৰ ওপৰত মই সম্পূৰ্ণ সমৰ্থন আৰু আস্থা ৰাখি কিছু বক্তব্য ৰাখিব বিচাৰিছো।

এই বাজেটত বিশেষকৈ অসমত থকা পাহাৰ অঞ্চলৰ উন্নয়নৰ কথা মই কবলৈ গৈ আছো। যোৱা বিত্তীয় বৰ্ষ আৰু এই বিত্তীয় বৰ্ষত একাধিক ক্ৰমে normal বাজেট বৃদ্ধিত কৰি লগতে economic package দি পাহাৰ এলেকাত সৰ্বাংগীন উন্নয়নৰ কাৰণে যি বাজেট প্ৰস্তুত কৰিছে, নিশ্চিতভাৱে পাহাৰ এলেকাত আগৰ তুলনাত দ্ৰুতগতিত উন্নয়ন সম্ভৱ হ'ব। গতিকে মই পুনৰবাৰ আমাৰ বিত্ত মন্ত্ৰী মহোদয়াক পাহাৰৰ ৰাইজৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছো। আমি এই চৰকাৰৰ নেতৃত্বত, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত কাৰ্বি আংলংত MoU, MoS, 2021 ৰ যোগেদি

আমি শান্তি স্থাপন কৰিব পাৰিছো। কাৰ্বি আংলংত এতিয়া শান্তি হৈ উঠিছে। কাৰ্বি আংলং এতিয়া দ্ৰুতগতিত উন্নয়ন হৈছে। গতিকে আপোনালোকে নিশ্চিতভাৱে গম পাইছে যে বহুতে কাৰ্বি আংলংৰ পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও ভ্ৰমণ কৰিছে, আগৰ তুলনাত এতিয়া বহুত উন্নয়ন মূলক কাম - কাজ হৈ উঠিছে। আজি মই এই পবিত্ৰ সদনত MoU চুক্তিৰ যোগেদি কাৰ্বি আংলংত বহুতো infrastructure পাবলৈ সক্ষম হৈছো। বিশেষভাৱে, infrastructure হিচাপে Veterinary College পাবলৈ সক্ষম হৈছো, Agriculture college পাবলৈ সক্ষম হৈছো, Forest College পাবলৈ সক্ষম হৈছো আৰু Degree College পুনৰ পশ্চিম কাৰ্বি আংলংত সংস্থাপনৰ কাৰণে সুযোগ লাভ কৰিছো। লগতে আমি বহুতো অসম মালাৰ যোগেদি হাওঁক বা SoPD ৰ MLA সকলৰ যোগেদি ৰাস্তা-পদুলী আগৰ তুলনাত বহুখিনি উন্নয়নমূলক কাম-কাজ কৰিব পাৰিছো। আগত কাৰ্বি আংলংৰ পৰা যিসকল বিধায়কে সদনত প্ৰতিনিধিত্ব কৰে, তেওঁলোকে MLA Constituency development ৰ বাহিৰত কোনো এটা আঁচনি , উন্নয়নমূলক কাম - কাজ কৰাৰ সুযোগ সুবিধা নাপায়। কিন্তু এই বিজেপি চৰকাৰৰ সময়ত কাৰ্বি আংলংৰ পৰা যিসকল বিধায়কে প্ৰতিনিধিত্ব কৰিছে, সমগ্ৰ ১২৬ টা MLA সকলৰ লগত, Karbi Anglong Autonomous Council ৰ EM, CEM সকলৰ লগত একেকাৰ কৰি উন্নয়নমূলক কাম কাজ কৰিবলৈ সক্ষম হৈছে। গতিকে মই এই পবিত্ৰ সদনত আহিব লগীয়া দিনত দ্ৰুতগতিত পাহাৰৰ এলেকাত কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও উন্নয়ন সম্ভৱ কৰিব পাৰিম। মই এই পবিত্ৰ সদনত, এই বাজেটত কাৰ্বি আংলং বিশেষকৈ তাৰলংচৌৰ কথা উল্লেখ কৰি কাৰ্বি আংলংৰ কাৰ্বি সকলৰ ভাষা, সংস্কৃতি, সাজ-পাৰ ইত্যাদি বিশ্ব দৰবাৰত সংৰক্ষিত হোৱাৰ কাৰণে যিখিনি আহিবলগীয়া দিনত আমাৰ কৰণীয় আছে, সেই কৰণীয়াখিনি সম্পূৰ্ণ কৰিবৰ কাৰণে, আমি বিশ্ব দৰবাৰত লৈ যোৱাৰ কাৰণে, অসম চৰকাৰৰ ফালৰ পৰা যিখিনি আমাক সহায় সুবিধা আগবঢ়াইছে আৰু বাজেটত ৩ কোটি টকা ধাৰ্য কৰি তাৰলাংচৌৰ কাৰ্বি সকলক ভাষা, সংস্কৃতি, সাজ-পাৰ ইত্যাদি উন্নয়নৰ কাৰণে যি আমাক সা-সুবিধা দিছে, তাৰ মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু এইখিনিতে মই এটা কথা ক'ব লাগিব যে যোৱা বিত্তীয় বছৰৰ পৰা বা Karbi Anglong Autonomous Council ক নিজস্ব হিচাপে normal বাজেটৰ টকা খৰছ কৰিবৰ কাৰণে যি Independent, যি স্বায়ত্ব শাসিত দিছে, যি autonomy দিছে, তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিব লাগিব। এইটো আমি বিনা আন্দোলনত পাবলৈ সক্ষম হৈছো আৰু মই এই পবিত্ৰ সদনত কাৰ্বি আংলং ৰাইজৰ হৈ ধন্যবাদ জ্ঞাপন কৰিব লাগিব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যে বিধান সভাৰ আসনৰ delimitation ৰ সময়ত চোৰাত কাৰ্বি আংলংৰ কাৰণে ST সংৰক্ষিত Seat পাবলৈ সক্ষম হৈছো। এইটো seat আমি বিনা আন্দোলনত পাবলৈ সক্ষম হৈছো। গতিকে মই আশাবাদী আহিবলগীয়া দিনত বহুতো ৰাজনীতিৰ সমস্যা আছে কাৰ্বি আংলঙৰ ৰাজনৈতিক সমস্যা া হিচাপে অসমৰ ৰাইজৰ যি সাংবিধানিক প্ৰাপ্য আমি আশা কৰিছো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া তথা বিজেপি চৰকাৰৰ নেতৃত্বত কাৰ্বি আংলং আৰু ডিমা হাচাও ৰাইজৰ যি দীৰ্ঘদিনীয়া আৰু ডিমাণ্ড, যি প্ৰাপ্য ভাৰতীয় সংবিধানত লিপিবদ্ধ হৈ থকা ২৪৪ (খ) ধাৰা আমি বিনা আন্দোলনত শান্তিভাৱে ৰূপায়ণৰ বাবে সক্ষম হ'ম বুলি আশা কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ১ মিনিট মাননীয় সদস্য। সদনৰ অনুমতি সাপেক্ষে তেখেতৰ ২-৩ মিনিট আছে বক্তব্য শেষ কৰিবৰ কাৰণে। Continue কৰিব।

**শ্ৰীদৰসিং ৰংহাং** ঃ মই আশাবাদী কাৰ্বি-আংলং ৰাইজক মই এই পবিত্ৰ সদনৰ পৰা আহ্বান কৰিব

বিচাৰিছো আমি যি ধৰণে অসম চৰকাৰৰ পৰা কাৰ্বি আংলঙৰ ৰাইজৰ কাৰণে নিজস্ব বাজেট প্ৰস্তুত কৰিবলৈ আৰু MLA ৰ ST সংৰক্ষণৰ এটা চিট পাবলৈ আমি সক্ষম হৈছো, এইটো আমি ভাবিব লাগিব নিশ্চিতভাৱে ইয়ে আমাক যথেষ্ট মৰম কৰিছে। উন্নয়ন হ'বৰ কাৰণে আমাক সা-সুবিধা সুযোগ দিছে। গতিকে নিশ্চিতভাৱে আমাৰ চৰকাৰৰ চি এম চাৰ আৰু এই পবিত্ৰ সদনে ২৪৪ (খ) ৰূপায়ণৰ ক্ষেত্ৰত তেওঁলোকে সহায়-সহযোগিতা আগবঢ়াব আৰু আমি অপেক্ষা কৰিব লাগিব। আমি শান্তিভাৱে আমাৰ ৰাজনৈতিক কাম-কাজ আগবঢ়াই লৈ যাব লাগিব। মোৰ আৰু বিশেষ বক্তব্য নাই। যোৱা বিত্তীয় বৰ্ষৰ পৰা একাধিকক্ৰমে normal বাজেটত বৰ্ধিত কৰি আহি লগতে economic package দি পাহাৰীয়া অঞ্চলৰ উন্নয়নৰ কাৰণে যি পদক্ষেপ লৈছে মই পুনৰবাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক তেওঁলোক দুয়োজনক মই অন্তৰৰ পৰা কাৰ্বি আংলঙৰ ৰাইজৰ হৈ ধন্যবাদ জ্ঞাপন কৰি মই মোৰ এই বাজেটৰ সমৰ্থনত পুনৰবাৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank You. The adjourn till 9.30 AM on 14th February, 2024.